With Best Compliment From

BOARD OF SPORTS, ASSAM
R.G. BARUAH SPORTS COMPLEX
NEHRU STADIUM, GUWAHATI-781007

With Best Compliment From

STATE SPORTS COUNCIL OF ASSAM
NEHRU STADIUM, GUWAHATI-781007

secretary, State Sports Council of Assam
R.G. BARUAH SPORTS COMPLEX
NEHRU STADIUM, GUWAHATI-781007

অসমৰ খেলৰ কুইজ

জিতেন গগৈ

Shot on realme 3
By The Gorakha

দুই অসম গৌৰৱ

২০০৭ চনৰ ২৯ আগষ্টত ৰাষ্ট্ৰপতি প্ৰতিভা পাটিলৰ পৰা অৰ্জুন বঁটা গ্ৰহণ কৰিছে জয়ন্ত তালুকদাৰে

শিৱ থাপাক আদৰণি

অসমৰ খেলৰ কুইজ

জিতেন গগৈ

এছ. কে. পাবলিকেশ্বনছ
গুৱাহাটী

Shot on realme 3
By The Gorakha

একাষাৰ

'অসমৰ খেলৰ কুইজ'ৰ প্ৰথম সংস্কৰণ ক্ৰীড়াপ্ৰেমী ৰাইজে আদৰি লোৱাত স্বাভাৱিকতে উৎসাহিত হৈছো। বিগত কিছু বছৰত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ খেলুৱৈয়ে যথেষ্ট সফলতা অৰ্জন কৰিছে। ভোগেশ্বৰ বৰুৱা আৰু মনালিছা বৰুৱাৰ পিছত তৃতীয়গৰাকী অসমীয়া হিচাপে জয়ন্ত তালুকদাৰে 'অৰ্জুন বঁটা' লাভ কৰিছে ইত্যাদি। ভাবিলো, এনে ধৰণৰ তথ্য সামৰি দ্বিতীয় সংস্কৰণ এটা উলিয়াব পৰা হ'লে। তাৰেই ফলশ্ৰুতিত এই দ্বিতীয় সংস্কৰণ। প্ৰকাশৰ পথত বিভিন্নজনৰ পৰা আৰ্থিক আৰু বিভিন্ন দিশেদি উপকৃত হৈছোঁ। ক্ৰীড়াপ্ৰেমী মুখ্যমন্ত্ৰীদেৰেও শুভেচ্ছা-বাণীৰে উৎসাহিত কৰিছে। এই চেগতে তেওঁলোক আটাইলৈ কৃতজ্ঞতা জনাই থলোঁ।

ইতি
জিতেন গগৈ

এথলেটিকছ ঃ প্ৰশ্ন

ভোগেশ্বৰ বৰুৱা

১) ১৯৬৬ চনৰ বেংকক এছিয়াডৰ ৮০০ মিটাৰ দৌৰত নতুন অভিলেখেৰে স্বৰ্ণ পদক পাওঁতে ভোগেশ্বৰ বৰুৱাৰ সময় মান কিমান আছিল?

২) ১৯৮২ চনত নতুন দিল্লীত হোৱা এছিয়ান গেমছত অসমৰ কোন এথলীট আছিল ভাৰতীয় দলত?

৩) অসমৰ প্ৰথমগৰাকী অৰ্জুন বঁটা বিজয়ী কোন?

৪) ১৯৯১ চনত কলম্বোত হোৱা ছাফ গেমছত স্বৰ্ণপদক বিজয়ী অসমৰ থ্ৰ'ৱাৰ গৰাকী কোন?

৫) অসম এথলেটিকছ সন্থা কেতিয়া, ক'ত গঠন হয়?

৬) সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াৰ এথলেটিকছত অসমৰ হৈ প্ৰথমটো পদক কোনে লাভ কৰিছিল?

প্ৰমীলা ভৰালী আৰু জুনুমণি শইকীয়া

৭) সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াত অসমৰ হৈ কোনে কেতিয়া প্ৰথমটো স্বৰ্ণপদক লাভ কৰিছিল?

৮) আন্তঃ ৰাজ্য এথলেটিকছত অসমৰ হৈ স্বৰ্ণপদক অৰ্জন কৰা প্ৰথম এথলীটজন কোন?

Shot on realme 3
By The Goraktha

তৈৰুন নিছা

৯) ১৯৮৩ চনত অসমৰ বুদ্ধিমৈ থাপাৰ ৰেকৰ্ড ভাঙি ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ ডিছকাছ থ্ৰ'ত নতুন ৰেকৰ্ড কৰা এথলীট গৰাকী কোন?

১০) ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াত তেওঁ পদক পাইছিল ডিছকাছ থ্ৰ'ত। ইভেন্ট সলনি কৰে জেভলিন থ্ৰ'লৈ। সেই ইভেন্টতেই ১৯৯১ চনত কলম্বোত হোৱা ছাফ গেমছত তেওঁ ৰূপৰ পদক পায়। তেওঁ কোন?

১১) ১৯৮০ চনত কলিকতাত হোৱা ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াত তেওঁ ৩০.৭২ মিটাৰ ডিছকাছ দলিয়াই নতুন ৰেকৰ্ড কৰিছিল। পিছৰ বছৰ পুনেত হোৱা মীটত তেওঁ পুনৰ নিজৰ ৰেকৰ্ড ভংগ কৰে ৩৩.৩০ মিটাৰ দলিয়াই। এই মহিলা এথলীট গৰাকী কোন?

১২) ১৯৭০ চনৰ এছিয়ান গেমছত ভোগেশ্বৰ বৰুৱাই কোন ইভেন্টত ৰূপৰ পদক লাভ কৰিছিল?

১৩) ১৯৭২ চনত আহমেদাবাদত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছত তেওঁ ডিছকাছত তৃতীয় স্থান লাভ কৰিছিল। অসম এমেচাৰ এথলেটিকছ সন্থাৰ বেনাৰত সেয়াই আছিল প্ৰথমটো পদক। কোন আছিল সেই এথলীট?

১৪) ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ ছোৱালীৰ লং জাম্পত অসমৰ এগৰাকী খেলুৱৈয়ে ১৯৯৯-২০০০ ছিজনত ১৫ বছৰৰ পুৰণি ৰেকৰ্ড ভংগ কৰিছিল। তেওঁ কোন?

১৫) ভোগেশ্বৰ বৰুৱাৰ পিছত ভাৰতৰ হৈ এথলেটিকছত পদক অৰ্জন কৰা দ্বিতীয় গৰাকী অসমীয়া এথলীট কোন?



মৃদুল দুৱৰা

১৬) ৰাষ্ট্ৰীয় পৰ্যায়ৰ মহিলা পোলভল্টত অসমৰ হৈ পদক অৰ্জন কৰা প্ৰথমগৰাকী খেলুৱৈ কোন আছিল?

১৭) আন্তৰ্জাতিক পৰ্যায়ৰ মাৰাথনত অংশ গ্ৰহণ কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন আছিল?

১৮) ক্ৰমাগত দুখন এছিয়ান গেমছত অংশগ্ৰহণ কৰি পদক অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

১৯) ১৯৬২ চনত নতুন দিল্লীত ডুৰাণ্ড কাপ ফুটবলত বিজয়ী হাইদৰাবাদৰ ই-এম-ই দলৰ অন্যতম সদস্য আছিল খেলুৱৈগৰাকী। খেলিছিল ৰাইট বেক হিচাপে। কিন্তু কিবা জেদ লাগি পিছৰবাৰ তেওঁ এথলেটিকছলৈ মন মেলে। সেই এথলেটিকছতে এছিয়ান গেমছতো পদক অৰ্জন কৰা খেলুৱৈগৰাকী কোন?

❖❖❖

Shot on realme 3
By The Gorakha

এথলেটিকছ ঃ উত্তৰ

১) ১ঃ৪৯ঃ৪ মিনিট।

২) তৈবুন নিছা।

৩) ভোগেশ্বৰ বৰুৱা (১৯৬৮)।

৪) প্ৰমীলা ভৰালী (ডিছকাছ থ্ৰ')।

৫) ১৯৭০ চনৰ জানৱাৰী মাহত, ডিব্ৰুগড়ত।

৬) নৰম আলিয়ে (গুৱাহাটীৰ গাড়ীগাঁও)। ১৯৭১ চনত পাটিয়ালাত তেওঁ ১০০ মিটাৰ দৌৰি ৰূপৰ পদক পাইছিল।

৭) ১৯৭৪ চনৰ ১৩-১৬ ফেব্ৰুৱাৰীত ছালেম (অন্ধ্ৰ প্ৰদেশ)ত হোৱা খেলত মীৰ্জাৰ লোহিত কাকতিয়ে, ১০০ মিটাৰ দৌৰত।

৮) বঙাইগাঁৱৰ জেভলিন থ্ৰ'ৱাৰ হিতেশ দাস। ১৯৭৩ চনত আন্তঃ ৰাজ্য জুনিয়ৰ মীট হৈছিল দুৰ্গাপুৰত।

৯) ৰীণা ৰাইডঙিয়া; দূৰত্ব আছিল ৩৫.৮০ মিটাৰ।

১০) কুশল লাহন।

১১) বুধিমাই থাপা।

১২) ৪ x ৪০০ মিটাৰ ৰিলে দলৰ হৈ।

১৩) তৈবুন নিছা।

১৪) বিনীতা সোণোৱাল। তেওঁৰ দূৰত্ব আছিল ৫.৭৮ মিটাৰ।

১৫) মৃদুল দুৱৰা। ১৯৯১ চনত কলিকতাৰ আন্তৰ্জাতিক পাৰমীট মীটৰ পোলভল্টত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

১৬) গীতাঞ্জলি বৰা। ২০০৫ চনত নতুন দিল্লীৰ প্ৰথম ৰাষ্ট্ৰীয় পোলভল্ট আৰু থ্ৰ'ৰ চাৰ্কিট মীটত তেওঁ ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

১৭) আব্দুল বাৰেক। ২০০৫ চনৰ ছেপ্টেম্বৰ মাহত ডেনমাৰ্কত হোৱা বিশ্ব মাৰাথনত তেওঁ অংশ গ্ৰহণ কৰিছিল।

১৮) ভোগেশ্বৰ বৰুৱা। ১৯৬৬ আৰু ১৯৭০ চনৰ বেংককৰ এছিয়ান গেমছত খেলি তেওঁ প্ৰথমবাৰ ৮০০ মিটাৰ দৌৰত এক মিনিট ৪৯.৪ চেকেণ্ড সময় লৈ সোণৰ পদক লাভৰ লগতে মীট ৰেকৰ্ড প্ৰতিষ্ঠা কৰিছিল। আনহাতে পিছৰবাৰ বৰুৱাই ৪x৪০০ মিটাৰ ৰিলে দৌৰত ৰূপৰ দপক লাভ কৰিছিল।

১৯) ভোগেশ্বৰ বৰুৱা।

❖❖❖

hot on realme 3
y The Gorakha

ফুটবল ঃ প্ৰশ্ন

১) ১৯১৭ চনত অসমৰ এটা ক্লাব দলে কলকাতাত হোৱা আই-এফ-এ শ্বিল্ডত খেলাৰ কৃতিত্ব আৰ্জিছিল। ঐতিহাসিক প্ৰতিযোগিতাখনত প্ৰথমবাৰলৈ অসমৰ পৰা গৈ যোগদান কৰা দলটোৰ নাম কি আছিল?

প্ৰফুল্ল হাজৰিকা

২) ১৯০৯-১৯১১ কালছোৱাত বৰাক উপত্যকাৰ শিলচৰৰ এগৰাকী ফুটবলাৰে কলকাতা টাউন ক্লাবৰ হৈ খেলিছিল। ১৯৩৬ চনত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে। ১৯৬২ চনত তেওঁৰ স্মৃতিত শিলচৰ জিলা ক্ৰীড়া সন্থাই এখন ফুটবল প্ৰতিযোগিতা আৰম্ভ কৰে। এতিয়াও চলি থকা প্ৰতিযোগিতাখনৰ নাম কি?



শৰৎ দাস

৩) ১৯৭৩ চনৰ পৰা ১৯৮৫ চন পৰ্যন্ত তেওঁ অসম পুলিচ দলত খেলাৰ লগতে লেঠাৰীকৈ সন্তোষ ট্ৰফীত অসমৰ ছিনিয়ৰ ফুটবল দলত খেলিছিল। ১৯৭৫ চনত তেওঁ ভাৰতীয় ছিনিয়ৰ দলৰ সদস্য হিচাপে গৈছিল ইণ্ডোনেছিয়াত মাৰাহেলিম কাপ আমন্ত্ৰণমূলক প্ৰতিযোগিতালৈ। অসমৰ খেলজগতত দৰ্শকৰ মনত প্ৰথমগৰাকী 'ষ্টাৰ প্লেয়াৰ' হিচাপে স্বীকৃত এই খেলুৱৈগৰাকী কোন বাৰু?

৪) ১৯৬৪ চনৰ পৰা ৰাজ্যিক স্কুল, জুনিয়ৰ আৰু ছিনিয়ৰ ফুটবল দলত খেলিছিল ১৯৭২ চন পৰ্যন্ত। ১৯৭১-৭২ চনত তেওঁ আছিল ৰেংগুন অভিমুখী ভাৰতীয় প্ৰি-অলিম্পিক ফুটবল দলত। ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী এই প্ৰাক্তন ফুটবলাৰজনে পৰৱৰ্তী পৰ্যায়ত ফুটবল প্ৰশিক্ষণত এন আই এছ (কলকাতা) ডিপ্লমা লৈছিল প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ। কাৰ কথা কৈছো বাৰু?



তোযেশ্বৰ দত্ত

৫) কাৰ্বি আংলং জিলাৰ সুসন্তান তেওঁ। ভাৰতীয় যুৱ দলৰ উপৰি ছিনিয়ৰ দলৰ হৈ ছাফ গেমছ, ছাৰ্ক গেমছ, প্ৰি অলিম্পিক আৰু প্ৰি ৱৰ্ল্ড কাপ খেলা তেৱেঁই হ'ল অসমৰ প্ৰথম গৰাকী ফুটবলাৰ। খেলুৱৈজন কোন?

সন্তোষমোহন দেৱ

৬) ১৯৭৬ চনত বেংকক আৰু ১৯৭৭ চনত টেহৰাণত এছীয় যুৱ ফুটবল খেলা ফৰৱাৰ্ডৰ এই খেলুৱৈগৰাকীয়ে ১৯৭৭ চনত ছিনিয়ৰ দলৰ হৈ কাবুলত হোৱা কিংছ কাপত খেলিবলৈ গৈছিল। কলকাতাৰ 'তিনি প্ৰধান' হিচাপে খ্যাত ইষ্টবেংগল, মোহনবাগান আৰু মহমেডান স্পৰ্টিং ক্লাবত খেলা এইগৰাকী খেলুৱৈয়ে ১৯৭৯ চনৰ পৰা ১৯৮৬ চনলৈ বংগৰ হৈ সন্তোষ ট্ৰফীত খেলিছিল। তেওঁৰ নামটো কওকচোন?

টি মাও

৭) ১৯৮৮ চনত 'ছাই'ৰ 'স্পেচিয়েল এৰিয়া গেমছ' আঁচনিৰ অধীনত নিৰ্বাচিত হৈ নতুন দিল্লীৰ কেম্পলৈ যায় ফুটবলাৰগৰাকী। পৰৱৰ্তী

Shot on realme 3
By The Gorakha

সময়ত মুম্বাইৰ মহীন্দ্ৰ এণ্ড মহীন্দ্ৰ আৰু ডেম্পো ক্লাবক প্ৰতিনিধিত্ব কৰা খেলুৱৈগৰাকীয়ে অসমৰ উপৰি মহাৰাষ্ট্ৰ আৰু দিল্লীৰ হৈও সন্তোষ ট্ৰফী খেলাৰ অভিলেখ গঢ়িছে। কোন এই প্ৰতিভাবান ফুটবলাৰ?


নুৰুল আমিন

৮) ১৯৮১-৮২ চনত ৰাজ্যিক গ্ৰাম্য ফুটবল দলৰ জৰিয়তে বহল পৰিসৰলৈ ওলাই অহা প্ৰতিভাবান ফুটবলাৰগৰাকী ১৯৮৫ চনৰ পৰা ১৯৮৭ চনলৈ ভাৰতীয় যুৱ দলৰ হৈ কেইবাখনো প্ৰদৰ্শনী খেল (তাৰ ভিতৰত আছিল ভ্ৰমণকাৰী ইটালীৰ ২১ বছৰৰ অনুৰ্দ্ধ আৰু ৰুছিয়াৰ যুৱ দল)ৰ উপৰি এছীয় যুৱ ফুটবল খেলিছিল ১৯৮৫ চনত ভাৰতীয় ছিনিয়ৰ দলক প্ৰতিনিধিত্ব কৰি গৈছিল কাঠমাণ্ডুৰ অল নেপাল টুৰ্ণামেণ্টলৈ। ১৯৮৮-৮৯ চনত কলকাতাৰ মহমেডান স্প'ৰ্টিং ক্লাবৰ হৈও খেলা খেলুৱৈগৰাকীয়ে মুঠ আঠটা ছিজন অসমৰ হৈ সন্তোষ ট্ৰফীও খেলিছে। খেলুৱৈগৰাকী কোন, যিজনৰ তিনিজনকৈ জ্যেষ্ঠ ভ্ৰাতৃয়েও ৰাজ্যিক ফুটবল দলত খেলিছে?


নিপ বৰুৱা

জুৰেল বে'

৯) ১৯৭৯, ৮০, ৮২, ৮৩, ৮৪, ৮৫ আৰু ১৯৮৬ চনত ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ছিনিয়ৰ ফুটবলত তেওঁ পশ্চিমবংগক প্ৰতিনিধিত্ব কৰিছিল। ১৯৮৬ চনত তেওঁৰ কান্ধতে অধিনায়কৰ দায়িত্বও ন্যস্ত আছিল। ভাৰতীয় দলকো প্ৰতিনিধিত্ব কৰা অসমৰ সেই কৃতী খেলুৱৈগৰাকী কোন?


ভুবন গগৈ

১০) ১৯৮৩ চনৰ পৰা বৰদলৈ ট্ৰফীত এটা নতুন অতিৰিক্ত বঁটাৰ সংযোজন হৈছিল। অসম ক্ৰীড়া সাংবাদিক সন্থাই আগবঢ়োৱা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা। এই বঁটাৰ প্ৰথম বিজয়ী কোন?

১১) পঢ়া-শুনাৰ সূত্ৰে তেওঁ আছিল মধ্য প্ৰদেশত। অসম আৰু মধ্য প্ৰদেশৰ হৈ সন্তোষ ট্ৰফী খেলাৰ কৃতিত্ব অৰ্জন কৰে। ফুটবলাৰগৰাকী কোন আছিল?

১২) ডিফুৰ খৰসিং টেৰাং ট্ৰফী কেতিয়াৰ পৰা আৰম্ভ হয়? প্ৰথমবাৰৰ বিজয়ী কোন?

আন্তঃ জিলা মহিলা ফুটবলৰ বিজয়ী শদিয়া দলটো (১৯৯৭)

on realme 3
e Gorakha

প্ৰথমবাৰৰ বৰদলৈ ট্ৰফীটো

১৩) মোহনবাগান ক্লাবত খেলিছিল কৃতিত্বৰে। ১৯৪৭ চনত অধিনায়কো হৈছিল। সন্তোষ ট্ৰফীত পাঁচবাৰ বাংলাৰ হৈ খেলিছিল আৰু তাৰে তিনিবাৰেই তেওঁলোকে জয়ী হৈছিল। অসমৰ এই কৃতী ফুটবলাৰগৰাকী কোন আছিল?

১৪) পুৰণি ক্লাব মহাৰাণাই এবাৰেই মাত্ৰ বৰদলৈ ট্ৰফীত বিজয়ী হৈছে। সেইটো কেতিয়াৰ কথা? ফাইনেলত তেওঁলোকে কাক পৰাজিত কৰিছিল?

১৫) ১৯৫৩ চনত বৰদলৈ ট্ৰফীত মহাৰাণা বিজয়ী হওঁতে ফাইনেলত তেওঁলোকৰ হৈ যিজন খেলুৱৈয়ে হেট্ৰিক কৰিছিল, তেওঁ পিছলৈ ক্ৰীড়াৰ সলনি আন এক ক্ষেত্ৰতহে অধিক বিখ্যাত হৈছিল? কোন তেওঁ?

মিন্টু বসুমতাৰী

১৬) অসমৰ প্ৰথম অলিম্পিয়ান কোন?

১৭) বৰদলৈ ট্ৰফী প্ৰতিযোগিতা কেতিয়া আৰম্ভ হৈছিল? প্ৰথম আয়োজক কোন আছিল?

১৮) বৰদলৈ ট্ৰফীৰ প্ৰথম বিজয়ী কোন? ফাইনেলত তেওঁলোকে কাক পৰাজিত কৰিছিল?

১৯) বৰদলৈ ট্ৰফীত প্ৰথম কেতিয়া

ফাইনেলত দুয়োটা দলেই ৰাজ্যৰ বাহিৰৰ আছিল? সেইবাৰ জয়ী হৈছিল কোন?



প্ৰদীপ দত্ত

২০) বৰদলৈ ট্ৰফীত প্ৰথম কেতিয়া ফাইনেলিষ্ট দুয়োটা দলেই ভাৰতৰ বাহিৰৰ আছিল? কোন জয়ী হৈছিল সেই ফাইনেলত?

২১) বৰদলৈ ট্ৰফীৰ ফাইনেল খেলা প্ৰথমটো দেশৰ বাহিৰৰ দল কোন আছিল? সেই ফাইনেলত কোন জয়ী হৈছিল?

২২) বৰদলৈ ট্ৰফীত লেঠাৰীকৈ চাৰিবাৰ বিজয়ী হোৱা একমাত্ৰ দলটো কোন? তেওঁলোক কেতিয়াৰ পৰা কেতিয়ালৈ জয়ী হৈছিল?

২৩) ১৯৪০ চনত মহাৰাণা ক্লাবে কলিকতাৰ আই-এফ-এ শিল্ডত প্ৰথমদিনা ১-১ গ'লত মহমেডান স্পৰ্টিঙৰ বিৰুদ্ধে ড্ৰ ৰাখি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। কিয়নো মহমেডান দলটো তেতিয়াৰ কেইবাজনো ভাৰত খ্যাত খেলুৱৈৰে গঠিত হৈছিল। দ্বিতীয় দিনা পুনৰ অনুষ্ঠিত খেল চাবলৈ আনকি বংগৰ প্ৰিমিয়াৰ ফজলুল হকে সদন অৰ্ধ ছুটী ঘোষণা কৰি নিজেও খেলপথাৰত উপস্থিত হৈছিল। দ্বিতীয় দিনা মহাৰাণা ১-০ গ'লত পৰাজিত হৈছিল। প্ৰথমদিনা মহাৰাণা আগবাঢ়ি থাকোতে তেওঁলোকৰ হৈ গ'লটো কোনে দিছিল?

২৪) কেতিয়াৰ পৰা বৰদলৈ ট্ৰফীৰ খেল নেহৰু ষ্টেডিয়ামত হৈ আহিছে? প্ৰথমবাৰ তাত বিজয়ী কোন আছিল?

২৫) প্ৰথমবাৰৰ বৰদলৈ ট্ৰফীত কেইটা দল আছিল?

২৬) বৰদলৈ ট্ৰফীত যোগদান কৰা ৰাজ্যৰ বাহিৰৰ প্ৰথমটো দল কোন?

২৭) বৰদলৈ ট্ৰফীত বিজয়ী ৰাজ্যৰ বাহিৰৰ প্ৰথমটো দল কোন আছিল?

Shot on realme 3
The Gorakha

১৯৮১ চনত মাদ্ৰাজত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ফুটবলত বিজয়ী অসমৰ দলটোক মেনে... দীপ ৰাজখোৱা আৰু অসম ফুটবল সন্থাৰ তেতিয়াৰ সম্পাদক নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ সৈ... দেখা গৈছে। দলটোৰ অধিনায়ক আছিল মহঃ উবেদুল্লা।

২৮) এ-টি-পি-এ মানে কি?

২৯) এ-টি-পি-এ শ্বিল্ডৰ খেল কেতিয়াৰপৰা ক'ত আৰম্ভ হয়?

৩০) এ-টি-পি-এ শ্বিল্ডৰ প্ৰথম আয়োজক কোন আছিল?



জামছেদ নাছিৰি

৩১) এ-টি-পি-এ শ্বিল্ডৰ প্ৰথম বিজ... কোন? ফাইনেলত তেওঁলোকে কাক পৰাজি... কৰিছিল?

৩২) উদ্বোধনী বৰ্ষৰ এ-টি-পি-এ শ্বি... ফাইনেলৰ হেট্ৰিকধাৰী খেলুৱৈগৰাকী কে... আছিল?

৩৩) প্ৰথমবাৰৰ এ-টি-পি-এ ফাইনেল ... কোনে পৰিচালনা কৰিছিল?

৩৪) বৰদলৈ ট্ৰফীত এজন খেলুৱৈয়েহে দুবাৰকৈ শ্ৰেষ্ঠ খেলুৱৈৰ স... পাইছে। তেওঁ কোন?

৩৫) দেউকণ শ্বিল্ডৰ খেল কেতিয়া আৰম্ভ হয়?

৩৬) দেউকণ শ্বিল্ড প্ৰথম ক'ত হৈছিল? সেইবাৰৰ বিজয়ী কোন আছিল?

৩৭) দেউকণ শ্বিল্ড কোনে আগবঢ়াইছিল?

বীণা বাউৰী

৩৮) এ-টি-পি-এ শ্বিল্ডত লেঠাৰীকৈ চাৰিবাৰ জয়ী হোৱা দলটো কোন?

৩৯) বৰদলৈ ট্ৰফীৰ প্ৰথমখন খেল কাৰ কাৰ মাজত হৈছিল?

৪০) প্ৰথম বৰ্ষৰ বৰদলৈ ট্ৰফীৰ উদ্বোধক কোন আছিল?

৪১) বৰদলৈ ট্ৰফীৰ উদ্বোধনী খেলখনৰ ৰেফাৰী কোন আছিল?

৪২) উদ্বোধনী বৰ্ষৰ বৰদলৈ ট্ৰফীটো কেতিয়া সলনি হয়?

৪৩) ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ফুটবলত অসমে কেতিয়া লেঠাৰীকৈ তিনিবাৰ বিজয়ী হৈছিল?

৪৪) এছিয়ান স্কুল ফুটবলত এবাৰ অসমৰ সাতজনকৈ খেলুৱৈয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল। এই ঘটনা কেতিয়াৰ? খেলুৱৈসকল কোন আছিল?

৪৫) সৰ্বভাৰতীয় ফুটবল সংস্থাৰ সভাপতি হোৱা অসমৰ সংগঠকগৰাকী কোন?

৪৬) সন্তোষ ট্ৰফীত অসমে কেতিয়া তৃতীয় স্থান লাভ কৰিছিল? সেইবাৰৰ দলটোৰ অধিনায়ক কোন আছিল?

৪৭) সন্তোষ ট্ৰফীত অসমে প্ৰথম কেতিয়া ছেমিফাইনেল খেলিছিল?

৪৮) অসম ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ দলক নেতৃত্ব দি কৃতি অৰ্জন কৰা একমাত্ৰ খেলুৱৈজন কোন?

Shot on realme 3
By The Gorakha

কেদাৰনাথ মৌৰ

৪৯) ছাৰ্ক, ছাফ গেমছকে ধৰি প্ৰি-অলিম্পিক, প্ৰি-ৱৰ্ল্ড কাপ আৰু নেহৰু কাপত ভাৰতীয় দলৰ হৈ খেলা অসমৰ একমাত্ৰ ফুটবলাৰগৰাকী কোন?

৫০) যিকোনো পৰ্যায়ৰ ভাৰতীয় দলত সৰ্বাধিক সংখ্যক অসমৰ খেলুৱৈয়ে স্থান পোৱা প্ৰথম ঘটনাটো কেতিয়াৰ? সংশ্লিষ্ট খেলুৱৈকেইগৰাকী কোন কোন?

৫১) ১৯৪৭ চনত লক্ষ্ণৌত হোৱা আই-এফ-চি শ্বিল্ডত বিজয়ী হৈছিল মহাৰাণা ক্লাব। 'হায়াৰ' হিচাপে সেই দলত ৰাজ্যৰ বাহিৰৰ খেলুৱৈ এগৰাকীও আছিল, যিজনে ১৯৫১ চনত নতুন দিল্লীত হোৱা এছিয়ান গেমছৰ ফাইনেলত বিজয়ী ভাৰতীয় দলৰ হৈ নিৰ্ণায়ক গ'লটো দিছিল?

৫২) ৰাজ্যৰ বাহিৰলৈ গৈ ফুটবল প্ৰতিযোগিতাত বিজয়ী হোৱা অসমৰ প্ৰথমটো দল কোন? তেওঁলোক কেতিয়া ক'ত বিজয়ী হৈছিল?

৫৩) ৰাষ্ট্ৰীয় স্কুল ফুটবলত অসম প্ৰথমবাৰলৈ কেতিয়া বিজয়ী হৈছিল?

৫৪) ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবলত অসমে কেতিয়া প্ৰথম ফাইনেল খেলিছিল?

৫৫) সন্তোষ ট্ৰফী অসমত প্ৰথম কেতিয়া হৈছিল?

৫৬) এই পৰ্যন্ত ফিফা বেজপ্ৰাপ্ত অসমৰ ৰেফাৰী কেইজন কোন কোন?

৫৭) ২০১০ চন পৰ্যন্ত সন্তোষ ট্ৰফীৰ ফাইনেল খেলোৱা অসমৰ ৰেফাৰীসকল কোন?

৫৮) সন্তোষ ট্ৰফীত অসমৰ অধিনায়ক হোৱা ভাতৃদ্বয় কোন?

৫৯) ১৯৫০ চনত তেওঁ আছিল অসম সন্তোষ ট্ৰফী দলত। আনহাতে

ৰাজ্যিক দলৰ হৈ ৰঞ্জি ট্ৰফী ক্ৰিকেট খেলিছিল ১৯৪৮, ৫১ আৰু ৫২ চনত। কোন আছিল সেই কৃতিত্বৰ অধিকাৰী?

৬০) ২০১১ চন পৰ্যন্ত এছিয়ান গেমছত ভাৰত শেষবাৰলৈ ফুটবলৰ বিজয়ী হৈছিল ১৯৬২ চনত। খেল হৈছিল জাকাৰ্টাত। সেই দলৰ মেনেজাৰ কোন আছিল?

৬১) মধ্যপ্ৰদেশৰ হৈ সন্তোষ ট্ৰফী খেলা অসমৰ প্ৰথম ফুটবলাৰ কোন?

৬২) ১৯৭৯ চনত গুৱাহাটীত ফ্লাড-লাইটৰ তলত হোৱা ৰাষ্ট্ৰীয় স্কুল ফুটবল প্ৰতিযোগিতাত অসম ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল। কোন আছিল সেই দলৰ অধিনায়ক?

৬৩) ভাৰতীয় স্কুল ফুটবল দলত খেলা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

৬৪) সৰ্বভাৰতীয় সুব্ৰত কাপ ফুটবলত বিজয়ী হোৱা অসমৰ প্ৰথমটো দল কোন?

৬৫) ১৯৫১ চনৰ ২৬ জানুৱাৰীত তেওঁৰ জন্ম নগাঁও জিলাৰ টাঙোনধৰা গাঁৱত (বাৰপূজীয়া)। ১৯৭৪ চনৰ পৰা ৭৮ চনলৈ খেলিছিল



১৯৭৯ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় ছাত্ৰ জুনিয়ৰ ফুটবলত বিজয়ী অসমৰ দলটোক প্ৰশিক্ষক আব্দুল লটিফ, অসম ফুটবল সন্থাৰ তেতিয়াৰ সম্পাদক নৃপেন্দ্ৰ নাৰায়ণ সিংহ আৰু মেনেজাৰ আশুতোষ চৌধুৰীৰ সৈতে দেখা গৈছে। লোহিত গগৈ আছিল দলটোৰ অধিনায়ক।

সন্তোষ ট্ৰফীত। ভাৰতীয় দলৰ হৈ মাৰ্ডেকা কাপ খেলিবলৈ গৈছিল ১৯৭৫ আৰু ১৯৭৮ চনত। কোন তেওঁ?

৬৬) ৰাজিক দলত খেলাৰ আগেয়েই ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ একমাত্ৰ ফুটবলাৰগৰাকী কোন?

৬৭) প্ৰথম আন্তঃজিলা মহিলা ফুটবল প্ৰতিযোগিতা কেতিয়া ক'ত হৈছিল? কোন আছিল সেইবাৰৰ বিজয়ী?

৬৮) প্ৰথম আন্তঃ জিলা মহিলা ফুটবলত সৰ্বোচ্চ গ'লদাতা আৰু একমাত্ৰ হেট্ৰিকধাৰী খেলুৱৈগৰাকী কোন?


নৃপেন্দ্ৰ নাৰায়ণ সিংহ

৬৯) উদ্বোধনী বৰ্ষৰ পৰা ১৯৫৯ চন পৰ্যন্ত বৰদলৈ ট্ৰফীৰ বিজয়ী দলটোক প্ৰদান কৰা প্ৰথমটো ট্ৰফীৰ উচ্চতা কিমান আছিল?

৭০) অসমত প্ৰথম মহিলা ফুটবল প্ৰতিযোগিতা কোনে · ক'ত পাতিছিল?

৭১) গুৱাহাটী ফুটবল সন্থা কেতিয়া গঠন হৈছিল?

৭২) বৰদলৈ ট্ৰফী কেতিয়াৰ পৰা গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰি আহিছে?

৭৩) ত্ৰিছৰ দশকত গুৱাহাটীৰ ফুটবল দল এটাৰ মেনেজাৰ হিচাপে কোচবিহাৰলৈ গৈছিল গোপীনাথ বৰদলৈ। কোন আছিল সেই দলটো? তাৰ অধিনায়ক কোন আছিল?

৭৪) বৰদলৈ ট্ৰফীত প্ৰথম কেতিয়া অনাতাঁৰ ধাৰা বিৱৰণী দিয়া কাম আৰম্ভ হয়?

৭৫) প্ৰথম ধাৰা বিৱৰণী দিয়াৰ বছৰত বৰদলৈ ট্ৰফীত বিজয়ী কোন আছিল?

৭৬) কটন কলেজত পঢ়োতে 'ব্লু' আছিল। গুৱাহাটী বিশ্ববিদ্যালয় দলতো খেলিছিল। যাদবপুৰ ইঞ্জিনিয়াৰিং কলেজত পঢ়োতে খেলিছিল ৰাজস্থান, ভৱানীপুৰ আৰু হাওৰা ইউনিয়ন ক্লাবত। ১৯৫৫ চনত এৰ্ণাকুলামত অসমৰ হৈ সন্তোষ ট্ৰফীত খেলিছিল। ১৯৮৪ চনৰ ১৪ মাৰ্চত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে। তেওঁৰ স্মৃতিত বৰ্তমান ৰাজ্যত এখন ফুটবল প্ৰতিযোগিতা চলি আহিছে। কোন আছিল তেওঁ?

৭৭) ইন্দু হাজৰিকা সোঁৱৰণী ১৯ বছৰৰ তলৰ আন্তঃ জিলা স্কুল ফুটবল প্ৰতিযোগিতা প্ৰথম কেতিয়া ক'ত হৈছিল?

৭৮) প্ৰথম বাৰ্ষিক ইন্দু হাজৰিকা সোঁৱৰণী স্কুল ফুটবলত কোন বিজয়ী হৈছিল?

৭৯) অসমৰ প্ৰথমখন আগশাৰীৰ ফুটবল প্ৰতিযোগিতা কেতিয়া ক'ত আৰম্ভ হৈছিল?

৮০) স্বাধীনতা দিৱস কাপৰ এতিয়াৰ আয়োজক কোন?

৮১) স্বাধীনতা দিৱস কাপ প্ৰথম অনুষ্ঠিত হোৱা খেলপথাৰখনৰ নাম কি আছিল?

৮২) উদ্বোধনী বৰ্ষৰ স্বাধীনতা দিৱস কাপত কোনে কাক হৰুৱাই বিজয়ী হৈছিল?

৮৩) ১৯৬৬ চনত ব্ৰহ্মদেশলৈ শুভেচ্ছামূলক ভ্ৰমণৰ বাবে যোৱা ভাৰতীয় ফুটবল দলৰ মেনেজাৰ কোন আছিল?

৮৪) সৰ্বভাৰতীয় ফুটবল সংস্থাৰ নিৰ্বাচক সমিতিৰ সদস্য হোৱা প্ৰথমগৰাকী অসমীয়া কোন?

৮৫) ফিফা বেজপ্ৰাপ্ত প্ৰথমগৰাকী অসমীয়া ৰেফাৰী কোন? কেতিয়া তেওঁ সেই স্বীকৃতি পাইছিল?

৮৬) সন্তোষ ট্ৰফীৰ ফাইনেল খেলোৱা অসমৰ প্ৰথমগৰাকী ৰেফাৰী কোন?

৮৭) ১৯৭১ চনত কুৱালা লামপুৰৰ মাৰ্ডেকা কাপ আৰু ছিংগাপুৰৰ পাম্ৰ ছুকান কাপৰ খেল পৰিচালনা কৰিবলৈ যোৱা অসমৰ ৰেফাৰীগৰাকী কোন?

৮৮) স্বাধীনতা দিৱস কাপত বিজয়ী অসমৰ বাহিৰৰ প্ৰথমটো দল কোন? সেয়া কিমান চনৰ কথা? ফাইনেলত তেওঁলোকে কাক পৰাজিত কৰিছিল?

৮৯) সৰ্বভাৰতীয় আন্তঃ বিশ্ববিদ্যালয় ফুটবলত গুৱাহাটী এবাৰ ৰানাৰ্ছ আপ আছিল। সেয়া কিমান চনৰ কথা? ফাইনেলত তেওঁলোক কাৰ হাতত পৰাজিত হৈছিল?

৯০) সৰ্বভাৰতীয় বিশ্ববিদ্যালয় ফুটবলত অসমৰ দলে এবাৰেই মাথো ফাইনেল খেলিছে। সেই দলৰ অধিনায়ক কোন আছিল?

৯১) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমটো ক্ৰিকেট আৰু ফুটবল দলৰ অধিনায়ক হোৱাৰ কৃতিত্ব অৰ্জন কৰা খেলুৱৈগৰাকী কোন?

৯২) সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াৰ ফুটবলত অসম বিজয়ী হৈছে নে? যদি হৈছে কেতিয়া? ফাইনেলত তেওঁলোকে কাক পৰাজিত কৰিছিল?



গজেন কুমাই

৯৩) শিৱসাগৰ জিলাৰ হাঁহচৰা মৌজাৰ চেতিয়া গাঁৱত তেওঁৰ জন্ম ১১ মাৰ্চ, ১৮৮৯ চনত। কটন কলেজৰ পৰা আই-এ পাছ কৰাৰ পিছত কলিকতাৰ স্কটিছ চাৰ্চ কলেজত নাম ভৰ্তী কৰে ১৯১২ চনত। তেতিয়া ১৯১৩-১৪ চনত তেওঁ মোহনবাগান ক্লাবৰ হৈ খেলিছিল, যিটো দলে দুৰ্ধৰ্ষ বৃটিছ সেনা দলবোৰক পৰাজিত কৰি ১৯১১ চনত প্ৰথমবাৰৰ বাবে আই-এফ-এ শ্বিল্ডত বিজয়ৰ সন্মান অৰ্জন কৰিছিল। ১৯৪০ চনত তেওঁৰ মৃত্যু হয়। বেক হিচাপে খেলা কোন আছিল সেই খেলুৱৈ?

৯৪) সৰ্বভাৰতীয় গ্ৰাম্য ফুটবলত অসমে দ্বিতীয় স্থান পাইছে নে? যদি পাইছে কেতিয়া?

৯৫) ১৯৫৫ চনত অসমৰ দল এটা গৈছিল কলিকতাৰ আই-এফ-এ শ্বিল্ড খেলিবলৈ। প্ৰথম খেলতেই তেওঁলোকে বিদেশী দল ঢাকাৰ ৱাণ্ডাৰাৰ্ছ ক্লাবক পৰাজিত কৰিছিল ২-০ গ'লত। ইষ্টবেংগলৰ বিৰুদ্ধে পৰৱৰ্তী খেলত প্ৰথমদিনা ১-১ গ'লত ড্ৰ। দ্বিতীয় দিনা হোৱা খেলত শেষ হোৱাৰ দহ মিনিট আগেয়ে হোৱা গ'লত অসমৰ দলটো ১-০ গ'লত পৰাজিত হৈছিল। প্ৰফুল্ল হাজৰিকা, শৰৎ দত্ত, পৱন গোঁহাই, বিলাস বৰুৱা, পিলিক চৌধুৰী থকা অসমৰ সেই দলটো কি আছিল?

৯৬) আগেয়ে অসমৰ একাধিক দলে দেশৰ কেইবাখনো আগশাৰীৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। ১৯৫২ চনত বোম্বাইৰ ৰ'ভাৰ্ছ কাপ, ১৯৫৩-৫৪ চনত ডি-চি-এম ট্ৰফী খেলিবলৈ যোৱা দলটো কি আছিল?

৯৭) ১৯৮২ চনত কলিকতাৰ মহমেডান স্প'ৰ্টিঙৰ হৈ অহা তিনিগৰাকী বিদেশী খেলুৱৈক বৰদলৈ ট্ৰফীত ভাগ ল'বলৈ দিয়া নহৈছিল ৰেষ্ট্ৰিকটেড এৰিয়া পাৰ্মিট নথকাৰ বাবে। তাৰ কিছু দিনৰ পিছতেই কিন্তু গুৱাহাটীত খেলি যায় ৰুছিয়াৰ কুবান দলৰ বিৰুদ্ধে প্ৰদৰ্শনী ফুটবল খেল এখনত। তেওঁলোকে কোন দলৰ হৈ খেলিছিল আৰু খেলুৱৈ কেইগৰাকী কোন কোন আছিল?

৯৮) তেওঁ খেলিছিল ফুটবল আৰু টেনিছ। পিছত হ'লগৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰেফাৰী। সন্তোষ ট্ৰফীও খেলাইছে। লণ্ডনলৈ গৈ লয় প্ৰশিক্ষকৰ ডিপ্লমা। শেষত গৈ সাংসদ আৰু কেন্দ্ৰীয় মন্ত্ৰীও হয়গৈ। তেওঁ কোন?

৯৯) গুৱাহাটী ছিনিয়ৰ ডিভিজনৰ দল ৰেষ্ট গুৱাহাটীৰ গ'লকীপাৰ আছিল তেওঁ। পিছত গুৱাহাটীৰ ক্ৰীড়া সন্থাৰ সহঃ সম্পাদক। খেলৰ অনাতাঁৰ ধাবা বিবৰণী দিয়া লোকজন পিছলৈ সাংসদ আৰু কেন্দ্ৰীয় মন্ত্ৰীও হৈছিলগৈ। তেওঁ কোন?

১০০) ১৯৪৮ চনত অসমে প্ৰথমবাৰলৈ সন্তোষ ট্ৰফী খেলে। অধিনায়ক হিচাপে যিজনক নিৰ্বাচন কৰা হয়, তেওঁৰ অসুখ হোৱাত দায়িত্ব ন্যস্ত হয় জিতেন চৌধুৰীৰ (পুতু) কান্ধত। অসুখ কাৰ হৈছিল?

১০১) ১৯৫৬ চনত সন্তোষ ট্ৰফীত তেওঁ আছিল অসমৰ অধিনায়ক। তাৰ আগেয়ে ১৯৫২ চনৰ অলিম্পিকলৈ যোৱা ভাৰতীয় দলটোত তেওঁ আছিল ষ্টেণ্ডবাই হিচাপে। ৰাইট আউট পজিশ্যনৰ এই খেলুৱৈজন মোহনবাগানৰ উপৰিও মুম্বাইৰ ইণ্ডিয়া কালছাৰেল লীগ দলতো খেলিছিল। কোন আছিল তেওঁ?

১০২) ১৯৮৬-৮৭ চনত দুবাৰ আন্তঃ জিলা মহিলা ফুটবল হোৱাৰ পিছত প্ৰতিযোগিতা স্থগিত হৈছিল। তাৰ পিছত ১৯৯৭ চনত পুনৰ আৰম্ভ হয় এই প্ৰতিযোগিতা। আগতে আয়োজক আছিল সদৌ অসম মহিলা ফুটবল সন্থা। ইতিমধ্যে সৰ্বভাৰতীয় পৰ্যায়ত মহিলা আৰু পুৰুষ ফুটবল সন্থা একত্ৰিত হয়। তাৰ পিছত অসম ফুটবল সন্থাৰ উদ্যোগত প্ৰথমখন আন্তঃ জিলা মহিলা ফুটবল প্ৰতিযোগিতা ক'ত আৰু সেইবাৰ বিজয়ী কোন আছিল?

১০৩) ১৯৮৫ চনত কাঠমাণ্ডুত হোৱা কুইনছ কাপত ভাৰতীয় মহিলা দললৈ নিৰ্বাচিত হোৱা অসমৰ ফুটবলাৰ দুগৰাকী কোন আছিল?

১৯৮০ চনত কলিকতাত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ফুটবলত বিজয়ী অসমৰ দলটোক প্ৰশিক্ষক আব্দুল লটিফ, মেনেজাৰ বাবুল বাৰ্মীজ আৰু অসম ফুটবল সন্থাৰ সম্পাদক নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ সৈতে দেখা গৈছে। দলটোৰ অধিনায়ক আছিল জিতেন গগৈ।

১০৪) সৰ্বভাৰতীয় বিদ্যুৎ ফুটবলত অসম বিদ্যুৎ পৰিষদ ১৯৮২-৮৩ চনত বিজয়ী আছিল। কোন আছিল সেই দলৰ অধিনায়ক?

১০৫) বিদেশী ফুটবলাৰ খেলোৱা অসমৰ প্ৰথমটো ক্লাব কি?

১০৬) স্বাধীনতা দিৱস কাপত ফাইনেল খেলা প্ৰথমটো বিদেশী দল কোন দেশৰ আছিল?

১০৭) ২০০০ চন পৰ্যন্ত কোনো বিদেশী দলেই স্বাধীনতা দিৱস কাপত বিজয়ী হোৱাৰ কৃতিত্ব অৰ্জন কৰিব পৰা নাই। ফাইনেল অৱশ্যে খেলিছে দুবাৰকৈ। ১৯৯২ চনত ঢাকাৰ আৱাহনী ক্ৰীড়া চক্ৰ আৰু ১৯৯৮ চনত ঢাকাৰে মুক্তিযোদ্ধা সাংসদ ক্ৰীড়া চক্ৰ। সেই দুয়োবাৰেই বিদেশী দল দুটা পৰাজিত হৈছিল একেটা দলৰ হাতত। কোন আছিল সেই দল?

১০৮) ডুগৰ শ্বিল্ড কেতিয়া আৰম্ভ হয়?

১০৯) স্বাধীনতা দিৱস কাপত যোগদান কৰা প্ৰথমটো বিদেশী দলৰ নাম কি আৰু তেওঁলোক কোন দেশৰ?

Shot on realme 3
By The Gorakha

১১০) শিলচৰৰ কেপ্টেইন এন-এম গুপ্তা ট্ৰফীৰ খেল কেতিয়াৰ পৰা আৰম্ভ হয়?

১১১) ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ফুটবলত অসমে প্ৰথম কেতিয়া ফাইনেল খেলিছিল?

১১২) ১৯৬৪, ৬৫ আৰু ১৯৬৯ চনৰ পৰা ১৯৭৩ চন পৰ্যন্ত বিভিন্ন পৰ্যায়ৰ ৰাজ্যিক দলত প্ৰতিনিধিত্ব কৰা এই গৰাকী খেলুৱৈয়ে ১৯৭১-৭২ চনত ভাৰতীয় প্ৰি-অলিম্পিক দললৈও নিৰ্বাচিত হৈছিল। প্ৰশিক্ষণৰ এন-আই-এছ ডিপ্লমাও লৈছিল। ফুটবলত ৰাষ্ট্ৰীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ যিকোনো খেলুৱৈৰ ভিতৰত তেওঁৱেই উচ্চ শিক্ষিত। কোন তেওঁ?

১১৩) প্ৰথম আন্তঃ জিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতা ক'ত হৈছিল?

১১৪). ভাৰতৰ ৰাষ্ট্ৰীয় ফুটবল দলে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ মাটিত প্ৰথমবাৰলৈ কেতিয়া, ক'ত 'ফিফা' স্বীকৃত আন্তৰ্জাতিক ফুটবল খেলত ভাগ লৈছিল? তেওঁলোকৰ প্ৰতিপক্ষত কোন আছিল আৰু খেলখনৰ ফলাফল কি আছিল?

বিদ্যুৎ পৰিষদৰ দৰে সৰ্বভাৰতীয় ক'ল ফিল্ড ফুটবলতো জয়ী হৈছে অসমৰ দল। ১৯৮২-৮৩ চনত ক'ল ফিল্ড ফুটবলত জয়ী মাৰ্ঘেৰিটাস্থ দলটো।

❖❖❖

ফুটবল ঃ উত্তৰ

১) শিলচৰৰ ইণ্ডিয়া ক্লাব। ক্লাবটো গঠন হৈছিল ১৯০০ চনত।

২) কেপ্টেইন এন এম গুপ্ত (নলিনী মোহন গুপ্তা) সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা।

গিলবাৰ্ট চাংমা

৩) গিলবাৰ্টছন চাংমা।

৪) টচেন বড়া।

৫) জুৱেল বে'।

৬) দেৱাশিষ ৰয়।

৭) জুৱেল বে'।

৮) বাবুল ফুকন।

৯) দেৱাশিষ ৰয়।

১০) অসম পুলিচৰ ষ্টপাৰ মিণ্টু বসুমতাৰী।

১১) নৰজ্যোতি বসুমতাৰী। গোৱালিয়ৰত শাৰীৰিক শিক্ষাৰ পাঠ্যক্ৰমত থাকোতে তেওঁ মধ্য প্ৰদেশৰ হৈ খেলাৰ সুবিধা পাইছিল।

১২) ১৯৫৯ চনৰ পৰা। প্ৰথমবাৰৰ ফাইনেলত ডিফু ঠিকাদাৰ একাদশে ৰংখাং উন্নয়ন খণ্ডক পৰাজিত কৰে।

১৩) শৰৎ দাস।

১৪) সেয়া ১৯৫৩ চনৰ কথা। বৰদলৈ ট্ৰফীৰ দ্বিতীয়টো বছৰ। ফাইনেলত তেওঁলোকে ৫-১ গ'লত পৰাজিত কৰিছিল শ্বিলং গেৰিছনক।

১৫) নিপ বৰুৱা। পিছলৈ বোলছবি পৰিচালক হৈছিল।

১৬) ডাঃ টালিমেৰণ আও। ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত তেওঁ আছিল ভাৰতৰ ফুটবল দলটোৰ অধিনায়ক।

Shot on realme 3
By The Gorakha

১৭) ১৯৫২ চনৰ পৰা জজ ফিল্ডত। প্ৰথম আয়োজক আছিল গুৱাহাটী টাউন ক্লাব। ১৯৫৮ চনৰ পৰা গুৱাহাটী ক্ৰীড়া সন্থাই বৰদলৈ ট্ৰফী চলাই আহিছে।

১৮) পাণ্ডুৰ ৰেলৱে স্প'ৰ্টছ ক্লাব। ফাইনেলত তেওঁলোকে নগাঁৱৰ ইউনিয়ন স্প'ৰ্টছ ক্লাবক পৰাজিত কৰিছিল।

১৯) ১৯৬২ চনত ফাইনেলত জলন্ধৰ লিডাৰ্ছে পৰাজিত কৰিছিল হাওৰা ইউনিয়নক।

২০) ১৯৮৯ চনত সেইবাৰৰ ফাইনেলত ইৰাণৰ ইষ্টেঘলাল ক্লাবে পৰাজিত কৰিছিল ঢাকাৰ মহমেডান স্প'ৰ্টিঙক।

২১) ঢাকা একাদশ। ১৯৭২ চনৰ সেই ফাইনেলত তেওঁলোক ইষ্টবেংগলৰ হাতত পৰাভূত হৈছিল।

২২) দলটো হ'ল কলিকতাৰ মোহনবাগান। তেওঁলোক জয়ী আছিল ১৯৭৪ চনৰ পৰা ১৯৭৭ চনলৈ।

২৩) হেমন্ত গুহই।

২৪) ১৯৬২ চনৰ পৰা। নেহৰু ষ্টেডিয়ামত হোৱা প্ৰথমবাৰৰ প্ৰতিযোগিতাৰ ফাইনেলত জলন্ধৰ লিডাৰ্ছে হাওৰা ইউনিয়নক পৰাজিত কৰে।

২৫) ১৬ টা।

২৬) কোচবিহাৰৰ আনন'ন ক্লাব, ১৯৫৬ চনত।

২৭) জলপাইগুৰি টাউন ক্লাব, ১৯৫৭ চনত।

২৮) আছাম টি প্লেণ্টাৰ্ছ এছ'ছিয়েছন।

২৯) ১৯৫৫ চনৰ ১১ নৱেম্বৰৰ পৰা যোৰহাটত।

৩০) নেশ্বনেল স্প'ৰ্টছ ক্লাব অব আছাম। ১৯৬৮ চনৰ পৰা যোৰহাট জিলা ক্ৰীড়া সন্থাই এই প্ৰতিযোগিতা চলাই আহিছে।

৩১) শ্বিলঙস্থ অসম ৰাজ্যিক পৰিবহন নিগম। ফাইনেলত তেওঁলোকে জৰ্জ টেলিগ্ৰাফক ৪-০ গ'লত পৰাজিত কৰিছিল। দল আছিল নটা।

৩২) নৃপেন্দ্ৰ নাৰায়ণ সিংহই। সহযোগত আছিল হৰেন বৰুৱা, অৰূপ বৰুৱা আৰু কৰুণ চন্দ্ৰ বৰুৱা।

৩৩) আৰ কে শৰ্মা।

৩৪) তোযেশ্বৰ দত্ত। ১৯৫৪ আৰু ১৯৫৫ চনত; প্ৰথমবাৰ তেওঁ গুৱাহাটী টাউন ক্লাব আৰু দ্বিতীয়বাৰ ৰাজ্যিক পৰিবহন নিগমৰ হৈ। সেই দুয়োবাৰেই তেওঁলোকৰ দল বিজয়ী হৈছিল।

৩৫) ১৯৪৯ চনৰ পৰা।

৩৬) যোৰহাটত। সেইবাৰৰ ফাইনেলত যোৰহাটৰ খৃষ্টান স্কুলে নগাঁও চৰকাৰী স্কুলক ৪-১ গ'লত পৰাজিত কৰিছিল। প্ৰথম দুদিন খেলৰ সামৰণি পৰিছিল গ'লশূন্যভাৱে।

৩৭) পৰশুৰাম দত্তই; তেওঁৰ অকালতে পানীত পৰি মৃত্যু হোৱা পুত্ৰ দেউকণৰ সোঁৱৰণত।

৩৮) অসম পুলিচ। ১৯৬৮, ৬৯, ৭০ আৰু ৭১ চনত। তদুপৰি পূৰ্বৰ দেৰগাঁও পুলিচ নামেৰে তেওঁলোক জয়ী হৈছিল ১৯৫৯, ৬০ আৰু ৬১ চনত।

৩৯) আছাম ৰেল'ৱে স্প'ৰ্টছ ক্লাব, পাণ্ডু আৰু গোলাঘাটৰ ধনশিৰি ক্লাবৰ মাজত।

৪০) ড° ভুবনেশ্বৰ বৰুৱা। আৰম্ভণীৰ বিজয়ী ট্ৰফীটো তেখেতেই দান দিছিল।

৪১) নৃপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য।

৪২) ১৯৫৯ চনত। এই ট্ৰফী আগবঢ়ায় সেই সময়ৰ ৰাজ্যপাল ফজল আলিয়ে।

৪৩) ১৯৭৯, ৮০ আৰু ৮১ চনত। সেই কেইবাৰ খেল হৈছিল ক্ৰমে গুৱাহাটী, কলিকতা আৰু মাদ্ৰাজত। অধিনায়ক আছিল ক্ৰমে

Shot on realme 3
By The Gorakha

লোহিত গগৈ, জিতেন গগৈ আৰু মহঃ উবেদ উল্লা। তৃতীয়বাৰ অবশ্যে কেৰালাৰ সৈতে যৌথ বিজয়ী হৈছিল।

৪৪) ১৯৯৮ চনৰ। দক্ষিণ কোৰিয়াৰ ছেজুত হোৱা সেইবাৰৰ এছিয়ান প্ৰতিযোগিতাত খেলিছিল দুলেশ্বৰ ৰাভা, ৰাজু বসুমতাৰী, ত্ৰিদিব খাউণ্ড, লক্ষেশ্বৰ কাকতি, যোচেফ লালমুনজিৰা, সিং ৰাহাং আৰু পদুম ৰাভাই।



টি. আওৰ পিছত ভাৰতীয় যিকোনো পৰ্যায়ৰ ফুটবল দলৰ অধিনায়ক হোৱা তৃতীয়গৰাকী খেলুৱৈ আছিল সুশান্ত মুছাহাৰী। ১৯৮২-৮৩ চনত সুশান্তৰ নেতৃত্বতে ভাৰতীয় যুৱ দল গৈছিল কাঠমাণ্ডুলৈ।

৪৫) নুৰুল আমিন।

৪৬) ১৯৬০-৬১ চনত। অধিনায়ক আছিল গ'লকীপাৰ প্ৰফুল্ল হাজৰিকা। তৃতীয় স্থান পোৱা দলক সেই সময়ত চাম্পাংগী কাপ দিয়া হৈছিল। ছেমি ফাইনেলত পৰাজিত হোৱা দুই দল অসম আৰু কেৰালাৰ মাজৰ খেল ১-১ গ'লত ড্ৰ হৈছিল আৰু তেতিয়া দুয়োটা দলকে যুগ্মভাৱে তৃতীয় বুলি ঘোষণা কৰা হৈছিল।

৪৭) ১৯৫৫-৫৬ চনত; এৰ্ণাকুলামত। অধিনায়ক আছিল শৰৎ দত্ত।

৪৮) ডিফেণ্ডাৰ জিতেন গগৈ।

৪৯) জুৱেল ৰে'।

৫০) ১৯৮৩ চনত ছিউলত হোৱা এছিয়ান স্কুল ফুটবল প্ৰতিযোগিতা। সেইবাৰ ভাৰতীয় দলৰ হৈ খেলিছিল কুমুদ বৰ্মন, সুশান্ত মুছাহাৰী, হেৰল্ড চাংমা, সুব্ৰত সিংহ আৰু ৰমীন চাংমাই।

৫১) শিউ মেৱালাল।

৫২) মহাৰাণা এ-চি। ১৯৩৭ চনত এতিয়াৰ বাংলাদেশৰ দিনাজপুৰত তেওঁলোকে বিজয়ী হৈছিল নৱনাৰায়ণ শিল্ডত। শৰৎ দাসে

পাইছিল শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান।

৫৩) ১৯৬৯ চনত, পুনেত।

৫৪) ১৯৬৪ চনত। আজমীৰত হোৱা সেইবাৰৰ প্ৰতিযোগিতাত অসম ঘৰুৱা ৰাজস্থানৰ হাতত ১-৩ গ'লত পৰাজিত হৈছিল।

৫৫) ১১৯৫৯-৬০ চনত নগাঁৱত।

৫৬) বাবুল বাৰ্মীজ, কেদাৰনাথ মৌৰ, নিৰ্মল চেতিয়া আৰু মৃণালকান্তি ৰয়।

৫৭) নৃপেন্দ্ৰ নাৰায়ণ সিংহ, বাবুল বাৰ্মীজ আৰু কেদাৰনাথ মৌৰ।

৫৮) জিতেন (কুনকুন) চৌধুৰী আৰু নলিনী (পিলিক) চৌধুৰী।

৫৯) পিলিক চৌধুৰী।

৬০) নুৰুল আমিন।

৬১) চাবুৱাৰ ওচৰৰ কপহুৱা গাঁৱৰ অনিল গগৈ। তেওঁ আছিল চি-আৰ-পি-এফৰ খেলুৱৈ, যিটো দলৰ মূল শিবিৰ আছিল মধ্যপ্ৰদেশৰ নিমাছত। আশীৰ দশকত সেই দলটোৱে বৰদলৈ ট্ৰফীতো ভাগ লৈছিল। তেতিয়া তাত অনিল গগৈৰ উপৰিও আছিল অসম পুলিচৰ প্ৰাক্তন খেলুৱৈ বনবীৰ দাসো।

৬২) প্ৰদীপ ব্ৰহ্ম।

৬৩) বীৰেন বড়ো।

৬৪) কোকৰাঝাৰৰ চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়, ১৯৮৬ চনত।

৬৫) স্বাধীন ডেকাৰজা।

৬৬) ফ্ৰান্সিছ বৰুৱা। ১৯৮৫ চনত ১৫ বছৰৰ তলৰ ৰাষ্ট্ৰীয় দলৰ হৈ বেংককত এছীয় ফুটবল খেলাৰ পিছতহে তেওঁ খেলিছিল অসম ছাব জুনিয়ৰ দলত।

৬৭) ১৯৮৫ চনৰ জুলাই মাহত গুৱাহাটীত হৈছিল। ফাইনেলত মৰাণে চাবুৱাৰ খ দলক ৩-২ গ'লত পৰাজিত কৰিছিল।

Shot on realme 3
By The Gorakha

৬৮) মৰাণৰ বীণা বাউৰী। মীৰ্জাৰ বিৰুদ্ধে হেট্ৰিকসহ অকলেই তেওঁ ছটা গ'ল দিছিল (৭-০)। প্ৰতিযোগিতাত তেওঁৰ মুঠ গ'ল আছিল সাতটা।

৬৯) চাৰি ফুট। ডাঃ ভুবনেশ্বৰ বৰুৱাই ট্ৰফীৰ বাবে ৩৭৫ টকা দিছিল। কলিকতাৰ কলেজ ষ্ট্ৰীটত থকা চৌধুৰী এণ্ড চৌধুৰী কোম্পানী সেই ট্ৰফীৰ নিৰ্মাতা আছিল।

৭০) ১৯৭৮ চনত। তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাই পুণ্য প্ৰভা দাস স্মৃতি ট্ৰফী প্ৰতিযোগিতা পাতিছিল।

৭১) ১৯৪৫ চনত।

৭২) ১৯৫৮ চনৰ পৰা।

৭৩) গুৱাহাটী টাউন ক্লাব। পৰৱৰ্তী কালত নাট্যকাৰ হিচাপে জনাজাত হোৱা প্ৰবীণ ফুকন দলৰ অধিনায়ক আছিল।

৭৪) ১৯৫৬ চনত।

৭৫) গুৱাহাটী টাউন ক্লাব আৰু ৰাজ্যিক পৰিবহন নিগম, শ্বিলং সেইবাৰৰ যৌথ বিজয়ী আছিল।

৭৬) ইন্দু হাজৰিকা।

৭৭) ১৯৮৭ চনৰ ৪-৯ অক্টোবৰত, যোৰহাটত।

৭৮) ডিব্ৰুগড়। ফাইনেলত তেওঁলোকে কোকৰাঝাৰক ৩-১ গ'লত পৰাজিত কৰিছিল।

৭৯) ১৯৪৯ চনত, নগাঁৱৰ স্বাধীনতা দিৱস কাপ।

৮০) নগাঁও ক্ৰীড়া সন্থা। ১৯৬৭ চনৰ পৰা তেওঁলোকে এই প্ৰতিযোগিতা চলাই আহিছে।

৮১) জুবিলী খেলপথাৰ। নগাঁও ফুটবল সন্থাক কাপটো দিছিল হয়বৰগাঁৱৰ মাৰোৱাৰী যুবক সংঘই।

৮২) নগাঁও বাছ ছিণ্ডিকেটে ফাইনেলত নগাঁও কলেজক হৰুৱাইছিল।

৮৩) নুৰুল আমিন।

৮৪) নুৰুল আমিন।

৮৫) বাবুল বাৰ্মীজ, ১৯৭৩ চনত।

৮৬) নৃপেন্দ্ৰ নাৰায়ণ সিংহ। ১৯৫৯ চনত নগাঁৱত।

৮৭) বাবুল বাৰ্মীজ।

৮৮) আম্বালা হিৰ'জ। ফাইনেলত তেওঁলোকে নগাঁও স্প'ৰ্টছ ক্লাবক পৰাজিত কৰিছিল।

৮৯) ১৯৫২ চনৰ কথা। কটকত হোৱা সেইবাৰৰ প্ৰতিযোগিতাৰ ফাইনেলত গুৱাহাটী নাগপুৰৰ হাতত পৰাজিত হৈছিল।

৯০) ৰত্নহাস গোস্বামী। সেই দলৰ কেইগৰাকীমান খেলুৱৈ আছিল সুধেন্দু দাসগুপ্ত, বিনোদ গগৈ, তোষেশ্বৰ দত্ত, মহম্মদ চৰিফ, পৱন বুঢ়াগোঁহাই, ফনী ডেকা, প্ৰফুল্ল মেছ, জেদ ৰোমিঅ', গিৰীণ বৰুৱা, শৰৎ দত্ত, সুশান্ত দত্ত আৰু অনিল দাস।

৯১) ৰত্নহাস গোস্বামী।

৯২) হৈছে, ১৯৭৬-৭৭ চনত। ফাইনেলত অসমে পঞ্জাবক পৰাজিত কৰিছিল। খেল হৈছিল মহাৰাষ্ট্ৰৰ কোলহাপুৰত।

৯৩) ভুবন গগৈ।

৯৪) ১৯৭৮-৭৯ আৰু ১৯৮৫ চনত। দুয়োবাৰেই ফাইনেলত তেওঁলোক অন্ধ্ৰপ্ৰদেশৰ হাতত পৰাজিত হৈছিল।

৯৫) শিৱসাগৰ এমেছাৰ ক্লাব।

৯৬) গুৱাহাটী টাউন ক্লাব।

৯৭) খেলুৱৈ কেইগৰাকী আছিল ইৰাণৰ মজিদ. বাছকৰ, জামছেদ নাছিৰি আৰু খাবাজী। খেলিছিল সৰ্বভাৰতীয় ফুটবল একাদশৰ হৈ। তেওঁলোক ৯-০ গ'লত পৰাজিত হৈছিল।

৯৮) সন্তোষ মোহন দেৱ।

৯৯) দীনেশ চন্দ্ৰ গোস্বামী।

১০০) নুৰুল আমিনৰ।

সুব্রত সিংহ

১০১) কনক বৰদলৈ।

১০২) সোণাৰীত। বিজয়ী হৈছিল শদিয়া।

১০৩) মৰাণৰ বীণা বাউৰী আৰু নাহৰকটী

বন্তি গগৈ (গ'লকীপাৰ)।

১০৪) অনিল বৰুৱা।

১০৫) ডাইনামো ক্লাব। ১৯৯৮ চ

তেওঁলোকে ইৰাণীয়ান খেলুৱৈ জামছেদ নাছি

খেলোৱাই অসমৰ ক্ৰীড়া জগতত অভিলেখ গ

১০৬) বাংলাদেশৰ। ১৯৯২ চনত সেই দেশৰ আৱাহনী ক্ৰীড়া চ

ফাইনেল খেলিছিল।

ইন্দ্ৰজিৎ নামচুম

১০৭) জলন্ধৰৰ বি-এচ-এফ।

১০৮) ১৯৬২ চনত।

১০৯) চট্টগ্ৰাম একাদশ, বাংলাদেশৰ।

১১০) ১৯৬২ চনৰ পৰা।

১১১) ১৯৯৯ চনত ইম্ফলত হোৱা খেলত।

ফাইনেলত তেওঁলোক মহাৰাষ্ট্ৰৰ হাতত

পৰাজিত হৈছিল।

১১২) টচেন বড়া। ১৯৭৩ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ

ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লয়।

১১৩) নগাঁৱত। ১৯৪৯ চনত।

১১৪) ২০১১ চনৰ ১৩ নৱেম্বৰত গুৱাহাটীস্থ সৰুসজাইৰ ইন্দিৰা গা

এথলেটিকছ ষ্টেডিয়ামত হৈছিল। ভাৰত আৰু মালয়েছি

মাজৰ খেলখন ১-১ গ'লত ড্ৰ হৈছিল, য'ত শেষ হ'বলৈ

মিনিট থাকোতে ভাৰতৰ ছৈয়দ ৰহিম নবীয়ে সমতাসূচক গল

দিছিল।

❖❖❖

টেবুল টেনিছ ঃ প্ৰশ্ন

১৯৭৬ চনত প্ৰথমবাৰলৈ ৰাষ্ট্ৰীয় স্তৰত ছাব জুনিয়ৰ পৰ্যায়ৰ প্ৰতিযোগিতা হৈছিল এলাহাবাদত। তাতেই অসমৰ এগৰাকী ছোৱালী খেলুৱৈয়ে প্ৰথমবাৰৰ খিতাপ অৰ্জন কৰিছিল। কিন্তু ল'ৰা খেলুৱৈগৰাকী ফাইনেল পৰ্যন্ত আগবাঢ়ি পৰাজিত হৈছিল। কোন আছিল খেলুৱৈকেইগৰাকী?

ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰৰ ৰাষ্ট্ৰীয় ছিনিয়ৰ ছিংগলছত বিজয়ী হৈ খ্যাতি লাভ কৰা অসমৰ ছোৱালী খেলুৱৈগৰাকী কোন আছিল?

মনালিছা বৰুৱা

ৰামানুজন ট্ৰফী কাক দিয়া হয়? অসমে প্ৰথম কেতিয়া এই ট্ৰফী লাভ কৰে?

ৰামানুজন ট্ৰফী বিজয়ী অসমৰ প্ৰথমটো দলত কোন কোন আছিল?

অৰ্জুন বঁটা বিজয়ী অসমৰ দ্বিতীয়গৰাকী খেলুৱৈ কোন?

ৰাষ্ট্ৰীয় মহিলাৰ ছিংগলছ বিজয়ী অসমৰ প্ৰথম খেলুৱৈ কোন? কেতিয়া ক'ত কাক পৰাজিত কৰি তেওঁ সেই সন্মান পাইছিল?

ভাৰতীয় টেবুল টেনিছ দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

৮) বিশ্ব জুনিয়ৰত ৰূপ আৰু এছিয়ান জুনিয়ৰত ব্ৰঞ্জৰ পদক ...
অসমৰ ল'ৰা খেলুৱৈগৰাকী কোন?

৯) কমনৱেলথ টেবুল টেনিছত অসমৰ কোনো খেলুৱৈয়ে পদক ...
কৰিছেনে? যদি কৰিছে, কোন সেই খেলুৱৈ?

১০) অসম টেবুল টেনিছ সন্থা কেতিয়া গঠন হয়?

১১) ৰাষ্ট্ৰীয় পৰ্যায়ত অসমে কেতিয়া ক'ত প্ৰথম সোণৰ পদক পাইছিল?


অৰুণজ্যোতি বৰুৱা

১২) ১৯৯২ চনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মিক্সড ডাবলছত বিজয়ী কোন আছিল?

১৩) পদ্মাৱতী ট্ৰফীত অসম কেতিয়া প্ৰথম বিজয়ী আছিল?

১৪) ১৯৭৭ চনত অমৃতসৰত হোৱা ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ টেবুল টেনিছত ল'ৰা-ছোৱালী উভয় শাখাতে দলীয় চেম্পিয়ন হৈছিল অসম। সেই দুটা দলত কোন কোন আছিল?

১৫) জন্ম তেওঁৰ গুৱাহাটীত। ইনড'ৰ গেমছ খেলে ভ্ৰাতৃৰ দ... ৰাজ্যিক দলত খেলিছে ভ্ৰাতৃয়েও। তেওঁক চেৰাই ভগ্নী নিৰ্ব... হৈছিল ৰাষ্ট্ৰীয় দললৈ। চুইজাৰলেণ্ডত হোৱা বিশ্ব ৰেলৱে ... ডাবলছত ব্ৰঞ্জৰ পদক লাভ কৰিছে। কোন সেই খেলুৱৈ?

১৬) ১৯৮৮ চনত তেওঁ ৰাষ্ট্ৰীয় ছাব জুনিয়ৰৰ চেম্পিয়ন আ... জুনিয়ৰত তেওঁ দুই-নম্বৰ খেলুৱৈৰ সন্মান পাইছিল। ১৯৯২ ... তেওঁ টেহৰাণত হোৱা এক আন্তৰ্জাতিক যুৱ প্ৰতিযোগিতাত ...

লৈ দুটা সোণ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল। খেলুৱৈজন কোন?

ত্ৰিদিব দুৱৰা

১৭) ১৯৮৭ চনত হোৱা দক্ষিণ পূব এছিয়া প্ৰতিযোগিতাত ভাৰতীয় দলত চাৰিগৰাকী অসমৰ খেলুৱৈ আছিল। তেওঁলোক কোন?

১৮) প্ৰথম আন্তঃ জিলা প্ৰতিযোগিতা কেতিয়া ক'ত হৈছিল?

১৯) প্ৰথম আন্তঃ কলেজ টেবুল টেনিছ ক'ত হৈছিল? সেইবাৰৰ বিজয়ী কোন আছিল?

২০) ৰাষ্ট্ৰীয় পৰ্যায়ৰ কোনটো ট্ৰফীত অসম ১৯৭৬ চনৰ পৰা ১৯৮১ চনলৈ লেঠাৰিকৈ বিজয়ী আছিল?

২১) ১৯৮১ ৰ পৰা ১৯৮৩ লৈ লেঠাৰীকৈ তিনিবাৰ ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ছোৱালী চেম্পিয়ন কোন আছিল?

২২) ভাৰতীয় টেবুল টেনিছ দলৰ প্ৰাক্তন এইগৰাকী খেলুৱৈয়ে পৰৱৰ্তী পৰ্যায়ত ক্ৰমাগত চাৰিখনকৈ বিশ্ব টেবুল টেনিছ চেম্পিয়নশ্বিপত ৰাষ্ট্ৰীয় দলৰ মেনেজাৰ নিযুক্ত হৈ একপ্ৰকাৰ অভিলেখেই গঢ়ে। তেওঁ তদুপৰি অসম টেবুল টেনিছ সন্থাৰ সম্পাদক তথা সৰ্বভাৰতীয় টেবুল টেনিছ সন্থাৰ যুটীয়া সম্পাদকো হয়গৈ। কাৰ কথা কৈছো বাৰু?

❖❖❖

টেবুল টেনিছ ঃ উত্তৰ

১) মনালিছা বৰুৱা আৰু কাৰ্ফিউ ৰয়।

২) মনালিছা বৰুৱা।

৩) ৰাষ্ট্ৰীয় জুনিয়ৰ ল'ৰাৰ বিজয়ী টেবুল টেনিছ দলক দিয়া হয়। অসমে প্ৰথম এই ট্ৰফী ১৯৮২-৮৩ চনত পায়।

৪) ইন্দোৰত হোৱা সেইবাৰৰ বিজয়ী অসমৰ দলটোত আছিল অৰুণজ্যোতি বৰুৱা, ৰাহুল দত্ত, ত্ৰিদিব দুৱৰা আৰু সোণেশ্বৰ ডেকা।

৫) মনালিছা বৰুৱা।

৬) মনালিছা বৰুৱা। ১৯৮৩ চনত ভূপালত হোৱা প্ৰতিযোগিতাত ভোমা শ্বাহক পৰাজিত কৰি তেওঁ ৰাষ্ট্ৰীয় চেম্পিয়নৰ কৃতিত্ব অৰ্জন কৰিছিল।

৭) নন্দিনী বৰুৱা। ১৯৭৪ চনত জাপানত হোৱা দ্বিতীয় এছিয়ান চেম্পিয়নশ্বিপত তেওঁ খেলিছিল ভাৰতীয় দলত।

৮) অৰুণজ্যোতি বৰুৱা।

৯) কৰিছে। তেওঁ হ'ল অৰুণজ্যোতি বৰুৱা।

১০) ১৯৫০ চনত।

১১) ১৯৭২ চনত; গান্ধীনগৰত হোৱা ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ ল'ৰাৰ দলীয় শাখাত। সেই দলত আছিল ঋত্বিক শইকীয়া, ৰেৱান নেৱাজ আৰু সঞ্জীৱ শইকীয়া।

১২) মুকুল বড়ো আৰু জুপি বৰঠাকুৰ।

১৩) ১৯৭৩-৭৪ চনত। খেল হৈছিল তেতিয়াৰ মাদ্ৰাজত (চেন্নাই)।

892651A-DLN-DLS/2012

সেইটো দলত আছিল নন্দিনী বৰুৱা, মীনা বৰা, গীতি বেজবৰুৱা আৰু শ্ৰাৱণী মহন্ত।

১৪) ল'ৰাৰ দলত আছিল কাৰ্ফিউ ৰয়, পলাশ গগৈ, নেকিবুদ্দিন আহমেদ . আৰু সুব্ৰত বৰুৱা। আনহাতে মনালিছা বৰুৱা, মদালসা হাজৰিকা, আৰতি দেৱী আৰু বন্দনা বৰাক লৈ ছোৱালীৰ দলটো গঠিত হৈছিল।

১৫) মদালসা হাজৰিকা। নাম গৌতম হাজৰিকা।

১৬) অনুপম কোঁৱৰ।

১৭) মনালিছা বৰুৱা, মদালসা হাজৰিকা, অৰুণজ্যোতি বৰুৱা আৰু ৰাহুল দত্ত।

১৮) ১৯৫২ চনত, গুৱাহাটীত। দলীয় শাখাত গুৱাহাটীক ৫-৪ ব্যৱধানত হৰুৱাই শিৱসাগৰ আৰু যোৰহাটৰ বীৰেন শইকীয়া মুকলি শাখাৰ বিজয়ী আছিল।

১৯) ১৯৫১-৫২ চনত গুৱাহাটীত। পি জি ক্লাছেছ জয়ী হৈছিল।

২০) পদ্মাৱতী ট্ৰফীত।

২১) মিতা সিনহা ৰয়।

২২) ত্ৰিদিব দুৱৰা।

❖❖❖

Shot on realme 3
By The Gorakha

বেডমিণ্টন ঃ প্ৰশ্ন

সুশান্ত বৰা

১) ১৯৮৩ চনত কলকাতাত হোৱা এছীয় বেডমিণ্টন চেম্পিয়নশ্বীপত ভাৰতীয় দলক প্ৰথম প্ৰতিনিধিত্ব কৰা খেলুৱৈগৰাকীয়ে পৰৱৰ্তী পৰ্যায়ত ১৯৮৬ আৰু ৮৮ চনত উবেৰ কাপ, ১৯৮৮ চনত হাইদৰাবাদত ছাৰ্ক বেডমিণ্টন চেম্পিয়নশ্বীপৰ লগতে ১৯৮৬ চনৰ ছিউল এছিয়ান গেমছতো খেলিছিল। যি নহওক, ভাৰতীয় বেডমিণ্টন দলত খেলা অসমৰ প্ৰথম মহিলা খেলুৱৈগৰাকী কোন বাৰু?

২) ১৯৮৯ চনৰ পৰা ১৯৯৬-৯৭ চনলৈ তেওঁ আছিল বেডমিণ্টনত ৰাজ্যিক পুৰুষৰ ছিংগলছৰ চেম্পিয়ন। ৰাষ্ট্ৰীয় চেম্পিয়ন নহ'লেও ভাৰতীয় দলৰ হৈ ১৯৯৩ চনৰ পৰা ১৯৯৯ চন পৰ্যন্ত তেওঁ মালয়েছিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া, ফ্ৰান্স, হংকং, থাইলেণ্ড আৰু অষ্ট্ৰেলিয়াত হোৱা বিভিন্ন অপেন, চাৰ্কিট তথা আন্তৰ্জাতিক পৰ্যায়ত অংশ গ্ৰহণ কৰিছে। আন এটা ক্লু, ১৯৭৪ চনত খেলুৱৈগৰাকীৰ জন্ম হৈছিল নগাওঁ জিলাৰ চাপৰমুখত। খেলুৱৈগৰাকীৰ নাম কি?

৩) গুৱাহাটীৰ পাণবজাৰ অঞ্চলত তেতিয়াৰ পি এণ্ড টি ক্লাব (পোষ্ট এণ্ড টেলিগ্ৰাফ, এতিয়াৰ পানী টেংকী থকা অঞ্চলত) প্ৰাংগণতে অসমত প্ৰথমবাৰলৈ সংগঠিত পৰ্যায়ত বেডমিণ্টন প্ৰতিযোগিতা হৈছিল। কি আছিল সেই প্ৰতিযোগিতাৰ নাম?

৪) অসম বেডমিণ্টন সন্থা কেতিয়া গঠন হৈছিল? তাৰ প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?



এক আলেয়া

৫) বেডমিণ্টনত প্ৰথমগৰাকী মহিলা ৰাজ্যিক খেলুৱৈ কোন আছিল?

৬) ৬০ৰ দশকৰ শেষৰফালৰ কথা। গুৱাহাটীত হৈছিল সৰ্বভাৰতীয় বেডমিণ্টন চেম্পিয়নশ্বিপ। ঘটনাক্ৰমে অসমত সেয়াই আছিল যিকোনো খেলৰ প্ৰথমখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতা। কিমান চনত হৈছিল সেই প্ৰতিযোগিতা?

৭) ১৯৫৮ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ দলটোৰ যিগৰাকী অধিনায়িকা আছিল, পৰৱৰ্তী সময়ত তেওঁ হৈছিলগৈ ভাৰতৰ এগৰাকী ৰাষ্ট্ৰপতিৰ পত্নী। কোন আছিল সেইগৰাকী খেলুৱৈ?

৮) ১৯৮২ চনত ল'ৰাৰ শাখাত তেওঁ আছিল ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ চেম্পিয়ন, ১৯৮৫ চনত ৰাষ্ট্ৰীয় জুনিয়ৰ চেম্পিয়ন আৰু ১৯৮৭ চনত ৰাষ্ট্ৰীয় ছিনিয়ৰৰ ৰানাৰচ্-আপ। পৰৱৰ্তী পৰ্যায়ত ভাৰতীয় দলত একাধিকবাৰ খেলা সেই খেলুৱৈজন কোন আছিল?

৯) ১৯৮৭ চনত ৰাষ্ট্ৰীয় জুনিয়ৰ চেম্পিয়ন, ১৯৯৪, ৯৫ আৰু ৯৬ চনত ৰাষ্ট্ৰীয় ছিনিয়ৰ চেম্পিয়ন হৈ হেট্ৰিক অৰ্জন কৰা খেলুৱৈগৰাকীয়ে ১৯৯২ আৰু ১৯৯৬ চনত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অলিম্পিকত অংশ গ্ৰহণ কৰে। কাৰ কথা কৈছো বাৰু?

১০) ১৯৮৬ আৰু ১১৯৯০ চনৰ এছিয়ান গেমছ খেলা অসমৰ একমাত্ৰ মহিলা বেডমিণ্টন খেলুৱৈগৰাকী কোন?

Shot on realme 3
By The Gorakha

মল্লিকা বৰুৱা

১১) উদয় পাৰাৱৰ লগ লাগি অসমীয়া এগৰাকী খেলুৱৈয়ে ১৯৭৪ আৰু ১৯৭৫ চনত ৰাষ্ট্ৰীয় জুনিয়ৰ ডাবলছত বিজয়ী হৈছিল। প্ৰবাসী খেলুৱৈগৰাকীয়ে অৱশ্যে তেতিয়া মহাৰাষ্ট্ৰকহে প্ৰতিনিধিত্ব কৰিছিল, যিয়ে ১৯৭৬ চনৰ ৰাষ্ট্ৰীয় জুনিয়ৰ ছিংগলছ খিতাপো অৰ্জন কৰিছিল?

১২) ২০০০ চনত জ্বালা গুট্টা আৰু ২০০৪ চনত ছাইনা নেহৱাল। তাৰ মাজত অসমৰ এগৰাকী খেলুৱৈয়ে ক্ৰমে ২০০১, ২০০২ আৰু ২০০৩ চনত ৰাষ্ট্ৰীয় জুনিয়ৰ ছোৱালীৰ ছিংগলছ খিতাপ অৰ্জন কৰিছিল। কৃতী খেলুৱৈ গৰাকী কোন্ আছিল?

১৩) ৰাষ্ট্ৰীয় ছোৱালী বেডমিন্টনত অভিলেখ সৃষ্টিকাৰী অসমৰ খেলুৱৈগৰাকীয়ে ১৯৯৮ আৰু ১৯৯৯ চনত মিনি, ১৯৯৯ আৰু ২০০০ চনত ছাব জুনিয়ৰ আৰু ২০০১, ২০০২ আৰু ২০০৩ চনত জুনিয়ৰ ৰাষ্ট্ৰীয় ছিংগলছত বিজয়ীৰ সন্মান অৰ্জন কৰিছিল। সেইগৰাকী খেলুৱৈৰ পিতৃ আছিল ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন ডিফেণ্ডাৰ। কোন সেই ফুটবলাৰ পিতৃ আৰু কন্যা?

১৪) ৰাষ্ট্ৰীয় বেডমিন্টনত চেম্পিয়ন হোৱা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

১৫) ১৯৭১ চনৰ পৰা ১৯৭৭ চনলৈ ৰাজ্যিক চেম্পিয়ন হোৱা বিপুল শৰ্মাই ১৯৭৭ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ বেডমিন্টনৰ ফাইনেলত এগৰাকী অসমীয়া খেলুৱৈৰ হাতত পৰাজিত হৈছিল। আন ৰাজ্যৰ হৈ খেলা সেই খেলুৱৈগৰাকী কোন আছিল?

১৬) অসমৰ দ্বিতীয় গৰাকী অলিম্পিয়ান কোন?

১৭) বাৰ্চিলোনা অলিম্পিকত দীপাংকৰ ভট্টাচাৰ্য কোন ৰাউণ্ডত আৰু কাৰ হাতত পৰাজিত হৈছিল?

১৮) ১৯৮৯ চনত জলন্ধৰত হোৱা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ কোনগৰাকী খেলুৱৈৰ হাতত পৰাজিত হোৱাৰ পিছতেই ভাৰতীয় বেডমিন্টন নক্ষত্ৰ প্ৰকাশ পাডুকনে অৱসৰৰ কথা ঘোষণা কৰিছিল?

১৯) ১৯৯০ চনত অকলেণ্ডত হোৱা কমনৱেলথ ক্ৰীড়াত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ খেলুৱৈ গৰাকী কোন আছিল?


প্ৰদীপ চলিহা

২০) ১৯৮২ চনত ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ, ১৯৮৫ চনত জুনিয়ৰ চেম্পিয়ন আৰু ১৯৮৯ চনত ৰাষ্ট্ৰীয় ছিনিয়ৰত ৰানাৰ্ছ আপ হোৱা অসমৰ এই গৰাকী খেলুৱৈয়ে ১৯৮৬ চনত ভাৰতীয় দলৰ হৈ চুইডিছ আৰু ফৰাচী অপেনতো খেলিছিল। তেওঁ কোন?

২১) মাজতে ১৯৭৭ চনত এবাৰ বিপুল শৰ্মাৰ হাতত পৰাজিত হোৱাৰ বাদে ১৯৬৯ চনৰ পৰা ১৯৮৪ চনলৈ ৰাজ্যিক চেম্পিয়ন হৈ অভিলেখ গঢ়া খেলুৱৈ গৰাকী কোন?

২২) ১৯৮৪ চনত শিৱসাগৰত হোৱা ৰাজ্যিক বেডমিণ্টনত প্ৰদীপ চলিহাক হৰুৱাই যিজন নতুন চেম্পিয়ন হৈছিল, তেওঁ পিছলৈ ভাৰতীয় দলকো প্ৰতিনিধিত্ব কৰে। কোন আছিল তেওঁ?

২৩) ১৯৯৬ চনৰ অলিম্পিকত দীপাংকৰ ভট্টাচাৰ্য কোন ৰাউণ্ডত কাৰ

Shot on realme 3
By The Gorakha

মাধুৰ্য বৰুৱা

হাতত পৰাজিত হৈছিল?

২৪) ১৯৮৩ চনত গুৱাহাটীত হোৱা অষ্টম ৰাষ্ট্ৰীয় জুনিয়ৰ আৰু ছাব জুনিয়ৰ বেডমিণ্টনত অসমৰ কোন খেলুৱৈয়ে দ্বিমুকুট অৰ্জন কৰিছিল?

২৫). ১৯৮৩ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ আৰু ছাব জুনিয়ৰ বেডমিণ্টনৰ ছাব. জুনিয়ৰ ছিংগলছত মৃন্ময় শৰ্মাই কোন খেলুৱৈক পৰাজিত কৰিছিল, যিজনে পৰৱৰ্তী কালত ছিনিয়ৰ শাখাত লেঠাৰীকৈ তিনিবাৰ ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিলগৈ?

২৬) দীপাংকৰ ভট্টাচাৰ্য কেতিয়া ক্ৰমাগত তিনিবাৰ ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল?

২৭) খেলুৱৈ হিচাপে নাম তেওঁৰ বিশেষ নাছিল। জিলা দলত খেলিছিল। পিছত সংগঠনত লাগিল। অসম বেডমিণ্টন সন্থাৰ সহকাৰী সম্পাদক, কোষাধ্যক্ষ আৰু সম্পাদকো হ'ল। তাৰ পিছত ১৯৮৬ চনত ভাৰতীয় দলৰ মেনেজাৰ হিচাপে বেংককত হোৱা থমছ কাপ (ভাৰতীয় দলত তেতিয়া প্ৰকাশ পাডুকন, ছৈয়দ মোদীও আছিল), ১৯৮৭ চনত ইণ্ডোনেছিয়াত হোৱা এছিয়ান বেডমিণ্টন চেম্পিয়নশ্বীপ আৰু ১৯৯০ চনত ৰুছিয়াত হোৱা আন্তৰ্জাতিক যুব কাপলৈ গৈছিল। কোন আছিল তেওঁ?

❖❖❖

বেডমিণ্টন ঃ উত্তৰ

১) মল্লিকা বৰুৱা।
২) অমিতাভ গোস্বামী।
৩) হিম্মৎসিংকা কাপ বেডমিণ্টন প্ৰতিযোগিতা। সেয়া আছিল ৪০ৰ দশকৰ আৰম্ভণিৰ ফালৰ কথা।
৪) ১৯৫২ চনত। এছ. এছ. গুহ সভাপতি আৰু যুটীয়া সম্পাদকদ্বয় আছিল পি. চেটাৰ্জী আৰু বিনয় বল।
৫) ডিগবৈৰ বিমলা গোস্বামী। ১৯৫৪-৫৫ চনৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ (পুনে) যোৱা অসমৰ দলটোৰ তেওঁ একমাত্ৰ সদস্যা আছিল।
৬) ১৯৫৮ চনত।
৭) বেগম আবিদা আহমেদ। তেওঁ আছিল ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদৰ পত্নী।
৮) মাধুৰ্য বৰুৱা।
৯) দীপাংকৰ ভট্টাচাৰ্য।
১০) মল্লিকা বৰুৱা।
১১) মধুৰ বেজবৰা।
১২) কৃষ্ণা ডেকা ৰজা।
১৩) স্বাধীন ডেকাৰজা আৰু কৃষ্ণা ডেকাৰজা।

দীপাংকৰ ভট্টাচাৰ্য

১৪) খিলঙৰ এফ আলেয়া। ১৯৬০ চনত তেওঁ ৰাষ্ট্ৰীয় জুনিয়ৰ ছোৱালীৰ চেম্পিয়ন আছিল।
১৫) মধুৰ বেজবৰা। পুণেত স্থায়ীভাৱে থাকিবলৈ লোৱা মধুৱে মহাৰাষ্ট্ৰৰ হৈ খেলিছিল।

১৬) দীপাংকৰ ভট্টাচাৰ্য। তেওঁ ১৯৯২ চনৰ বাৰ্চিলোনা আৰু ১৯৯৬ চনৰ আটলাণ্টা অলিম্পিকত খেলিছিল।

১৭) তৃতীয় ৰাউণ্ডত, বিশ্বৰ এক নম্বৰ খেলুৱৈ চীনৰ ঝাও জিয়ান হুৱাৰ হাতত ১৫-৪, ১৫-১২ পইন্টত।


প্ৰদীপ হাজৰিকা

১৮) সুশান্ত বৰাৰ হাতত।

১৯) সুশান্ত বৰা।

২০) মাধুৰ্য বৰুৱা।

২১) প্ৰদীপ চলিহা।

২২) সুশান্ত বৰা।

২৩) প্ৰথম ৰাউণ্ডত 'বাই' পোৱা দীপাংকৰ দ্বিতীয় ৰাউণ্ডত বিশ্বৰ তিনি নম্বৰ খেলুৱৈ হাৰিয়াণ্টো আৰ্বিৰ হাতত ১৫-৫, ১৫-৪ পইন্টত পৰাজিত হৈছিল।

২৪) মৃন্ময় শৰ্মাই। ছাব জুনিয়ৰ ছিংগলছ আৰু ডাবলছত তেওঁ জয়ী হৈছিল।

২৫) অসমৰ দীপাংকৰ ভট্টাচাৰ্যক। সেই খেলত দীপাংকৰ পৰাজিত হৈছিল ১৫-১২, ১২-১৫, ১৫-৯ পইন্টত।

২৬) ১৯৯৪, ১৯৯৫ আৰু ১৯৯৬ চনত। তেওঁ ১৯৯১ আৰু ১৯৯৭ চনতো ফাইনেলত খেলিছিল।

২৭) প্ৰদীপ হাজৰিকা।

❖❖❖

ক্ৰিকেট ঃ প্ৰশ্ন

আবু নেচিম আহমেদ

১) ১৯৮৩ চনৰ ১৭ ডিচেম্বৰত অসম তথা গুৱাহাটীত হৈছিল প্ৰথমখন এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেট খেল। সেই সময়ত আয়োজক অসম ক্ৰিকেট সন্থাৰ যিজন সম্পাদক আছিল, সেইজন বছৰটোৰ আগভাগত, অৰ্থাৎ ১৯৮৩ চনৰে জানুৱাৰী-ফেব্ৰুৱাৰীত পাকিস্তান ভ্ৰমণলৈ যোৱা ভাৰতীয় ক্ৰিকেট দলৰ সহকাৰী মেনেজাৰ আছিল। কোন আছিল তেওঁ?

২) গুৱাহাটীত হৈ যোৱা এদিনীয়া আন্তৰ্জাতিক খেলত এই পৰ্যন্ত (২০১০ চন) সৰ্বাধিক স্ক'ৰ কিমান? কোনে কেতিয়া কাৰ বিৰুদ্ধে এই ৰাণ কৰিছিল?

৩) গুৱাহাটীত হোৱা প্ৰথম চাৰিখনকৈ এদিনীয়া আন্তৰ্জাতিক খেলত ২০০ ৰাণ স্পৰ্শ হোৱা নাছিল। ২০০ ৰাণ স্পৰ্শ কৰা প্ৰথমটো দল কোন আছিল আৰু কেতিয়া, কাৰ বিৰুদ্ধে সেই ৰাণ সংগৃহিত হৈছিল?

৪) গুৱাহাটীৰ এদিনীয়া আন্তৰ্জাতিক ৩০০ ৰাণ কৰা প্ৰথমটো দল কোন আছিল?



অমল দাস

৫) ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ ব'ৰ্ডৰ স্ক'ৰাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমৰ প্ৰথমগৰাকী ব্যক্তি কোন?

৬) অসমৰ কোনগৰাকী আম্পায়াৰে প্ৰথমবাৰলৈ এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেট খেলত দায়িত্ব পালন কৰিছিল?

৭) আন্তৰ্জাতিক এদিনীয়া ক্ৰিকেট খেল পৰিচালনা কৰা অসমৰ দ্বিতীয়গৰাকী আম্পায়াৰ কোন?

৮) চিকিৎসক এই গৰাকী সামাজিক ব্যক্তি এটা সময়ত অসম ক্ৰিকেট সন্থাৰ উপ-সভাপতি আছিল ১৯৯৭-২০০০, ২০০০-২০০২ আৰু ২০০২-২০০৬ কাৰ্য্যনিৰ্বাহকত। তেওঁৰ বিধায়ক আৰু মন্ত্ৰীপদ লাভৰো অভিজ্ঞতা আছে। ১৯৯৮ চনত বাংলাদেশত হোৱা আই-চি-চিৰ নক-আউট (মিনি ৱৰ্ল্ড কাপ) প্ৰতিযোগিতালৈ ভাৰতীয় ক্ৰিকেট দলৰ মেনেজাৰ হিচাপে গৈছিল। কাৰ কথা কৈছো বাৰু?

৯) ৰঞ্জি ট্ৰফীত এই পৰ্যন্ত অসমৰ শ্ৰেষ্ঠ স্ক'ৰ কিমান আৰু কেতিয়া কাৰ বিৰুদ্ধে?

১০) ৰঞ্জি ট্ৰফীত অসমৰ এই পৰ্যন্ত বিভিন্ন স্ক'ৰ কিমান আৰু কেতিয়া কাৰ বিৰুদ্ধে?

১১) এটা মন কৰিবলগীয়া ঘটনা, ৰঞ্জি ট্ৰফীত এবাৰ প্ৰতিপক্ষৰ বিৰুদ্ধে উভয় ইনিংছত অসমৰ স্ক'ৰ একেই আছিল। ক'ত, কেতিয়া, কাৰ বিৰুদ্ধে আছিল অসমৰ সেই স্ক'ৰ?

১২) ৰঞ্জি ট্ৰফীত কোন প্ৰতিপক্ষক অসমে কেতিয়া, ক'ত আটাইতকৈ কম স্ক'ৰত আউট কৰিছিল?

১৩) ৰঞ্জি ট্ৰফীৰ একেটা ইনিংছত প্ৰতিপক্ষক অল আউট কৰিবলৈ

অসমৰ মাত্ৰ দুজন বলাৰৰ ব্যৱহাৰেই যথেষ্ট হৈছিল। তেনে উদাহৰণ আছে দুটা। এবাৰ ১৯৯৯-২০০০ চনত মঁগলদৈত আৰু আনবাৰ ১৯৯১-১৯৯২ চনত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত। ক্ৰমানুসাৰে বলাৰকেইগৰাকী কোন কোন আছিল?

১৪) ৰঞ্জি ট্ৰফীৰ একোখন খেলত শ্ৰেষ্ঠ কীপিং কাৰ?

১৫) ৰঞ্জি ট্ৰফীৰ একোটা ইনিংছত অসমৰ শ্ৰেষ্ঠ বলিং কাৰ?

১৬) ৰঞ্জি ট্ৰফীৰ একোখন খেলত সৰ্বাধিক ১৪ টা উইকেট লাভ কৰা বলাৰগৰাকী কোন?

১৭) ৰঞ্জি ট্ৰফীত ১০০ টা উইকেট লাভ কৰোতা অসমৰ প্ৰথমজন বলাৰ কোন আছিল?

১৮) ৰঞ্জি ট্ৰফীত অসমৰ হৈ প্ৰথম কোনে দ্বিশতৰাণ অৰ্জন কৰিছিল?

১৯) অসমত প্ৰথমখন এদিনীয়া আন্তৰ্জাতিক খেল কেতিয়া ক'ত আৰু কাৰ কাৰ মাজত হৈছিল?

সুৰেণ ৰাম ফুকন

২০) ১৯৮৫ চনৰ ১১ এপ্ৰিলত অসমত খেলিছিল তেতিয়াৰ টেষ্ট তাৰকা কপিল দেৱ, সদানন্দ বিশ্বনাথ, শিৱৰামকৃষ্ণন, কিৰমানী, মদনলাল, আজহাৰ, বিন্নী, গাইকোৱাড, শাস্ত্ৰী আৰু শ্ৰীকান্ত আদি। তেওঁলোকে ক'ত কি খেলত ভাগ লৈছিল?

২১) সেই প্ৰতিযোগিতাত অসমৰ এগৰাকী তৰুণ প্ৰতিভাৱান খেলুৱৈয়ে শিৱৰামকৃষ্ণনৰ সৈতে যুটি বান্ধি ছেমি ফাইনেল পৰ্যন্ত আগবাঢ়িছিল। কোন আছিল তেওঁ?

২২) ভাৰতীয় স্কুল ক্ৰিকেট দলত স্থান পোৱা অসমৰ প্ৰথমগৰাকী

Shot on realme 3
The Gorakha

খেলুৱৈ কোন?

২৩) ৰঞ্জি ট্ৰফীত অধিনায়কত্ব কৰা দুগৰাকী ক্ৰিকেটাৰে এবাৰ একেটা বছৰতে সন্তোষ ট্ৰফী ফুটবলতো খেলিছিল। তেওঁলোক কোন?

২৪) একেখন ৰঞ্জি ট্ৰফীৰ খেলত ১৩ টা উইকেট পোৱা অসমৰ প্ৰথমজন বলাৰ কোন?

২৫) ভাৰতীয় যুৱ দলত স্থান পোৱা অসমৰ প্ৰথমগৰাকী ক্ৰিকেটাৰ কোন?

২৬) ১৯৯২ চনত ভাৰতীয় ১৯ বছৰৰ তলৰ দলৰ হৈ সহঃ অধিনায়ক হিচাপে দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যোৱা ক্ৰিকেটাৰগৰাকী কোন?

২৭) অসম মহিলা ক্ৰিকেট সন্থা কেতিয়া গঠন হয়?

২৮) ১৯৮৩ চনত ট্ৰিনিদাদ-টবেগোৰ স্কুল দলৰ হৈ গুৱাহাটীলৈ আহিছিল পৰৱৰ্তী কালত ৱেষ্ট ইণ্ডিজৰ অধিনায়ক হোৱা ব্ৰায়ান লাৰা। সেই খেলত অসমৰ এজন বলাৰে ইনছুইংগাৰেৰে লাৰাক শূন্য ৰাণতে ব'ল্ড কৰিছিল। কোন আছিল বলাৰগৰাকী?

২৯) অসমৰ প্ৰথম ৰঞ্জি অধিনায়ক কোন?

৩০) ৰঞ্জি ট্ৰফীত অসমৰ বাদেও খেলিছিল বংগৰ হৈ। বিশ্ববিদ্যালয়তো খেলিছে দুটা দলৰ হৈ। কলিকতা আৰু মুম্বাই দল। তেওঁ কোন?

৩১) ৰঞ্জি ট্ৰফীত তিনিটাকৈ শতৰান কৰা অসমৰ প্ৰথম খেলুৱৈ কোন?

৩২) ১৯৯১-৯২ চনত ১৯ বছৰৰ তলৰ নিউজিলেণ্ড দল আহিছিল ভাৰতলৈ। খেলিছিল দুখন টেষ্ট আৰু তিনিখন এদিনীয়া। অসমৰ এগৰাকী বলাৰেই আছিল ভাৰতীয় দলৰ সৰ্বোচ্চ উইকেট লাভ কৰোতা। তেওঁ কোন?

৩৩) অসম ক্ৰিকেট সন্থা কেতিয়া, ক'ত গঠন হৈছিল? প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?

৩৪) অসমৰ মাটিত বিদেশী দলে প্ৰথম কেতিয়া ক'ত ক্ৰিকেট খেল খেলিছিল?

৩৫) মুম্বাইৰ কোন ক্ৰিকেটাৰে অসমৰ হৈ ৰঞ্জি ট্ৰফী খেলিবলৈ আহি ১০০০ ৰান পূৰ কৰিছিল?

ৰাজেশ বৰা

৩৬) ১৯৭৫ চনৰ পৰা ১৯৯৩ চন পৰ্যন্ত ৰঞ্জি ট্ৰফী খেলিছে। পূব মণ্ডলৰ হৈ খেলিছে টনী গ্ৰেইগৰ ইংলেণ্ড, কিম হিউজৰ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। চাৰ্টিফিকেটত তেওঁৰ নাম ইন্দুমোহন কাকতি। অধিক জনপ্ৰিয় তেওঁ কি নামেৰে?

৩৭) ৰঞ্জি ট্ৰফীত অসমৰ নিম্নতম স্ক'ৰ কিমান, কেতিয়া, ক'ত কাৰ বিৰুদ্ধে?

৩৮) ১৯৭৪ চনত বংগৰ বিৰুদ্ধে যোৰহাটত হোৱা ৰঞ্জি ট্ৰফীৰ খেলৰ উভয় ইনিংছতে অসমৰ মাত্ৰ এজন বেটছমেনেহে দহকৰ ঘৰত প্ৰৱেশ কৰিব পাৰিছিল। অপেনাৰ এই বেটছমেনজনে প্ৰথম ইনিংছত ১১ আৰু দ্বিতীয় ইনিংছত কৰিছিল অপৰাজেয় ৮ ৰান। তেওঁ কোন আছিল?

৩৯) ভিনু মানকাড ট্ৰফীত সৰ্বভাৰতীয় বিজয়ী হোৱাৰ দুয়োটা ছিজনতে প্ৰথম খেলত অসমে একেটা ৰাজ্যিক দলক হৰুৱাইছিল। কোন আছিল এই দল?

৪০) প্ৰথম আন্তঃ জিলা মহিলা ক্ৰিকেট ক'ত, কেতিয়া হৈছিল?

৪১) প্ৰথম আন্তঃ জিলা মহিলা ক্ৰিকেটৰ বিজয়ী কোন আছিল? সেইবাৰ অংশ গ্ৰহণকাৰী দল কেইটা আছিল?

৪২) অসমৰ প্ৰথম আন্তঃ ক্লাব ভিত্তিত ক্ৰিকেট প্ৰতিযোগিতা ক'ত হৈছিল?

৪৩) ৰঞ্জি ট্ৰফীত অসমৰ কনিষ্ঠতম খেলুৱৈ কোন?

৪৪) পূব মণ্ডল দলৰ হৈ খেলা অসমৰ প্ৰথম ক্ৰিকেটাৰ কোন?

৪৫) ঢাকাৰ ৱাৰী ক্লাবৰ হৈ প্ৰদৰ্শনী ক্ৰিকেট খেলিবলৈ আহি থাকি গৈছিল অসমতে। ৰঞ্জি ট্ৰফীত অসমৰ প্ৰথমটো দলতো আছিল

Shot on realme 3

তেওঁ। ১৯৫১-৫২ চনত বংগৰ বিৰুদ্ধে প্ৰথম ইনিংছত অসমে ১৮০ ৰান কৰোতে, তেওঁ ৮৪ ৰান কৰি অপৰাজেয় হৈ আছিল। ৰঞ্জি ট্ৰফীত তেওঁ তিনিটা অৰ্দ্ধ-শতৰানেৰে মুঠ ৭১১ ৰান কৰিছিল। কোন তেওঁ?

৪৬) ৰঞ্জি ট্ৰফীত প্ৰথম খেলতেই শতৰান কোন অসমীয়াৰ?

৪৭) ১৯৫৭-৫৮ চনত উৰিষ্যাৰ বিৰুদ্ধে ৰঞ্জি ট্ৰফীত অসমে সপ্তম উইকেটত ২৫২ ৰান কৰি নতুন ৰেকৰ্ড গঢ়িছিল। বেটছমেন দুজন কোন আছিল?

৪৮) ৰঞ্জি ট্ৰফীত অসমৰ হৈ প্ৰথম কোনে অৰ্দ্ধ-শতৰান কৰিছিল?

৪৯) ৰঞ্জি ট্ৰফীত অসমৰ আবিৰ্ভাব কেতিয়া ক'ত?

৫০) ৰঞ্জি ট্ৰফীৰ আবিৰ্ভাৱৰ খেলতে শতৰান কৰা অসমৰ দ্বিতীয়গৰাকী ক্ৰিকেটাৰ কোন?



গৌতম দত্ত

৫১) ৰঞ্জি ট্ৰফীত অসমে কেতিয়া, কাৰ বিৰুদ্ধে প্ৰথমটো জয়ৰ সোৱাদ পায়?

৫২) অসমৰ স্কুল ক্ৰিকেট দলৰ প্ৰথম অধিনায়ক কোন আছিল?

৫৩) অসমৰ প্ৰথম বিশ্ববিদ্যালয় দলটোৰ অধিনায়ক কোন আছিল?

৫৪) ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰথম কেতিয়া ৰোহিনটন বাৰিয়া সৰ্বভাৰতীয় আন্তঃ বিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত ভাগ লয়? প্ৰথম অধিনায়ক কোন আছিল?

৫৫) ৰঞ্জি ট্ৰফীত অসমৰ দ্বিতীয় অধিনায়ক জন পিছলৈ সম্বাদৰ সম্পাদক হৈছিল। তেওঁ কোন?

৫৬) পূব মণ্ডল দলত অন্তৰ্ভুক্ত হোৱা অসমৰ প্ৰথম ক্ৰিকেটাৰ কোন?

৫৭) ৰঞ্জি ট্ৰফীত অসমৰ প্ৰথম শতৰান কাৰ?

৫৮) অসমৰ মহিলা ক্ৰিকেট দলৰ প্ৰথম অধিনায়ক কোন আছিল?

৫৯) গুৱাহাটীত হোৱা কোনখন এদিনীয়া আন্তৰ্জাতিকত প্ৰথমবাৰলৈ সম্পূৰ্ণ ৫০ অভাৰ খেলোৱা সম্ভৱ হৈছিল?

৬০) গুৱাহাটীত হোৱা এদিনীয়া আন্তৰ্জাতিক খেলত কোন দলে প্ৰথম ৩০০ ৰানৰ সীমা অতিক্ৰম কৰিছিল?

৬১) গুৱাহাটীত হোৱা এদিনীয়া আন্তৰ্জাতিকত প্ৰথম অৰ্দ্ধ-শতৰান কাৰ?

৬২) গুৱাহাটীত হোৱা এদিনীয়া আন্তৰ্জাতিকত প্ৰথমটো শতৰান কাৰ?

৬৩) গুৱাহাটীৰ এদিনীয়াত দুটা বিদেশী দলে প্ৰথম কেতিয়া মুখামুখি হৈছিল?

৬৪) গুৱাহাটীত হোৱা এদিনীয়া আন্তৰ্জাতিকত প্ৰথম কেতিয়া ৰঙীন পোছাক দেখিবলৈ পোৱা গৈছিল?

৬৫) অসম মহিলা ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়িকা। পিছলৈ ৰাজনৈতিক দলত যোগ দি সাংসদ হয়গৈ। তেওঁ কোন?

৬৬) তেওঁ আছিল বেটছমেন আৰু উইকেটকীপাৰ। খেলিছিল টাউন ক্লাব, কটন কলেজ আৰু অসম ৰঞ্জি দলৰ হৈ। এয়াৰ ইণ্ডিয়াত ফ্লাইট ইঞ্জিনিয়াৰ হৈছিলগৈ। মুম্বাইতো ক্লাব ক্ৰিকেট খেলা এই ব্যক্তিৰ মৃত্যু ঘটিছিল বিমান দুৰ্ঘটনাত; ইউৰোপৰ আল্পছ পৰ্বতত। পিছলৈ তেওঁৰ স্মৃতিত গুৱাহাটী টাউন ক্লাবে এক ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰে। খেলুৱৈগৰাকী কোন?

৬৭) সৰ্বভাৰতীয় স্কুল ক্ৰিকেট অৰ্থাৎ ভিনু মানকাড ট্ৰফীত অসমে কেতিয়া প্ৰথমবাৰলৈ বিজয়ীৰ সন্মান অৰ্জন কৰিছিল?

৬৮) গুৱাহাটীত হোৱা প্ৰথমখন এদিনীয়া আন্তৰ্জাতিকত মেন অৱ দ্য

Shot on realme 3
By The Gorakha

মেছৰ সন্মান কোনে পাইছিল?

৬৯) সোঁহতীয়া মিডিয়াম ফাষ্ট বলাৰ তেওঁ। অনুৰ্দ্ধ ১৯ৰ ভাৰতীয় দলৰ হৈ বিশ্বকাপ খেলিছে। ২০০৫ চনত মধ্য প্ৰদেশৰ বিৰুদ্ধে ইন্দোৰত ৰঞ্জি ট্ৰফীত আবিৰ্ভাৱ ঘটোৱা এই বলাৰজনে ২০০৯-১০ আৰু ২০১০-১১ ছিজনত মুম্বাই ইণ্ডিয়ানছৰ হৈ আই-পি-এলত খেলিছিল। কাৰ কথা কোৱা হৈছে বাৰু?

৭০) ৰঞ্জি ট্ৰফীৰ একোখন খেলৰ উভয় ইনিংছতে শতৰাণ কৰা অসমৰ প্ৰথমগৰাকী বেটছমেন কোন?

৭১) অসমৰ কোনগৰাকী বেটছমেনে ৰঞ্জি ট্ৰফীৰ ক্ৰমাগত পাঁচটা ইনিংছত শতৰাণ কৰাৰ বিৰল কৃতিত্বৰ অধিকাৰী হৈছে?

৭২) ১১-১১-১১। এটা ঐতিহাসিক আৰু বিৰল দিন। এই দিনটোতেই অসমৰ এগৰাকী বলাৰে ৰঞ্জি ট্ৰফীত ৰাজ্যৰ হৈ প্ৰথমটো হেট্ৰীক অৰ্জন কৰিছিল। কোন আছিল সেই বলাৰ?

❖❖❖

ক্ৰিকেট ঃ উত্তৰ

১) সহজানন্দ ওজা।

২) ছয় উইকেটত ৩৩৩ (৫০ অভাৰত)। ২০০২ চনৰ ১৯ মাৰ্চত ভাৰতে এই স্ক'ৰ কৰিছিল জিম্বাবুৱেৰ বিৰুদ্ধে।

৩) দক্ষিণ আফ্ৰিকা। ১৯৯৩ চনৰ ১৯ নবেম্বৰত শ্ৰীলংকাৰ বিৰুদ্ধে হিৰ' কাপৰ খেলত কৰিছিল; সাত উইকেটত ২১৪ ৰাণ (৫০ অভাৰত)।

৪) ৱেষ্ট ইণ্ডিজ। ১৯৯৪ চনৰ এক নবেম্বৰত; উইলছ ট্ৰফীৰ খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে। স্ক'ৰ আছিল ছয় উইকেটত ৩০৬ ৰাণ।

৫) তাপস ৰয়। ১৯৯৭ চনত তেওঁ অসমৰ প্ৰথমগৰাকী স্ক'ৰাৰ হিচাপে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ পেনেলত অন্তৰ্ভুক্ত হয়।

৬) সুৰেন ৰাম ফুকনে; ১৯৮৬ চনৰ ২৪ ডিচেম্বৰত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কাণপুৰত হোৱা এদিনীয়া আন্তৰ্জাতিক খেলত আম্পায়াৰিং কৰিছিল।

৭) নিলয় দত্ত। ১৯৯০ চনৰ ৫ ডিচেম্বৰত ভাৰত আৰু শ্ৰীলংকাৰ মাজত পুনেত তেওঁ আম্পায়াৰিং কৰিছিল।

৮) ডাঃ কমলা কলিতা।

৯) সাত উইকেটত ৬৮৪ ৰাণ (১৩১ অভাৰত)। ১৯৯১-৯২ চনত ত্ৰিপুৰাৰ বিৰুদ্ধে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অসমে এই স্ক'ৰ কৰিছিল।

১০) ১৩.২ অভাৰত ৩২। ১৯৭১-৭২ চনত বিহাৰৰ বিৰুদ্ধে ধানবাদত।

১১) ১২২ ৰাণ। ১৯৮০-৮১ চনত বংগৰ বিৰুদ্ধে ইডেন গাৰ্ডেনত হোৱা খেলখনৰ উভয় ইনিংছত অসম সেই স্ক'ৰতে অল-আউট হৈছিল।

১২) ত্ৰিপুৰাক; ৫৭ ৰাণত (২২.৩ অভাৰত)। ১৯৯৯-০০ চনত

Shot on realme 3
By The Gorakha

মণ্ডলদৈত হোৱা খেলত অসমে সেই প্ৰদৰ্শন দাঙি ধৰিছিল।

১৩) ১৯৯৯-০০ চনত মণ্ডলদৈত ত্ৰিপুৰাৰ বিৰুদ্ধে খেলত ব্যৱহাৰ হোৱা অসমৰ বলাৰ আৰু তেওঁলোকৰ বলিং বিশ্লেষণ আছিল এনে ধৰণৰ ঃ গৌতম দত্ত আৰু জাভেদ জামান ১১-৫-৩৪-২ (প্ৰথম ইনিংছত)। আনহাতে ১৯৯১-৯২ চনত গুৱাহাটীত ত্ৰিপুৰাৰ বিৰুদ্ধে খেলত ব্যৱহাৰ হোৱা অসমৰ বলাৰ দুগৰাকী আৰু তেওঁলোকৰ বলিং বিশ্লেষণ আছিল ক্ৰমে এনেধৰণৰ ঃ গৌতম দত্ত ১৪-১-৪৪-৫ আৰু হেমাংগ বৰুৱা ১৪.৩-৪-৩৮-৫ (দ্বিতীয় ইনিংছত)।

১৪) সমৰজিৎ নেওগ। সাতটা কেচ আৰু এটা ষ্টাম্পিং। ২০০১-০২ চনত ত্ৰিপুৰাৰ বিৰুদ্ধে মালিগাঁৱৰ এন এফ ৰে'লৱে ষ্টেডিয়ামত হোৱা খেলত সমৰজিতৰ মুঠ চিকাৰ আছিল ১১ টা।



অৰ্লেন কোঁৱৰ

১৫) বাওঁহতীয়া পেচ বলাৰ গৌতম দত্তৰ। ১৯৯১-৯২ চনত ত্ৰিপুৰাৰ বিৰুদ্ধে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত হোৱা খেলত গৌতমে ৫২ ৰাণত নটা উইকেট লাভ কৰিছিল। গৌতমৰ বলিং বিশ্লেষণ আছিল এনেধৰণৰ ঃ ২০-৬-৫২-৯।

১৬) গৌতম দত্ত। ১৯৯১-৯২ চনত ত্ৰিপুৰাৰ বিৰুদ্ধে খেলৰ প্ৰথম ইনিংছত গৌতমে ৫২ ৰাণত নটা আৰু দ্বিতীয় ইনিংছত ৪৪ ৰাণত পাঁচটা উইকেট লাভ কৰিছিল।

১৭) মিডিয়াম পেচ বলাৰ অনুপ ঘটক। ১৯৬৩-১৯৭৭ কালছোৱাত ঘটকে মুঠতে ৩৬ খন প্ৰথম শ্ৰেণীৰ খেলত ভাগ লৈ ২৮৩১ ৰাণ দি ১২৫ টা উইকেট লাভ কৰিছিল।

১৮) এছ কে গিৰিধাৰীয়ে। ১৯৫৭ চনৰ ১৫-১৭ ডিচেম্বৰত কটকত উৰিষ্যাৰ বিৰুদ্ধে পাঁচ নম্বৰ বেটছমেন গিৰিধাৰীয়ে ২২৯ ৰাণত অপৰাজিত আছিল।

১৯) ১৯৮৩ চনৰ ১৭ ডিচেম্বৰত গুৱাহাটীত; খেল হৈছিল ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত।

২০) তেওঁলোকে আহিছিল যোৰহাটৰ ত্ৰিবেণী ক্লাবে পতা ডাবল উইকেট ক্ৰিকেট প্ৰতিযোগিতাত ভাগ ল'বলৈ।

২১) ৰাজেশ বৰা।

২২) মাধুৰ্য প্ৰসাদ বৰুৱা। ১৯৫৮ চনত তেওঁ শ্ৰীলংকা আৰু অষ্ট্ৰেলীয়া ভ্ৰমণলৈ গৈছিল।

২৩) পিলিক চৌধুৰী আৰু ৰত্নহাস গোস্বামী। ১৯৫০ চনত কলিকতাত।

২৪) অশ্বিনী ৰাজবংশী। ১৯৬০-৬১ চনত গুৱাহাটীৰ জজ ফিল্ডত বিহাৰৰ বিৰুদ্ধে খেলত তেওঁ মুঠ ৭৮ ৰান দি তেৰটা উইকেট পাইছিল। প্ৰথম ইনিংছত ৩৭ ৰানত সাতটা আৰু দ্বিতীয় ইনিংছত ৪১ ৰান দি পাইছিল ছটা উইকেট।

২৫) ৰাজেশ বৰা। ১৯৮৫-৮৬ চনত তেওঁ গৈছিল অষ্ট্ৰেলীয়ালৈ।

২৬) গৌতম দত্ত। পিছৰ বছৰ গৌতমৰ নেতৃত্বতে নিজ দেশৰ মাটিত ভাৰতে (১৯ বছৰৰ তলৰ) খেলিছিল ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাত।

২৭) ১৯৭৫ চনত। তমাল কুসুম দাস আৰু সুৰেণৰাম ফুকন আছিল প্ৰথম সভানেত্ৰী আৰু সম্পাদক।

২৮) হেমাংগ বৰুৱা।

২৯) আৰ এফ্ কেটেল।

৩০) মাধুৰ্য প্ৰসাদ বৰুৱা।

৩১) ৰামপ্ৰসাদ কাপুৰ। ১৯৬১-৬২ চনত বিহাৰৰ বিৰুদ্ধে ১১০, ১৯৬৩-৬৪ চনত উৰিষ্যাৰ বিৰুদ্ধে অপৰাজেয় ১০৩ আৰু ১৯৬৪-৬৫

চনত বিহাৰৰ বিৰুদ্ধে তেওঁ কৰিছিল অপৰাজেয় ১১৭ ৰান।

৩২) গৌতম দত্ত। তেওঁ মুঠতে ১৮ টা উইকেট পাইছিল।

৩৩) ১৯৪৭ চনৰ ৩০ নৱেম্বৰত কটন কলেজিয়েট স্কুলৰ হোষ্টেলত। তেতিয়াৰ প্ৰিমিয়াৰ গোপীনাথ বৰদলৈ সভাপতি আৰু সম্পাদক আছিল পুলিন দাস।

৩৪) ১৯৫৩ চনত যোৰহাট ষ্টেডিয়ামত ভাগ লৈছিল ৰেষ্ট ইণ্ডিজ আৰু অষ্ট্ৰেলীয়াৰ খেলুৱৈৰে গঠিত সন্মিলিত ছিলভাৰ জুবিলি অভাৰচীজ একাদশ আৰু গৱৰ্ণৰছ একাদশে।

৩৫) গৌতম দত্তৰ। ১৯৯৯ চনত তেওঁ ত্ৰিপুৰাৰ বিৰুদ্ধে গুৱাহাটীত মুঠ ১৪ টা উইকেট পাইছিল। প্ৰথম ইনিংছত নটা আৰু দ্বিতীয় ইনিংছত তেওঁ পাইছিল পাঁচটা উইকেট।

৩৬) লালচান্দ ৰাজপুতে। দুহখন খেলৰ ১৬ নং ইনিংছত তেওঁ ১০০০ ৰান পূৰ কৰিছিল।

৩৭) মুন্না কাকতি হিচাপে।

৩৮) ৩২। ১৯৭১-৭২ চনত বিহাৰৰ বিৰুদ্ধে ধানবাদত। বিহাৰৰ ৫-৩০১ ৰানৰ প্ৰত্যুত্তৰত অসমে কৰিছিল ক্ৰমে ১৪৪ আৰু ৩২। দ্বিতীয় ইনিংছত সৰ্বোচ্চ ১২ ৰান কৰিছিল প্ৰবীৰ হাজৰিকাই।

৩৯) নন্দন বেজবৰুৱা। সেই খেলত বংগৰ স্পিনাৰ দিলীপ দোশীয়ে ছয় ৰানত ছটা আৰু দ্বিতীয় ইনিংছত ভট্টাচাৰ্যই সাত ৰানত সাতটা উইকেট লাভ কৰিছিল।

৪০) ত্ৰিপুৰা। ব্যৱধান আছিল ক্ৰমে ২০০ আৰু ২৭৫ ৰানৰ।

৪১) ১৯৮৭ চনত, নগাঁৱত।

৪২) গুৱাহাটী। অংশ গ্ৰহণকাৰী আনটো দল আছিল নগাঁও।

৪৩) ১৯২৩ চনত যোৰহাটত। জিউৰাম শ্বিল্ড।

৪৪) মাধুৰ্য প্ৰসাদ বৰুৱা। প্ৰথম খেলৰ সময়ত বয়স ১৮ বছৰ ৪ মাহ।

৪৫) তপন বৰুৱা। ১৯৫৪-৫৫ চনত যোৰহাটত পূব মণ্ডলৰ হৈ

খেলিছিল ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। হল, গ্ৰিফিথ, ছোবাৰ্ছ, বুচাৰ, ৰামাধীন আদিৰে গঠিত ৰেষ্ট ইণ্ডিজৰ হাতত পূব মণ্ডল পৰাজিত হয় এক ইনিংছ আৰু ১৭ ৰানত।

৪৬) অৰবিন্দ গুহ ৰয়।

৪৭) আনোৱাৰ হুছেইনৰ। ১৯৬৫ চনত উৰিষ্যাৰ বিৰুদ্ধে কটকত তিনি নম্বৰ বেটছমেন হিচাপে নামি প্ৰথম ইনিংছত ১২০ আৰু দ্বিতীয় ইনিংছত ৫৮ ৰান কৰিছিল। প্ৰথম ইনিংছত তেওঁ ১৭০ মিনিট উইকেটত থাকি ২০ টা বাউণ্ডেৰী কোবাইছিল।

৪৮) এছ. কে. গিৰিধাৰী আৰু অৰবিন্দ গুহ ৰয়। পূৰ্বৰ ৰেকৰ্ড আছিল ২১৬ ৰানৰ। গিৰিধাৰীয়ে অপৰাজেয় ২২৭ আৰু গুহ ৰয়ে ৭৮ ৰান কৰিছিল। সেই খেলতে অশ্বিনী ৰাজবংশীয়ে ৮৫ ৰান দি মুঠতে নটা উইকেট পাইছিল।

৪৯) পি. ডব্লিউ. বুলকে। ১৯৪৮-৪৯ চনত শ্বিলঙত যুক্ত প্ৰদেশৰ বিৰুদ্ধে তেওঁ প্ৰথম ইনিংছত ৭৮ ৰান কৰিছিল।

৫০) ১৯৪৮ চনৰ ১৭-১৯ ডিচেম্বৰত, যুক্ত প্ৰদেশৰ বিৰুদ্ধে শ্বিলঙত। অসম পৰাজিত হয় এক ইনিংছ আৰু ৯৭ ৰানত। স্ক'ৰ ঃ যুক্ত প্ৰদেশৰ ৩৬৮। অসম ১৫৩ আৰু ১৮ ৰান।

৫১) দীপ বৰা। ১৯৯৪-৯৫ চনত ত্ৰিপুৰাৰ বিৰুদ্ধে আগৰতলাত তেওঁ ১০২ ৰান কৰিছিল।

৫২) ১৯৫১-৫২ চনত উৰিষ্যাৰ বিৰুদ্ধে নগাঁৱত। স্ক'ৰ ঃ অসম ১১৬ আৰু ২৭৮। উৰিষ্যা ১৭৭ আৰু ১৪৪। সেই খেলতে বুলকে ৭০ ৰানত সাত আৰু ২৯ ৰানত তিনিটা মুঠতে ১০টা উইকেট লাভ কৰাৰ উপৰিও দ্বিতীয় ইনিংছত ১৪৮ ৰান কৰিছিল। তদুপৰি দ্বিতীয় ইনিংছত জিতেন বৰুৱাই ১৮ ৰানত পাইছিল চাৰিটা উইকেট।

৫৩) বাদল ঠাকুৰ। ১৯৫২ চনত কলিকতাত হোৱা কোচবিহাৰ ট্ৰফীৰ প্ৰথম খেলতেই অসমৰ বিহাৰৰ হাতত পৰাজিত হৈছিল।

৫৪) ৰত্নহাস গোস্বামী, ১৯৫২ চনত, তেতিয়া অসমত বিশ্ববিদ্যালয় এখনেই আছিল। সেই দলৰ মেনেজাৰ আছিল নৃপেন্দ্র নাৰায়ণ সিংহ। কলিকতাত হোৱা প্ৰথম খেলতেই গুৱাহাটী দিল্লীৰ হাতত পৰাজিত হৈছিল।

পলাশজ্যোতি দাস

৫৫) ১৯৬৮ চনত। নেতৃত্বত আছিল নন্দ বেজবৰুৱা। ভাগলপুৰত হোৱা প্ৰথম খেলত ডিব্ৰুগড় সম্বলপুৰৰ হাতত পৰাজিত হৈছিল।

৫৬) নুৰুল আমিন।

৫৭) পিলিক চৌধুৰী। ১৯৪৮-৪৯ চনত এলাহাবাদত ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলত চৌধুৰী আছিল দ্বাদশ খেলুৱৈ।

৫৮) আৰ.এফ.কেটেলৰ। ১৯৫০-৫১ চনত যুক্ত প্ৰদেশৰ বিৰুদ্ধে ডেৰাডুনত প্ৰথম ইনিংছত তেওঁ অপৰাজেয় ১০৬ ৰান কৰিছিল।

৫৯) শিখা বৰা।

৬০) পাঁচ নম্বৰ খেলখনত। হিৰ' কাপৰ সেই খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ৭৯ ৰানত পৰাজিত কৰে।

৬১) ১৯৯৪ চনত উইলছ ট্ৰফীৰ খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে পোনতে বেট ধৰা ৰেষ্ট ইণ্ডিজে ৫০ অভাৰত ৬-৩০৬ ৰান কৰিছিল। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ৯-১৭১ ৰান কৰিছিল।

৬২) সুনীল গাভাস্কাৰৰ। ১৯৮৭ চনত হোৱা দ্বিতীয়খন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে গাভাস্কাৰে অপৰাজেয় ৭০ ৰান কৰিছিল। ভাৰত জয়ী হৈছিল আঠ উইকেটত।

৬৩) ৰেষ্ট ইণ্ডিজৰ কাৰ্ল হোপাৰৰ। ১৯৯৪ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে তেওঁ ১১১ ৰান কৰিছিল।

৬৪) ১৯৯৩ চনত ১৯ নৱেম্বৰত। হিৰ' কাপৰ খেলত মুখামুখি হৈছিল দক্ষিণ আফ্ৰিকা আৰু শ্ৰীলংকা।

৬৫) ১৯৯৩ চনৰ ১৯ নৱেম্বৰত হোৱা হিৰ' কাপৰ খেলত। গুৱাহাটীত সেয়া আছিল পঞ্চমখন এদিনীয়া আন্তৰ্জাতিক খেল।

৬৬) ৰাণী নৰহ। (পূৰ্বৰ নাম আছিল জাহানাৰা চৌধুৰী)।

৬৭) ৰমেশ বৰুৱা।

৬৮) অমল দাস।

৬৯) ১৯৯৩-৯৪ চনত।

৭০) ভাৰতৰ গোলাম পাৰকাৰে। দলৰ হৈ তেওঁ সৰ্বোচ্চ ৰান ৪২ কৰাৰ উপৰিও এটা কেছ ধৰিছিল।

৭১) আবু নেচিম আহমেদ।

৭২) ধীৰাজ যাদৱ। ২০১১ চনৰ ২৯ নৱেম্বৰৰ পৰা দুই ডিচেম্বৰলৈ ধানবাদত ঝাৰখণ্ডৰ বিৰুদ্ধে হোৱা খেলত যাদৱে প্ৰথম ইনিংছত ১০২ আৰু দ্বিতীয় ইনিংছত অপৰাজেয় ১০৬ ৰাণ কৰে।

৭৩) ধীৰাজ যাদৱ। অসমক প্ৰতিনিধিত্ব কৰি মহাৰাষ্ট্ৰৰ এই বাওঁহতীয়া ৩২ বছৰীয়া বেটছমেনজনে ২০১১-১২ ছিজনত এই কৃতিত্বৰ অধিকাৰী হয়। যাদৱে পোনতে জম্মু-কাশ্মীৰৰ বিৰুদ্ধে শ্ৰীনগৰত অপৰাজেয় ১৩৫, গুৱাহাটীত গোৱাৰ বিৰুদ্ধে অপৰাজেয় ১০২, ঝাৰখণ্ডৰ বিৰুদ্ধে ধানবাদত ক্ৰমে ১০২ আৰু অপৰাজেয় ১০৬ ৰাণৰ পিছত মহাৰাষ্ট্ৰৰ বিৰুদ্ধে গুৱাহাটীত অপৰাজেয় ১০৫ ৰাণ কৰিছিল। ছিজনটোত প্লেট গ্ৰুপৰ পাঁচখন লীগ খেলত অপেনাৰ যাদৱে ১৬৬.৫০ গড়, পাঁচটা শতৰাণ আৰু এটা অৰ্দ্ধ শতৰাণেৰে সৈতে ৬৬৬ ৰাণ কৰিছিল।

৭২) আবু নেছিম আহমেদ। গোৱাৰ বিৰুদ্ধে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত ১০-১৩ ডিচেম্বৰত হোৱা প্লেট-লীগৰ খেলত ২৩ বছৰীয়া আবুৱে সেই কৃতিত্ব অৰ্জন কৰে (প্ৰথম ইনিংছত)। ইনিংছটোত আবুৰ বলিং বিশ্লেষণ আছিল এনে ধৰণৰ ঃ ৩৩-৮-৯৭-৫।

❖❖❖

টেনিছ ঃ প্ৰশ্ন

জে. চি. দাশগুপ্ত

১) ১৯৬৬ চনত ৰাষ্ট্ৰীয় টেনিছৰ ছাব জুনিয়… খিতাপ অৰ্জন কৰা এইগৰাকী খেলুৱৈ হ… অসমৰ প্ৰথম, যিয়ে ডেভিছ কাপতো খেল… কৃতিত্ব অৰ্জন কৰিছে। খেলুৱৈগৰাকী কোন?

২) ১৯৭৩ আৰু ৭৪ চনত অসমৰ এগৰাকী খেলুৱৈয়ে উইম্বলডনৰ কোৱালিফাইং ৰাউণ্ডত অংশগ্ৰহণ কৰিছিল। তেওঁ কোন আছিল?

৩) ৰাষ্ট্ৰীয় পৰ্যায়ৰ টেনিছত বিজয়ী হোৱা অসমৰ প্ৰথমগৰাকী খেলু… কোন আছিল?

৪) ৰাষ্ট্ৰীয় স্কুল টেনিছৰ প্ৰথমখন প্ৰতিযোগিতা ক'ত হৈছিল?

৫) উদ্বোধনী বৰ্ষৰ ৰাষ্ট্ৰীয় স্কুল টেনিছৰ ল'ৰাৰ শাখাত বিজয়ী কো… আছিল?

৬) ৰাষ্ট্ৰীয় স্কুল টেনিছৰ ছোৱালীৰ শাখাত অসমে কেতিয়া বিজয়ী… সন্মান লাভ কৰিছিল?

৭) গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামৰ টেনিছ কৰ্টত এবাৰ ডেভিছ কাপৰ খেল হৈছিল। সেইটো কেতিয়াৰ কথা?

ভাস্কৰ চৌধুৰী

৮) তেওঁ ১০, ১২, ১৪ আৰু ১৮ বছৰ তলৰ ৰাষ্ট্ৰীয় চেম্পিয়ন আছিল। এগৰাকী চিকিৎসকৰ পুত্ৰ এই খেলুৱৈ গৰাকী ১৯৮৮ চনত মাদ্ৰাছৰ BAT লৈ নিৰ্বাচিত হৈছিল। ১৯৯২ চনত তেওঁ মেনিলালৈ গৈছিল বিশ্ব যুব কাপ খেলিবলৈ। কোন আছিল এই খেলুৱৈ?

সুশান দাস (চৌধুৰী)

৯) ৰাষ্ট্ৰীয় জুনিয়ৰ টেনিছ প্ৰতিযোগিতা অসমত প্ৰথম কেতিয়া হৈছিল?

১০) সদৌ অসম টেনিছ সংস্থা কেতিয়া গঠন হৈছিল? প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?

১১) প্ৰথম ৰাজ্যিক টেনিছ চেম্পিয়নশ্বিপ কেতিয়া ক'ত অনুষ্ঠিত হৈছিল?

১২) পুৰুষ শাখাত প্ৰথম ৰাজ্যিক চেম্পিয়নৰ সন্মান কোনে লাভ কৰিছিল?

১৩) তেওঁৰ ককাক ৰাজ্যৰ প্ৰথম চেম্পিয়ন আছিল। সেই নাতিয়েকে ১৯৯৫ চনত জাকাৰ্টালৈ বিশ্ব যুব কাপ খেলিবলৈ গৈছিল। সেইবাৰেই ১৬ বছৰৰ তলৰ এছিয়ান দলৰ হৈ ইটালী আৰু ফ্ৰান্সলৈও খেলিবলৈ গৈছিল। নাতি আৰু ককা কোন আছিল?

১৪) তেওঁ অসম লন টেনিছ সংস্থাৰ প্ৰতিষ্ঠাপক সম্পাদক পাৰ্বতী কুমাৰ গোস্বামীৰ পুত্ৰ। ১৯৭৪ চনত ৰাষ্ট্ৰীয় ছিনিয়ৰ টেনিছত বিজয়ী হৈছিল। পিচলৈ তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰত স্থায়ীকৈ থাকিবলৈ লয়। কোন তেওঁ?

১৫) এছিয়ান গেমছ খেলা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন আছিল?

১৬) সুশান দাস চৌধুৰীৰ পিচত ভাৰতীয় টেনিছ দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী মহিলা খেলুৱৈ কোন?

❖❖❖

GAUHATI TOWN CLUB

Estd: 1906

JUDGE FIELD, GUWAHATI-781001
web : gauhatitownclub.com
email : gauhatitownclub@gmail.com
Tell/Fax : 0361-2737844

Gauhati Town Club, a sports club and a century old Social Institution of repute, actively pursues a Youth Development Programme in sports with :

GTC FOOTBALL ACADEMY :

30 young boys from N.E.Region are being trained under 2 foreign coach/physical trainers & technical staff and groomed with residential facilities .

GTC CRICKET CENTRE FOR EXCELLENCE:

120 young boys are being trained under 6 NCA Qualified Coach by following a long term programme. A collaboration is being planned with a UK-based Cricket Coaching Centre for advance training and exchange programmes/tours.

GTC CHESS FOUNDATION :

40 boys & girls are provided with coaching under well qualified coaches.

GTC SWIMMING CENTRE :

More than 150 young kids and children are being trained under professional swimming coaches and trainers.

GTC KICK-BOXING CENTRE :

20 young boys are being trained in this upcoming and popular martial arts form.

The Club runs the following annual sports events :

GTC Challenge Trophy Football Tournament
Ramesh Barooah Trophy Cricket Tournament.
GTC Cricket Sixes for Corporates/Institutions.
GTC Media Cup in cricket for media persons/houses.
GTC Inter Academy (U-14) Cricket Tournament.
All Assam Inter School Chess Tournament
GTC Sports QUIZ, Freedom Cup Football and many more.

Apart from holding regular social /cultural events, the Club also provides

1. 250 seats capacity **GTC Auditorium** with HD projection & acoustics for events
2. **Swimming Pool & Jacuzzi** for training and recreational swimming.
3. 30 seats **Coffee Lounge** and 75 seats **Restaurant 'Corner-Kick'.**
4. **Gym** with modern equipment with qualified trainers and aerobics.
5. **Indoor Games Hall with Billiards, Snooker, Table Tennis .**
6. **Pool side & Roof-top Event venue.**

Gauhati Town Club : SPORTS - OUR PASSION
EXCELLING .....
...the goal!...

টেনিছ ঃ উত্তৰ



বিদ্যুৎ গোস্বামী

১) বিদ্যুৎ গোস্বামী।

২) সুশান দাস (চৌধুৰী)।

৩) সুশান দাস (চৌধুৰী), ১৯৭৩ চনত।

৪) ১৯৮৪ চনত; গুৱাহাটীত।

৫) অসম। দলটোত আছিল মৃদুল চৌধুৰী, চিৰঞ্জীৱ বৰুৱা, সিদ্ধাৰ্থ ভূএগ, হাছান আলী বৰভূএগ আৰু জুবিন জামান।

৬) ১৯৮৬ চনত। গান্ধীনগৰত হোৱা তৃতীয় বৰ্ষৰ প্ৰতিযোগিতাত অসম জয়ী হৈছিল। দলত আছিল সুকন্যা চৌধুৰী, জীনা বৰদলৈ, তাপসী দাস আৰু মঞ্জুলা আগৰৱালা।

৭) ১৯৬৮ চনৰ। ভাৰত আৰু চীলনৰ (এতিয়াৰ শ্ৰীলংকা) মাজত খেল হৈছিল। ভাৰত ৩-২ ব্যৱধানত জয়ী হৈছিল। জয়দীপ মুখাৰ্জী, ছেম মিনোত্ৰা, আনন্দ অমৃতৰাজ আৰু গৌৰৱ মিশ্ৰ ভাৰতীয় দলত আছিল। হাতৰ আঘাতৰ বাবে প্ৰেমজিৎ লাল আহিব পৰা নাছিল।

৮) অনিৰ্বাণ বৰুৱা।

৯) ১৯৭৫ চনত। সেইবাৰ ৰমেশ কৃষ্ণণ, নন্দন বালো আহিছিল।

১০) ১৯৫৭ চনত। সভাপতি আৰু সম্পাদক আছিল ক্ৰমে হিৰণ্য কুমাৰ ভূএগ আৰু পাৰ্বতী কুমাৰ গোস্বামী।

১১) ১৯৫৮ চনত; গুৱাহাটীত।

১২) শিলচৰৰ জে চি দাসগুপ্তই। ডাবলছত বিজয়ী আছিল বিবেকানন্দ ভৰালী আৰু প্ৰেমধৰ চৌধুৰী।

১৩) প্ৰেমধৰ চৌধুৰী আৰু ভাস্কৰ চৌধুৰী।

১৪) বিদ্যুৎ গোস্বামী।

১৫) বিদ্যুৎ গোস্বামী। ১৯৭৮ চনত তেওঁ গৈছিল টেহৰান এছিয়ান গেমছ খেলিবলৈ।

১৬) সুকন্যা চৌধুৰী। ১৯৮৪ চনত প্ৰথমবাৰ সুকন্যাই ভাৰতীয় জুনিয়ৰ দলৰ হৈ জাপানলৈ গৈছিল।

❖❖❖

সানমিহলি ঃ প্ৰশ্ন

দীপান্বিতা দাস

১) ২০০১, ২০০২ আৰু ২০০৭ চনত ক্ৰমে পঞ্জাব, হাইদৰাবাদ আৰু গুৱাহাটীত হোৱা ৩১, ৩২ আৰু ৩৩ তম ৰাষ্ট্ৰীয় ক্ৰীড়াত ক্ৰমাগতভাৱে স্বৰ্ণপদক জিকা অসমৰ কৃতী টাইকোৱানণ্ডো খেলুৱৈগৰাকী কোন?

২) এছিয়ান গেমছৰ টাইকোৱাণ্ডোত ভাগ লোৱা এই পৰ্যন্ত অসমৰ একমাত্ৰ খেলুৱৈগৰাকী কোন?

এলভিছ আলি হাজৰিকা

৩) ১৯৯৩ (জামছেদপুৰ) চনৰ পৰা ২০০০ (মুম্বাই) পৰ্যন্ত একেলেঠাৰীয়ে আঠবাৰ টাইকোৱাণ্ডোৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ নিজা শাখাত সোণৰ পদক লাভেৰে অভিলেখ গঢ়া খেলুৱৈগৰাকী কোন?

৪) ৰাষ্ট্ৰীয় টাইকোৱাণ্ডো বুলিয়েই নহয়, ৰাষ্ট্ৰীয় ক্ৰীড়াৰ (National Games) ইতিহাসত প্ৰথমবাৰলৈ সোণৰ পদক পোৱা অসমৰ এইগৰাকী খেলুৱৈ কোন আছিল?

প্ৰফুল্ল গগৈ

৫) ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয় কেতিয়া গঠিত হৈছিল?

৬) প্ৰথমজন ক্ৰীড়া সঞ্চালক কোন আছিল?

৭) ৰাজ্যিক ভিত্তিত ক্ৰীড়া পেঞ্চন দিয়াৰ প্ৰথা কেতিয়া আৰম্ভ হয়?

৮) ১৯৮৬ চনৰ ছিউল এছিয়াডত ৰাইফল শুটিঙত

অসমৰ কোনে কি পদক লাভ কৰিছিল?



নীলিময় চৌধুৰী

৯) চল্লিছৰ দশকত প্ৰচলিত শক্তিমেলা বন্ধ হৈ ৰোৱাৰ ৪৫ বছৰৰ পিছত পুনৰ ১৯৮৭ চনত এই মেলা অনুষ্ঠিত হৈছিল। ক'ত হৈছিল এই শক্তিমেলা?

১০) ১৯৮৭ চনত পুনৰ অনুষ্ঠিত শক্তিমেলাৰ আয়োজক কোন আছিল?

১১) ১৯৮৭ চনত হোৱা শক্তিমেলাত শৰীৰ-চৰ্চাৰ শ্ৰেষ্ঠ সন্মান অৰ্থাৎ কাজিৰঙাশ্ৰী সন্মান কোনে পাইছিল?

ৰুণু স্বৰ্গীয়াৰী

১২) অসমত ৰাজ্যিক গ্ৰাম্য ক্ৰীড়া কেতিয়াৰ পৰা হৈছে?

১৩) অসম হকী সন্থা কেতিয়া গঠন হয়?

১৪) প্ৰথম আন্তঃ জিলা হকী কেতিয়া হয়? সেইবাৰৰ বিজয়ী কোন আছিল?

১৫) প্ৰথম অসম শক্তিমেলা কেতিয়া হৈছিল?

১৬) অসম কাবাডি সন্থা কেতিয়া গঠন হয়?

১৭) সৰ্বভাৰতীয় কাবাডিত অসমে এই পৰ্যন্ত মাত্ৰ এবাৰেই সোণৰ পদক লাভ কৰিছে। ক'ত কেতিয়া কোনটো দলে এই সাফল্য পাইছিল?

১৮) অসম টাইকোৱানডো সন্থা কেতিয়া গঠন হয়?

১৯) প্ৰথমবাৰলৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাস্কেটবলত অসম কেতিয়া ক'ত বিজয়ী হৈছিল?

২০) অসম বাস্কেটবল সন্থা কেতিয়া গঠন হৈছিল?

মিঠু বৰুৱা

২১) সৰ্বভাৰতীয় টাইকোৱানডোত অসমৰ হৈ কোনে প্ৰথম কি পদক লাভ কৰিছিল?

২২) অসম জিমনাষ্টিকছ সন্থা কেতিয়া গঠন হয়?

২৩) ৰাষ্ট্ৰীয় পৰ্যায়ৰ জিমনাষ্টিকত অসমৰ হৈ কোনে কেতিয়া প্ৰথমটো পদক লাভ কৰিছিল?

২৪) মহাৰাণা ক্লাবৰ জন্ম কেতিয়া হয়?

২৫) গুৱাহাটীত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ স্প'ৰ্টছ হোষ্টেলটো কেতিয়া উদ্বোধন কৰা হয়?

২৬) অসমত ফ্লাড লাইটৰ তলত কেতিয়া প্ৰথমখন আগশাৰীৰ কি খেল হৈছিল?

২৭) অসম চাইকেল ক্ৰীড়া সন্থা কেতিয়া ক'ত গঠন হৈছিল?

২৮) ভাৰতীয় ভলীবল দলত স্থান পোৱা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

ঘনজ্যোতি দাস

২৯) অসম ভলীবল সন্থা কেতিয়া গঠন হয়?

৩০) জুডোত ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বৰ্ণপদক পোৱা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

৩১) কোনজন মুখ্যমন্ত্ৰীয়ে অসমৰ এগৰাকী খেলুৱৈক কি সাফল্যৰ বাবে প্ৰথমবাৰলৈ মাৰুতী গাড়ী উপহাৰ দিছিল?

৩২) অসম চাহ ক্ৰীড়া নিয়ন্ত্ৰণ পৰিষদ কেতিয়া গঠন হয়?
৩৩) ভাৰতীয় হেণ্ডবল দলত খেলা অসমৰ প্ৰথম খেলুৱৈ কোন?
৩৪) ভাতৃ আৰু জ্যেষ্ঠ ভগ্নী তেওঁলোক। দুয়ো ইনডৰ গেমছৰ, একাধিক বাৰ, খেলিছে ভাৰতীয় দলত। কোন আছিল তেওঁলোক?
৩৫) এতিয়াৰ কনকলতা ইনডৰ হলটো কেতিয়া মুকলি কৰা হয়?
৩৬) সেই ষ্টেডিয়ামত হোৱা প্ৰথমখন প্ৰতিযোগিতা কি আছিল?
৩৭) অসম মহিলা হকী সন্থা কেতিয়া গঠন হৈছিল?
৩৮) ৰাষ্ট্ৰীয় চাইক্লিঙত সোণৰ পদক লাভ কৰা অসমৰ প্ৰথম খেলুৱৈ কোন?
৩৯) ৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্সিঙত পদক অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?


শিৱ থাপা

৪০) ৰাষ্ট্ৰীয় সাঁতোৰত অসমৰ হৈ প্ৰথম কোনে পদক লাভ কৰিছিল?
৪১) ভাৰতীয় বক্সিং দলৰ মেনেজাৰ হোৱা প্ৰথমগৰাকী অসমীয়া কোন?
৪২) কোন অসমীয়াই ১৯৯০ চনত মুম্বাইত হোৱা বিশ্ব বক্সিং প্ৰতিযোগিতাত ৰেফাৰীং কৰিছিল।
৪৩) ১৯৬৪ চনত গঠিত ৰাজ্যিক ক্ৰীড়া আৰু শাৰীৰিক শিক্ষা

ছাব জুনিয়ৰ হেণ্ডবলৰ ৰাষ্ট্ৰীয় বিজয়ী অসম দল (১৯৯৫)

সঞ্চালকালয়ৰ প্ৰথমগৰাকী সঞ্চালক কোন আছিল?
৪৪) হেণ্ডবলত অসমে প্ৰথমবাৰলৈ কেতিয়া ৰাষ্ট্ৰীয় চেম্পিয়নৰ সন্মান পাইছিল?
৪৫) ৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্সিঙত অসমৰ হৈ কোনে প্ৰথম সোণৰ পদক পাইছিল?

প্ৰণামিকা বৰা

৪৬) প্ৰথম আন্তঃজিলা কাবাডি প্ৰতিযোগিতা কেতিয়া ক'ত হৈছিল?
৪৭) প্ৰথম আন্তঃজিলা কাবাডিত কোন বিজয়ী আছিল? সেইবাৰ মুঠতে দল কেইটা আছিল?
৪৮) অসমত ৰাষ্ট্ৰীয় পৰ্যায়ৰ হেণ্ডবল প্ৰতিযোগিতা প্ৰথম কেতিয়া হৈছিল?
৪৯) অসমত ক'ত মহিলা ভলীবলৰ প্ৰথম আনুষ্ঠানিক প্ৰশিক্ষণ আৰম্ভ হয়?

lme 3
akha

৫০) অসমত আন্তঃ কলেজ পৰ্যায়ত কেতিয়া প্ৰথম মহিলা এথেলেটিকছত অন্তৰ্ভুক্ত কৰা হয়?

প্ৰতিমা বড়ো

৫১) ১৯৫৪-৫৫ চনত আন্তঃ কলেজ ক্ৰীড়াৰ এথলেটিকছত হাফপেণ্ট পিন্ধি তেওঁ আলোড়ন তুলিছিল। পৰৱৰ্তী কালত তেওঁ সাংসদ আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্যা হয়গৈ। কোন আছিল তেওঁ?

৫২) ৰাষ্ট্ৰীয় পৰ্যায়ৰ জুডোত অসমৰ প্ৰথম যোগদান কেতিয়া আৰু ক'ত?

৫৩) ৰাষ্ট্ৰীয় পৰ্যায়ৰ জুডোত অসমৰ হৈ কোনে প্ৰথমটো পদক লাভ কৰিছিল?

৫৪) ১৯৮৮ চনত হোৱা ৰাষ্ট্ৰীয় সাঁতোৰৰ ১০০ মিটাৰ বেক ষ্ট্ৰোকত প্ৰথম হোৱা এই গৰাকী সাঁতোৰবিদে পিছলৈ কথাছবিৰ নায়িকা হৈছিলগৈ। খেলুৱৈগৰাকী কোন আৰু কি আছিল তেওঁৰ প্ৰথমখন কথাছবিৰ নাম?

৫৫) অসমত কেতিয়া প্ৰথম সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়া ক'ত অনুষ্ঠিত হৈছিল?

চাওবা দেৱী

৫৬) প্ৰথম উজনি অসম স্কুল ক্ৰীড়া কেতিয়া ক'ত হৈছিল?

৫৭) গুৱাহাটীৰ জাকিৰ হুছেইন স্মৃতি জিমনেছিয়াম হলটো কেতিয়া কোনে মুকলি কৰে?

৫৮) গুৱাহাটীৰ নেহৰু ষ্টেডিয়াম প্ৰকল্পৰ বিমলা প্ৰসাদ চলিহা চুইমিং পুলটো কেতিয়া কোনে মুকলি কৰে?

৫৯) ১৯৭৬ চনত ছাৰ্ভিচেজৰ পৰা অৱসৰ লোৱাৰ পিছত ভোগেশ্বৰ বৰুৱাই অ'-এন-জি-চিত চাকৰি পায়। আঞ্চলিক ক্ৰীড়া বিষয়া হিচাপে অৱসৰ লোৱাৰ আগেয়ে পোনতে তেওঁ কি হিচাপে নিযুক্তি লাভ কৰিছিল?

২০০৯ চনত কোৱালালামপুৰত অনুষ্ঠিত ১৯ বছৰ অনুৰ্দ্ধ এ এফ চি কোৱালিফায়িং ফুটবলত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা পল্লৱীতা বৰা, ৰুমিলা কল, সবিতা নাৰ্জাৰী, নৰ্মদা বসুমতাৰী

৬০) ১৯৮১ চনত প্ৰথমবাৰলৈ ৰাজ্যিক ক্ৰীড়া বিভাগে পাঁচগৰাকী ক্ৰীড়াবিদক ৰাজ্যিক বঁটাৰে সন্মানিত কৰিছিল। তেওঁলোকে কোন কোন আছিল?

৬১) ১৯৮৮ চনত ৰাজ্যিক ভিত্তিত আগবঢ়োৱা হয় লাচিত বঁটা। এবাৰ দিয়াৰ পিছত সেই প্ৰথাৰো বিলুপ্তি ঘটে। ১৯৮৮ চনত কোনে কোনে লাভ কৰিছিল লাচিত বঁটা?

ভুবনেশ্বৰ কলিতা

৬২) উত্তৰ পূব ক্ৰীড়া সমাৰোহ অসমত কেতিয়া প্ৰথম হৈছিল?

৬৩) ইম্ফলত হোৱা (১৯৮৭) প্ৰথমবাৰৰ উত্তৰ পূব ক্ৰীড়াত কোনে দ্ৰুততমা মহিলা

দৌৰবিদৰ সন্মান পাইছিল?

৬৪) ৰাজ্যিক ক্ৰীড়া পৰিষদ কেতিয়া গঠন হয়? প্ৰথম অধ্যক্ষ আৰু সচিব কোন আছিল?

বীৰেণ বৈশ্য

৬৫) একালৰ নাম কৰা ফুটবলাৰ। ভাৰতীয় দলতো খেলিছে। তেওঁৰ কন্যা ১৯৯৯ চনত বিজয়ৱাড়াত হোৱা ৰাষ্ট্ৰীয় বেডমিণ্টনৰ ১৪ বছৰৰ তলৰ শাখাত বিজয়ী হৈছে। কোন এই পিতৃ আৰু কন্যা?

৬৬) ১৯৫৫ চনত জানুৱাৰী মাহত হোৱা গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া সমাৰোহৰ সময়ত অসম ভলীবল সন্থাৰ তদৰ্থ সমিতি গঠন হৈছিল। তাত যিগৰাকীয়ে আহ্বায়কৰ দায়িত্ব পাইছিল, তেওঁৰ কন্যাই পিছলৈ ইনড'ৰ গেমছ এবিধত ভাৰতীয় দলৰ হৈ বিশ্ব প্ৰতিযোগিতাও খেলিছিল। কোন তেওঁলোক?

হিমাজ্যোতি গগৈ

৬৭) ১৯৯৬ চনত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰত অসমৰ কোনে তিনিটাকৈ মীট ৰেকৰ্ড প্ৰতিষ্ঠাৰে নটাকৈ স্বৰ্ণ পদক পাইছিল?

৬৮) ১৯৯৮ চনত কাঠমাণ্ডুত হোৱা ছাফ গেমছত কোন ইভেণ্টত কোন অসমীয়াই ব্ৰঞ্জৰ পদক লাভ কৰিছিল?

৬৯) ৰাজ্যিক হকী খেলুৱৈ এগৰাকী পিছলৈ সাংসদ হয়গৈ। কোন তেওঁ?

৭০) ১৯৮৮ চনত গুৱাহাটীত হোৱা উত্তৰ পূব ক্ৰীড়াত অলিম্পিক শিখা কোনে প্ৰজ্বলন কৰিছিল? তেওঁক কোনে সহায় কৰি দিছিল?

ফাবিহা জামান

৭১) ৰঞ্জি ট্ৰফী খেলা এগৰাকী অলৰাউণ্ডাৰৰ স্মৃতিত এখন স্কুল ক্ৰিকেট প্ৰতিযোগিতা ১৯৮৯ চনৰ পৰা আৰম্ভ হৈছে। কোন এই ক্ৰিকেটাৰ?

৭২) ইনড'ৰ ক্ৰিকেট অনুশীলনৰ সুবিধা অসমত ক'ত কেতিয়া প্ৰথম হৈছে?

৭৩) ৰাষ্ট্ৰীয় টাইকোৱানডোত অসমৰ হৈ প্ৰথম কোনে স্বৰ্ণ পদক পায়?

৭৪) অসম খো-খো সন্থা কেতিয়া গঠন হয়? কোন আছিল প্ৰথম সভাপতি আৰু সম্পাদক?

৭৫) গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামৰ উদ্বোধন কেতিয়া হৈছিল?

৭৬) ১৯০০ চনত তেওঁৰ জন্ম। পোনতে গুৱাহাটী টাউন ক্লাব, তাৰ পিছত সভাপতি হয়গৈ গুৱাহাটী ক্ৰীড়া সন্থা, অসম ফুটবল সন্থা, অসম হকী সন্থা আৰু অসম লন টেনিছ সন্থাৰ। গুৱাহাটীৰ নেহৰু ষ্টেডিয়াম নিৰ্মাণত আগভাগ লোৱা এই ক্ৰীড়া সংগঠকজন কোন আছিল?

৭৭) ভাৰতীয় ক্ৰিকেট দলৰ মেনেজাৰ হিচাপে গৈছিল শ্বৰজাহলৈ। অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক এই সংগঠকৰ পত্নী আছিল ৰাজ্যিক পৰ্যায়ৰ ভলীবল খেলুৱৈ (১৯৭০)। তেওঁলোকৰ কন্যাই আকৌ ইনড'ৰ গেমছ খেলে। ১৯৯৩ চনত বিজয়ৱাড়াত হোৱা ৰাষ্ট্ৰীয় বেডমিন্টনৰ মিনি ছাব জুনিয়ৰৰ ডাবলছত ৰানাৰ্ছ আপ হৈছিল। তেওঁলোক কোন?

৭৮) তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ ষ্টেডিয়াম কেতিয়া মুকলি কৰা হয়?

৭৯) মোহনবাগান দলৰ অধিনায়ক হোৱা কোন খেলুৱৈয়ে পিছত কেইবাখনো ছবিত অভিনয় কৰি সফল হৈছিল?

৮০) ভাৰতীয় বক্সিং দলত স্থান পোৱা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

৮১) ৰাষ্ট্ৰীয় দলৰ হৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পদক অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী বক্সাৰ কোন?

৮২) ১৯৭৩, ৭৫, ৭৭, ৭৯, ৮০ আৰু ৮২ চনত ভাৰতীয় দলত। তাৰ ভিতৰত ১৯৭৩ চনত মিষ্টাৰ এছিয়া প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক বিজয়ী, ১৯৭৩, ৭৭, ৭৮, ৮০ চনত মিষ্টাৰ ইণ্ডিয়া আৰু ১৯৭৬ চনত সামগ্ৰিকভাৱে মিষ্টাৰ ইণ্ডিয়াৰ সন্মান পোৱা কোন এই অসমীয়া শৰীৰ চৰ্চাবিদ?

৮৩) যোৰহাটৰ পৰা গুৱাহাটীলৈ তেওঁ আহিছিল উচ্চ শিক্ষাৰ বাবে। ১৯৫০ চনত তেওঁ গুৱাহাটী বিশ্ববিদালয়ৰ 'পি-জি ক্লাছেছ'ৰ সম্পাদক। ক্ৰমে তেওঁ নামি পৰে ক্ৰীড়া সংগঠনত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমটো ক্ৰিকেট দলৰ মেনেজাৰৰ পৰাই আৰম্ভ। পিছলৈ তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰেফাৰী, বিভিন্ন খেলৰ ৰাজ্যিক সংগঠনৰ সৈতে জড়িত হৈছিল। অৱসৰ লৈছিল ৰাজ্যিক ক্ৰীড়া পৰিষদৰ উপদেষ্টা হিচাপে। তেওঁ কোন?

৮৪) সৰুতে নাচিছিল বাৰুকৈয়ে। তাকে দেখি পিতৃ-মাতৃয়ে কলাৱন্ত সিঙৰ অধীনত কথক নৃত্য শিকাৰ ব্যৱস্থা কৰি দিলে। কিন্তু তেওঁ হ'লগৈ খেলুৱৈহে। ৰাষ্ট্ৰীয় চেম্পিয়নো হয়গৈ। কোন এই খেলুৱৈ, যাৰ নামৰ সৈতে আওপকীয়াকৈ জড়িত আছে বিশ্ববিখ্যাত শিল্পী লিঅ'নাৰ্ডো ডা ভিঞ্চিৰ নামটোও?

৮৫) এটা সময়ত এনেবোৰ খেল শক্তিমেলাৰহে অন্তৰ্ভুক্ত আছিল।

কিন্তু ১৯৯১ চনৰ ২০ নৱেম্বৰত গুৱাহাটীৰ জজ ফিল্ডত পতা হয় বিশেষ প্ৰদৰ্শনী হিচাপে। ১০০ ঘণ্টাৰ অবিৰাম খোজকঢ়া। কোন আছিল এই শক্তিশালী পুৰুষ?

৮৬) অসম আৰ্চাৰী সন্থা কেতিয়া গঠন হৈছিল?

৮৭) প্ৰথম আন্তঃ জিলা আৰ্চাৰী প্ৰতিযোগিতা কেতিয়া ক'ত হৈছিল?

৮৮) 'অসমৰ ক্ৰিকেট ইতিহাস' গ্ৰন্থখন কোনে লিখিছিল?

৮৯) অসমৰ প্ৰথম গৰাকী স্বীকৃত ক্ৰিকেট প্ৰশিক্ষক কোন?

৯০) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমটো ক্ৰিকেট দলকে ধৰি ৰঞ্জি ট্ৰফীতো খেলিছে। ফুটবলতো তেওঁ প্ৰতিনিধিত্ব কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয় দলক। স্প'ৰ্টিং ইউনিয়ন, ফ্ৰেণ্ডছ্ ইউনিয়নৰ হৈ গুৱাহাটী ফুটবল লীগতো অৱতীৰ্ণ হৈছে। পিছলৈ অসম ক্ৰিকেট সন্থাৰ সভাপতি আৰু ভাৰতীয় ক্ৰিকেট ব'ৰ্ডত জুনিয়ৰ নিৰ্বাচক সমিতিৰ সদস্যও হৈছিল প্ৰাক্তন এই ক্ৰীড়া সঞ্চালক। কোন আছিল তেওঁ?

কল্পনা চৌধুৰী

৯১) ১৯৮২ চনত নতুন দিল্লীত হোৱা নৱম এছিয়ান গেমছ আৰু ১৯৮৭ চনত হোৱা বিশ্ব ৰে'লৱে গেমছৰ খেল পৰিচালনা কৰা অসমৰ ভলীবল ৰেফাৰী গৰাকী কোন?

৯২) খেলুৱৈ সাংসদ এগৰাকীৰ ভাতৃ তেওঁ। ১৯৬৭, ৬৯, ৭০ আৰু ৭১ চনত তেওঁ খেলিছে ৰাজ্যিক ভলীবল দলত ক্ৰমে কলিকতা, উদয়পুৰ, জামছেদপুৰ আৰু গুৱাহাটী। ১৯৭২ চনত তেওঁ ৰাজ্যিক ফুটবল দলৰ হৈ সন্তোষ ট্ৰফীত খেলিছে। পিছলৈ এটা

জিলা ক্ৰীড়া সন্থাৰ সম্পাদকো হৈছিল। তেওঁ কোন?

৯৩) অসমৰ প্ৰথমখন ক্ৰীড়া বিজ্ঞান ভিত্তিক উপন্যাসখনৰ নাম কি? কোনে লিখিছিল এই উপন্যাস?

নৱনীতা সোণোৱাল

৯৪) হকীত তেওঁ ৰাজ্যিক দলৰ হৈ খেলিছে সৰ্বভাৰতীয় গ্ৰাম্য, স্কুল আৰু ছিনিয়ৰ দলত। ফুটবলত তেওঁ ৰাজ্যিক স্কুল, জুনিয়ৰ আৰু ছিনিয়ৰ দলৰ উপৰিও ভাৰতীয় দলতো খেলিছে। বিভাগীয় দলত তেওঁৰ পৰিচয় আকৌ ক্ৰিকেটাৰ হিচাপেও। পিছলৈ তেওঁ হয়গৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল ৰেফাৰী। কোন তেওঁ?

৯৫) এইজন ৰাজনীতিকৰ ক্ৰীড়া প্ৰেম আছিল অপৰিসীম। গুৱাহাটী টাউন ক্লাবৰো সভাপতি হোৱা এইগৰাকী ব্যক্তি পৰৱৰ্তী কালত অসম ক্ৰিকেট সন্থা আৰু পিছলৈ সৰ্বভাৰতীয় লন টেনিছ সন্থাৰো সভাপতি হৈছিলগৈ। কোন আছিল তেওঁ?

৯৬) ১৯৮৪ চনত প্ৰথম বাৰ্ষিক অভিৰুচি ক্ৰীড়া দিৱসৰ প্ৰথম কাৰ্যসূচী অৰ্থাৎ সামূহিক দৌৰৰ কোনে ফ্লেগ-অফ কৰিছিল?

৯৭) অন্ধ্ৰ প্ৰদেশ, ৰাজস্থান আৰু বংগৰ হৈ ৰাষ্ট্ৰীয় এথলেটিকছ খেলিয়েই প্ৰখ্যাত হৈ পৰিছিল অৰ্জুন বঁটা বিজয়ী কোন এই অসমীয়া এথলীট?

৯৮) ১৯৮৮ চনৰ মে' মাহত নতুন দিল্লীৰ জৱাহৰলাল নেহৰু

ষ্টেডিয়ামৰ চিকিৎসালয়ত অসমৰ এগৰাকী চেমনীয়া ফুটবলাৰৰ অকাল বিয়োগ ঘটে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ অধীনস্থ গোলাঘাটৰ বেজবৰুৱা স্কুলৰ ছাত্ৰ আছিল তেওঁ। চিকিৎসকৰ অৱহেলাৰ ফলতেই তেওঁৰ মৃত্যু ঘটিছিল বুলি অভিযোগ উঠিছিল। তেওঁ আছিল ৰাজ্যিক জুনিয়ৰ আৰু ছিনিয়ৰ দলৰ খেলুৱৈ নৱজ্যোতি তালুকদাৰৰ সমসাময়িক। খেলুৱৈগৰাকী কোন আৰু তেওঁৰ ঘৰ ক'ত আছিল?

৯৯) অসমত জিলা পৰ্যায়ৰ প্ৰথমটো সন্থা কেতিয়া গঠন হৈছিল?

১০০) ১৯৪৮ চনত অসম ক্ৰিকেট সন্থাত যিগৰাকী সম্পাদক আছিল, তেওঁ ১৯৫৯ চনত হৈছিল অসম ফুটবল সন্থাৰ সম্পাদক। ১৯৩৯ আৰু ১৯৪০ চনত আলীগড় মুছলীম বিশ্ববিদ্যালয়ৰ ফুটবল দলত খেলা কোন সেই নমস্য খেলুৱৈ আৰু সংগঠক?

১০১) ৰাষ্ট্ৰীয় ক্ৰীড়াৰ মহিলা বক্সিঙত অসমে প্ৰথমটো পদক পাইছিল ২০০০ চনত পঞ্জাবৰ বিভিন্ন কেন্দ্ৰত হোৱা সমাৰোহত। কোন আছিল সেইগৰাকী কৃতী বক্সাৰ?

১০২) এছিয়ান কেডেট বক্সিঙত অসমৰ হৈ প্ৰথমটো পদক কোনে, কেতিয়া লাভ কৰিছিল?

১০৩) উচ্চত ৰাষ্ট্ৰীয় দলক প্ৰতিনিধিত্ব কৰি আন্তৰ্জাতিক পদক লাভ কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন আছিল?

১০৪) সৰ্বভাৰতীয় স্কুল ক্ৰীড়াত ছোৱালীৰ বক্সিং অন্তৰ্ভুক্ত হৈছিল ২০০২ চনত। সেইবাৰৰ খেল হৈছিল অসমতে (গুৱাহাটীত)। তাত সোণৰ পদক লাভ কৰা অসমৰ প্ৰথমগৰাকী বক্সাৰ কোন আছিল?

১০৫) আন্তৰ্জাতিক মহিলা বক্সিঙত পদক অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন? তেওঁ ক'ত, কেতিয়া আৰু কি পদক পাইছিল?

১০৬) অসম ৰাইফল আৰু শ্বুটিং সন্থা কেতিয়া গঠন হৈছিল? কোন

আছিল ইয়াৰ প্ৰথম সভাপতি আৰু সম্পাদক?

১০৭) জুডোত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন আছিল?

এলেন দেউৰী

১০৮) অসম নেটবল সস্থা কেতিয়া গঠন হৈছিল আৰু ইয়াৰ প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?

১০৯) ভাৰতীয় নেটবল দলত প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

১১০) অসম ছেপাক টাকৰ' সস্থা কেতিয়া গঠন হৈছিল আৰু প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?

১১১) ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী আৰ্চাৰ কোন?

১১২) ভাৰতীয় চাইক্লিং দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

১১৩) ১৯৮৮ চনত অসমৰ এই সংগঠকগৰাকী যি সময়ত ভাৰতীয় অলিম্পিক সংস্থাৰ উপ-সভাপতি আছিল, সেই চনতে দক্ষিণ কোৰিয়াৰ চিউলত হোৱা অলিম্পিক ক্ৰীড়ালৈ তেওঁ ভাৰতীয় দলৰ ডেপুটী চীফ-ডে-মিছন হিচাপে গৈছিল। সংগঠকগৰাকী কোন?

১১৪) আৰ্চাৰীত বিশ্ব প্ৰতিযোগিতাত ভাৰতৰ হৈ প্ৰথমবাৰলৈ সোণৰ পদক অৰ্জন কৰা খেলুৱৈগৰাকী কোন? তেওঁ কেতিয়া, ক'ত সেই সাফল্য লাভ কৰিছিল?

১১৫) ১৯৮৬ চনৰ পৰা ১৯৮৮ চনলৈকে তিনিবাৰ তেওঁ ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ সাঁতোৰৰ 'অভাৰঅল' চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। পৰৱৰ্তী কালত তেৱেঁই হৈ ৰয় অসমৰ প্ৰথমগৰাকী সাঁতোৰবিদত, যিয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰে। ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী কোন খেলুৱৈৰ কথা কৈছো বাৰু?

১১৬) ভাৰতীয় সাঁতোৰ দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী পুৰুষ / ল'ৰা খেলুৱৈ কোন?

১১৭) ১৯৯৯ চনত কাঠমাণ্ডুত হোৱা ছাফ গেমছৰ সাঁতোৰত অসমৰ কোনে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰাৰ বছৰতে জন্ম হৈছিল অসমৰ এইগৰাকী সাঁতোৰবিদৰ। বেক ষ্ট্ৰোকৰ ৰাণী আখ্যা পোৱা সাঁতোৰবিদগৰাকীয়ে ২০০৬ চনত কলম্বোত হোৱা ছাউথ এছিয়ান গেমছত ৫০,১০০ আৰু ২০০ মিটাৰ বেকষ্ট্ৰোকৰ লগতে ৪×১০০ মিটাৰ মেডলী ৰীলেত সোণৰ পদক লাভ কৰিছিল। কাৰ কথা কৈছো বাৰু?

১১৮) ১৯৯৩ চনত জামছেদপুৰত হোৱা ৰাষ্ট্ৰীয় টাইকোৱাণ্ডো চেম্পিয়নশ্বিপৰ পৰা ২০০১ চনত কলকাতাত হোৱা প্ৰতিযোগিতা পৰ্যন্ত একে লেঠাৰীয়ে তেওঁ নিজা গ্ৰুপত সোণৰ পদক অৰ্জন কৰিছিল। অভিলেখ সৃষ্টিকাৰী সেই টাইকোৱাণ্ডো খেলুৱৈগৰাকী কোন?

১১৯) ১৯৮০ চনত মহাৰাষ্ট্ৰৰ কোলহাপুৰত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ শ্যুটিং প্ৰতিযোগিতাত পাঁচটাকৈ ইভেণ্টত সোণৰ পদক লাভ কৰা অসমৰ এই কৃতী শ্যুটাৰগৰাকীক দেখা গ'ল ১৯৮২ চনৰ নতুন দিল্লী আৰু ১৯৮৬ চনত ছিউলত হোৱা এছিয়ান গেমছত। দ্বিতীয়খন প্ৰতিযোগিতাত তেওঁ দলগতভাৱে ২২ স্টেণ্ডাৰ্ড ৰাইফল-থ্ৰী পজিছনত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ১৯৯০ চনত অকলেণ্ড (নিউজিলেণ্ড)ত হোৱা কমনৱেলথ গেমছতো ভাৰতীয়

Shot on realme 3
By The Gorakha

উদ্বোধনী বৰ্ষৰ লাচিত বঁটাৰ বিজয়ী সকল

দলৰ হৈ খেলা শুটাৰ গৰাকী কোন বাৰু; যিজনে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল হাফলঙত?

১২০) টাইকোৱাণ্ডোত এছিয়ান গেমছ খেলা অসমৰ প্ৰথমগৰাকী খেলুৱৈজন কোন?

১২১) অসমৰ এগৰাকী কৃতী টাইকোৱাণ্ডো খেলুৱৈৰ কথা কৈছো। ১৯৯৯ চনত তেওঁ কাঠমাণ্ডুত হোৱা অষ্টম দক্ষিণ এছিয়া ফেডাৰেছন গেমছত (ছাফ) সোণৰ পদক জিকিছিল। সেই একেজন খেলুৱৈয়েই আকৌ ১৯৯৯ চনত ইম্ফল, ২০০১ চনত পঞ্জাব, ২০০২ চনত হায়দৰাবাদ আৰু ২০০৭ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াত নিজা বিভাগত সোণৰ পদক অৰ্জনেৰে শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছিল। খেলুৱৈগৰাকী কোন?

১২২) ২০০১ চনত দক্ষিণ কোৰিয়া আৰু ২০০৩ চনত জাৰ্মানীত হোৱা বিশ্ব টাইকোৱাণ্ডোত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ এই খেলুৱৈগৰাকীয়ে ২০০৬ চনত লণ্ডনত হোৱা বৃটিছ অপেন চেম্পিয়নশ্বীপত সোণৰ পদক লাভ কৰিছিল। যোৰহাটৰ শদিয়াল

গাঁৱত জন্ম গ্ৰহণ কৰা কোনগৰাকী খেলুৱৈৰ কথা কোৱা হৈছে বাৰু?

১২৩) V H Lawrence, Achievment as a short story writer : A thematic Study. এই শীৰ্ষক গৱেষণা-পত্ৰৰে ১৯৯৭ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। ১৯৭৩ চনত ৰাষ্ট্ৰীয় টেবুল টেনিছৰ পদ্মাৱতী ট্ৰফীত বিজয়ী হোৱা অসমৰ ছোৱালী দলটোৰ সেই গুৰুত্বপূৰ্ণ সদস্যগৰাকী কোন বাৰু?

অভিজিৎ ভট্টাচাৰ্য

১২৩) ১৯৭৫ চনৰ পৰা ১৯৭৯ চনলৈ একেৰাহে পাঁচবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ পদ্মাৱতী ট্ৰফীত অসম বিজয়ী হওঁতে তেওঁ আছিল গুৰুত্বপূৰ্ণ খেলুৱৈ। অৰ্জুন বঁটা বিজয়ী সেই খেলুৱৈগৰাকী কোন বাৰু, যাৰ নামৰ সৈতে এগৰাকী বিশ্বখ্যাত শিল্পীৰ সংযোগ আছে?

১২৪) ২০১০ চনৰ কথা। অসমৰ এগৰাকী ক্ৰীড়া সংগঠকে ছিংগাপুৰত হোৱা উদ্বোধনী বৰ্ষৰ যুৱ অলিম্পিকলৈ ভাৰতীয় দলৰ চীফ-ডে মিছন হিচাপে গৈছিল। অসমৰ এই প্ৰাক্তন ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে একেটা বছৰতে দক্ষিণ এছিয়াৰ ফেন্সিং ফেডাৰেচনৰ প্ৰতিস্থাপক সভাপতি হোৱাৰ কৃতিত্বও অৰ্জন কৰে। তেওঁ কোন?

১২৫) ২০১০ চনত ভিয়েটনামৰ হেনয়ত হোৱা এছিয়ান ইনড'ৰ ক্ৰীড়ালৈ ভাৰতীয় দলৰ চীফ ডে মিছন হিচাপে নিৰ্বাচিত হৈছিল তেওঁ। যিকোনো ভাৰতীয় দলত সেই পদত নিযুক্ত হোৱা তেৰেই

হ'ল প্ৰথমগৰাকী অসমীয়া ক্ৰীড়া সংগঠক। আন এটা ক্লু। সেই সময়ত তেওঁ ভাৰতীয় অলিম্পিক সন্থাৰ উপ-সভাপতিৰ লগতে ভাৰতীয় ভাৰ উত্তোলন সন্থাৰ সভাপতি পদতো বিৰাজমান। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, এই ক্ৰীড়া সংগঠকগৰাকী কোন বাৰু?

ভব গোস্বামী

১২৬) ভাৰতীয় অলিম্পিক সন্থাত দীৰ্ঘদিন ধৰি সভাপতি হিচাপে থকা এই ক্ৰীড়া সংগঠক-ৰাজনীতিকগৰাকীৰ বাবে ২০১০ চনটো নিশ্চয় স্মৰণীয় হ'ব। কিয়নো সেইবাৰ নতুন দিল্লীত হোৱা কমনৱেলথ ক্ৰীড়াত তেওঁৰ কান্ধতেই ন্যস্ত হৈছিল ভাৰতীয় দলৰ চীফ ডে মিছনৰ গুৰু দায়িত্ব। কাৰ কথা কৈছো বাৰু?

কমনৱেলথ ক্ৰীড়াৰ (নতুন দিল্লী, ২০১১) ভাৰ উত্তোলনত স্বৰ্ণপদক বিজয়ী ৰেণুবালাক নগদ ধনেৰে পুৰস্কৃত কৰিছে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে (২০১১)। কাষত ছাত্ৰ আৰু যুৱ কল্যাণৰ ৰাজ্যিক পৰ্যায়ৰ উপদেষ্টা সমিতিৰ তৎকালিন সদস্য-সচিব ৰেকিবুদ্দিন আহমেদ

১২৭) ১৯৯৯ চনত কাঠমাণ্ডুত আৰু ২০০১ চনত ইছলামাবাদত হোৱা ছাফ গেমছ, ২০০২ চনত দক্ষিণ কোৰিয়াৰ বুছানত হোৱা এছিয়ান গেমছত ভাৰতীয় ভলীবল দলত খেলাৰ বাদে ২০০৫ চনত এতিয়াৰ চেন্নাইত তেওঁৰ নেতৃত্বতে ভাৰতীয় দলে বিশ্ব কাপৰ কোৱালিফাইং প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত এবাৰমাত্ৰ নিজ ৰাজ্যক প্ৰতিনিধিত্ব কৰা এই কৃতী অসম সন্তানগৰাকীয়ে অন্ধ্ৰ প্ৰদেশ,উত্তৰ প্ৰদেশ আৰু উত্তৰাঞ্চলক প্ৰতিনিধিত্ব কৰিছে। খেলুৱৈগৰাকী কোন?

১২৮) এছিয়ান গেমছ খেলা অসমৰ প্ৰথমগৰাকী টাইকোৱাণ্ডো খেলুৱৈ কোন?

১২৯) তেওঁৰ আচল ঘৰ উত্তৰাখণ্ডত। কিন্তু টাইকোৱাণ্ডো খেলুৱৈ হিচাপে তেওঁৰ অধিক উত্তৰণ ঘটে অসমক প্ৰতিনিধিত্ব কৰাৰ পিছত। ২০০২ চনত বুছানত হোৱা এছিয়ান গেমছত লাভ কৰে ব্ৰঞ্জৰ পদক। ২০০৭ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াতো সোণৰ পদক লাভ কৰা কৃতী কোন খেলুৱৈৰ কথা কোৱা হৈছে বাৰু?

১৩০) ৰাষ্ট্ৰীয় ছিনিয়ৰ বক্সিঙত অসমৰ কোনে প্ৰথমটো সোণৰ পদক লাভ কৰিছিল?

❖❖❖

সানমিহলি ঃ উত্তৰ

১) পৰন শইকীয়া।

২) পৰন শইকীয়া। ২০০২ চনৰ ২৯ ছেপ্টেম্বৰৰ পৰা ১৪ অক্টোবৰলৈ দক্ষিণ কোৰিয়াৰ বুছানত হোৱা এছিয়ান গেমছলৈ তেওঁ ভাৰতীয় দলত নিৰ্বাচন লাভ কৰিছিল।

৩) পৰন শইকীয়া।

ক্ৰিকেটাৰৰ ৰূপত দীনেশ গোস্বামী

৪) শ্যাম ৰাজখোৱা, পুনে গেমছৰ (১৯৯৩) হেভীৱেট শাখাত।

৫) ১৯৭৭ চনৰ ২২ মাৰ্চত।

৬) ভূপেন্দ্ৰ নাথ বৰুৱা।

৭) ১৯৮৩ চনৰ পৰা (১৫ আগষ্টত তালিকা ঘোষিত হয়)।

৮) জয়দীপ দাসে। ২২ ব'ৰ ৰাইফলত ব্ৰঞ্জৰ পদক পাইছিল। উল্লেখ্য, আন্তৰ্জাতিক পৰ্যায়ৰ শ্যুটিঙত ভাৰতৰ এইটোৱেই প্ৰথম পদক আছিল।

৯) গোলাঘাটত।

১০) ৰাজ্যিক ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়।

১১) বিজয় সন্দিকৈয়ে।

১২) ১৯৭৩ চনৰ পৰা। সৰ্বভাৰতীয় পৰ্যায়ৰ গ্ৰাম্য ক্ৰীড়া ১৯৭১ চনৰ পৰা হৈছে।

১৩) ১৯৫৫ চনত।

১৪) ১৯৫৭ চনত। মণিপুৰ বিজয়ী হৈছিল।

১৫) ১৯৩৪ চনৰ ২৩-২৪ এপ্ৰিলত যোৰহাটত।

১৬) ১৯৭৭ চনৰ ১ মে'ত।

১৭) ১৯৮৭ চনৰ ১৬-১৯ জানুৱাৰীত গুৱাহাটীত হোৱা সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াত ছোৱালী দলে স্বৰ্ণপদক পাইছিল।

১৮) ১৯৮২ চনৰ ১০ আগষ্টত।

১৯) ১৯৯৬-৯৭ চনত পণ্ডিচেৰীত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ বাস্কেটবলত ল'ৰাৰ দলটোৱে। ফাইনেলত তেওঁলোকে দুই পইন্টৰ ব্যৱধানত পঞ্জাবক হৰুৱাইছিল।

২০) ১৯৭৫ চনত।

২১) ১৯৮৩ চনৰ ২৬-২৮ ফেব্ৰুৱাৰীত নতুন দিল্লীত হোৱা চতুৰ্থ ৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতাত বীৰেন সিঙে ৱেল্টাৰ ৱেট শাখাত ব্ৰঞ্জৰ পদক পাইছিল।

২২) ১৯৯১ চনত।

২৩) চণ্ডিগড়ত হোৱা ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ ফ্ল'ৰ এক্সাৰছাইজত ঘনজ্যোতি দাসে অসমৰ প্ৰথম স্বৰ্ণপদক পাইছিল।

২৪) ১৯০৭ চনত।

২৫) ১৯৮৭ চনৰ ৩০ মাৰ্চত। প্ৰথমতে হোষ্টেল দিছপুৰৰ ৰুদ্ৰ সিংহ ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈছিল।

২৬) ১৯৭৯ চনত গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰতিযোগিতা। খেলবোৰ আছিল ফুটবল, ভলীবল, টেবুল টেনিছ, কাবাডি আৰু খো-খো।

২৭) ১৯৮৮ চনৰ ২০ ফেব্ৰুৱাৰীত, শিৱসাগৰৰ ৰুদ্ৰসাগৰত। সভাপতি আৰু সম্পাদক আছিল ক্ৰমে প্ৰদীপ গগৈ আৰু বিকাশ ভাগৱতী।

২৮) অভিজিৎ ভট্টাচাৰ্য। ১৯৯৬ চনত মাকাওত হোৱা উদ্বোধনী বৰ্ষৰ এছিয়ান স্কুল ভলীবলত তেওঁ ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল। তাত অভিজিতে ব্লকিঙত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰিছিল।

২৯) ১৯৬১ চনত।

৩০) দীপান্বিতা দাস। ১৯৯৬ চনত লক্ষ্ণৌত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ

জুডোত তেওঁ স্বৰ্ণপদক পাইছিল। ১৯৯৭ চনত গুৱাহাটীত হোৱা প্ৰতিযোগিতাতো তেওঁ স্বৰ্ণ পদক লাভ কৰিছিল।

৩১) মুখ্যমন্ত্ৰীজন আছিল হিতেশ্বৰ শইকীয়া। ১৯৯২ চনৰ বাৰ্চিলোনা অলিম্পিক খেলি অহাৰ পিছত তেওঁ দীপাংকৰ ভট্টাচাৰ্যৰ হাতত তুলি দিছিল মাৰুতী গাড়ীৰ ছাবি।

৩২) ১৯৮৫-৮৬ চনত। পোনতে ই আছিল অসম চৰকাৰৰ শ্ৰম দপ্তৰৰ শ্ৰম আয়ুক্তৰ তত্বাৱধানত। ১৯৯১ চনত ই অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ অধীনলৈ যায়।

৩৩) প্ৰণতি কলিতা। ১৯৯১ চনত বেইজিঙত হোৱা এছিয়ান জুনিয়ৰ হেণ্ডবলত প্ৰণতি আছিল ভাৰতৰ দলত।

৩৪) মল্লিকা বৰুৱা (বেডমিন্টন) আৰু অৰুণজ্যোতি বৰুৱা (টেবুল টেনিছ)।

৩৫) ১৯৫৮ চনৰ ২৩ নবেম্বৰত তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সৰযু প্ৰসাদৰ মাজত প্ৰীতি খেল এখনেৰে ইনড'ৰ ষ্টেডিয়ামৰ মুকলি কৰা হয়।

৩৬) ১৯৫৮ চনৰে ছয় ডিচেম্বৰৰ পৰা তাত হৈছিল ২৩তম ৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্য বেডমিন্টন প্ৰতিযোগিতা।

৩৭) ১৯৭৭ চনৰ ২৩ জানুৱাৰীত। তদৰ্থ সমিতি গঠন হৈছিল ১৯৭৬ চনৰ ১৮ জুনত। দুয়োখন সমিতিতে প্ৰজ্ঞা চৌধুৰী সভানেত্ৰী আৰু নাৰায়ণ শৰ্মা আছিল সম্পাদক হিচাপে।

৩৮) ছয়গাঁৱৰ লক্ষী ঠাকুৰীয়া। ১৯৯৫ চনৰ ২২-২৫ মে'ত জব্বলপুৰত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ চাইক্লিঙত লক্ষীয়ে পাইছিল সেই কৃতিত্ব।

৩৯) মণি সিং। ১৯৮১ চনত কটকত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ বক্সিঙত তেওঁ ব্ৰঞ্জৰ পদক পাইছিল।

৪০) মিঠু বৰুৱাই। ১৯৮৫ চনত লক্ষ্নৌত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ

সাঁতোৰত ৫০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত তেওঁ সোণৰ পদক পাইছিল। একেই মীটত ৫০ মিটাৰ ফ্ৰি ষ্টাইলত তেওঁ ৰূপৰ পদকো পায়।

৪১) দেবেন গগৈ। ১৯৮৬ চনত বেংককত হোৱা কিংছ কাপত তেওঁ মেনেজাৰৰ দায়িত্বত আছিল।

৪২) দেবেন গগৈয়ে। সেইবাৰেই মিজো বক্সাৰ জোৱা মথাংগাই ব্ৰঞ্জৰ পদক লাভ কৰিছিল। বিশ্ব কাপ বক্সিঙত পদক জিকা জোৱা মথাংগাই আছিল প্ৰথম গৰাকী ভাৰতীয় খেলুৱৈ।

৪৩) নুৰুল আমিন। (পোনতে ই আছিল শিক্ষা বিভাগৰ অধীনত)।

৪৪) ১৯৯৫ চনত। ভিলাইত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ছোৱালী হেণ্ডবলত বিজয়ী হৈছিল অসম। ফাইনেলত তেওঁলোকে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণক ১৬-৮ ব্যৱধানত হৰুৱাইছিল।

৪৫) প্ৰফুল্ল গগৈয়ে। ১৯৯৫ চনত কলিকতাত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ বক্সিঙত তেওঁ সেই কৃতিত্ব লাভ কৰিছিল।

৪৬) ১৯৭৭ চনৰ ২৫-২৬ মে'ত, গুৱাহাটীত।

৪৭) বিজয়ী হৈছিল শিলচৰ। খেল কেৱল ল'ৰাৰ শাখাত হৈছিল। আন দুটা দল আছিল গুৱাহাটী আৰু নাহৰকটীয়া।

৪৮) ১৯৮৭ চনৰ ফেব্ৰুৱাৰী মাহত, গুৱাহাটীত হৈছিল নৱম ৰাষ্ট্ৰীয় জুনিয়ৰ হেণ্ডবলৰ খেল।

৪৯) ১৯৬৭ চনত, নাহৰকটীয়াত। নাহৰকটীয়া উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষ ফটিক চন্দ্ৰ গগৈ আছিল তাৰ প্ৰধান উদ্যোক্তা। প্ৰশিক্ষণ দিছিল আদিলুজ জামান খানে।

৫০) ১৯৫৪-৫৫ চনত।

৫১) বিজয়া চক্ৰবৰ্তী (ঠাকুৰ)।

৫২) ১৯৮৭ চনত ত্ৰিবান্দ্ৰমত হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াত। একমাত্ৰ প্ৰতিযোগীজন আছিল বাণীব্ৰত দাস।

৫৩) মানস দাসে। ১৯৮৯ চনত মধ্য প্ৰদেশৰ কটলাত হোৱা ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াত তেওঁ পাইছিল ব্ৰঞ্জৰ পদক।

৫৪) মণিকংকনা দত্তবৰুৱা। কথাছবিখনৰ নাম 'হৃদয়ৰ আঁৰে আঁৰে'।
৫৫) ১৯৭৬ চনৰ ৪-৭ জানুৱাৰীত, যোৰহাটত।
৫৬) ১৯০৯ চনত, যোৰহাটত।
৫৭) ১৯৮১ চনৰ ২৭ মে'ত। তেতিয়াৰ কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী প্ৰণব মুখাৰ্জীয়ে।
৫৮) ১৯৮১ চনৰ ১১ ছেপ্তেম্বৰত, ৰাজ্যপাল প্ৰকাশ মেহৰোত্ৰাই।
৫৯) গাড়ীচালক হিচাপে।
৬০) প্ৰদীপ ব্ৰহ্ম, হৰকান্ত বৰগোঁহাই, মীনা বৰা, তৈবুন নিছা আৰু মনালিছা বৰুৱা।
৬১) জয়দীপ দাস, মদালসা হাজৰিকা, মল্লিকা বৰুৱা, অৰুণজ্যোতি বৰুৱা আৰু ৰাহুল দত্তই।
৬২) ১৯৮৮ চনত। দ্বিতীয় বাৰ্ষিকৰ সেই সমাৰোহ গুৱাহাটীত হৈছিল।
৬৩) জুনুমণি শইকীয়াই।
৬৪) ১৯৫৬ চনত। প্ৰথম অধ্যক্ষ তেতিয়াৰ শিক্ষামন্ত্ৰী অমিয় কুমাৰ দাস আৰু সচিব আছিল নুৰুল আমিন।
৬৫) স্বাধীন ডেকাৰজা আৰু তেওঁৰ কন্যা কৃষ্ণা ডেকাৰজা।
৬৬) গোপাল বৰুৱা আৰু কন্যা মনালিছা বৰুৱা।
৬৭) এলভিছ আলী হাজৰিকাই।
৬৮) তেওঁ আছিল টাইকেৱানডোৰ পৱন শইকীয়া, যিজনে তাৰ আগেয়ে নিজা বিভাগত পাঁচবাৰ লেঠাৰীকৈ ৰাষ্ট্ৰীয় চেম্পিয়ন হৈ আহিছিল।
৬৯) ৰাজেন গোঁহাই।
৭০) মনালিছা বৰুৱাই। তেওঁক সহায় কৰি দিছিল তৈবুন নিছাই।
৭১) খাকান আহমেদ।
৭২) ১৯৯৩ চনৰ ২১ ছেপ্টেম্বৰৰ পৰা যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় প্ৰাংগনত।
৭৩) শম্ভু শৰ্মাই (ফিডাৰেৰেটত)। ১৯৮৪ চনত।

৭৪) ১৯৮৭ চনৰ ১৯ ছেপ্টেম্বৰত। সভাপতি আৰু সম্পাদক আছিল ক্ৰমে নৃপেন্দ্ৰ নাৰায়ণ সিংহ আৰু প্ৰদীপ শৰ্মা।
৭৫) ১৯৬২ চনৰ ১৬ জুলাইত। ১৯৫৭ চনৰ ৯ মে'ৰ পৰা কাম আৰম্ভ হৈছিল।
৭৬) ৰাধাগোবিন্দ বৰুৱা (আৰ-জি)।
৭৭) ৰাণা গোস্বামী, তেওঁৰ পত্নী মামনি গোস্বামী আৰু কন্যা ৰাজস্মিতা গোস্বামী।
৭৮) ১৯৯৫ চনৰ ৩০ এপ্ৰিলত।
৭৯) শৰৎ দাসে। তেওঁ অভিনয় কৰা দুখনমান কথাছবি আছিল ইটো সিটো বহুতো, বদন বৰফুকন, নিমিলা অংক আৰু ভক্ত প্ৰহ্লাদ।
৮০) বিতোপন শইকীয়া।
৮১) বিতোপন শইকীয়া। ১৯৯৮ চনত তেওঁ নতুন দিল্লীত হোৱা এছ-পি আডজানিয়া কাপ আন্তৰ্জাতিক বক্সিঙত (জুনিয়ৰ) স্বৰ্ণপদক লাভ কৰিছিল।

জয়ন্ত তালুকদাৰ

৮২) হৰকান্ত বৰগোহাঁই।
৮৩) নৃপেন্দ্ৰ নাৰায়ণ সিংহ।
৮৪) মনালিছা বৰুৱা।
৮৫) শোভন চন্দ্ৰ গোস্বামী।
৮৬) ১৯৮৮ চনত।
৮৭) ১৯৯৫ চনত মৰাণত। দল আছিল মুঠতে আঠটা।
৮৮) নীলিময় চৌধুৰীয়ে।
৮৯) নীলিময় চৌধুৰী। ১৯৫৫ চনত তেওঁ ভাৰত চৰকাৰৰ শিক্ষা


আবু নেছিম আহমেদ

বিভাগে আয়োজন কৰা ছয় সপ্তাহজোৰা প্ৰশিক্ষণ কাৰ্যসূচীত .অংশগ্ৰহণ কৰিছিল। শিবিৰ হৈছিল ৰাজকোটত; প্ৰশিক্ষণ দিছিল ভাৰতীয় ক্ৰিকেটৰ এক নমস্য নাম প্ৰিন্স দুলীপ সিংজীয়ে।

৯০) নীলিময় চৌধুৰী।

৯১) বৰপেটাৰ চিত্তৰঞ্জন দাস।

৯২) হেমেন গোহাঁই।

৯৩) উপন্যাসৰ নাম আছিল 'আকাংক্ষাৰ আটলাণ্টিক'। লিখিছিল শ্যামাপ্ৰসাদ শৰ্মাই।

৯৪) সুব্ৰত সিংহ।

৯৫) ফকৰুদ্দিন আলী আহমেদ।

৯৬) নুৰুল আমিন।

৯৭) ভোগেশ্বৰ বৰুৱা।

৯৮) তেওঁ আছিল গজেন কুমাই। ঘৰ সোণাপুৰৰ ওচৰৰ ছকুৰীপাবাত।

৯৯) ১৯১৮ চনত। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ।

১০০) নুৰুল আমিন।

১০১) প্ৰণামিকা বৰা। তেওঁ ৰূপৰ পদক পাইছিল।

১০২) জাহ্নৱী গগৈয়ে। ২০০৬ চনত ভিয়েটনামৰ হেনয় নগৰীত হোৱা প্ৰতিযোগিতাত ৰূপৰ পদক।

১০৩) নৱনীতা সেনোৱাল। ২০০৫ চনত ছিংগাপুৰত হোৱা তৃতীয় এছিয়ান জুনিয়ৰ উছুত নৱনীতাই ব্ৰঞ্জৰ পদক পাইছিল।

১০৪) কল্পনা চৌধুৰী। তেওঁ সেইবাৰ শ্ৰেষ্ঠ বক্সাৰৰ সন্মানো লাভ কৰিছিল।

১০৫) প্ৰণামিকা বৰা। ১৯৯৪ চনত তুৰস্কৰ ইষ্টানবুলত হোৱা আহমেট কমেট আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতাত পাইছিল ব্ৰঞ্জৰ পদক।

১০৬) ১৯৯৮ চনৰ তিনি অক্টোবৰত। সভাপতি আৰু সম্পাদক আছিল ক্ৰমে ভাস্কৰজ্যোতি মহন্ত আৰু পংকজ বৰা।

১০৭) ডিব্ৰুগড়ৰ জয়শ্ৰী হাজৰিকা। ২০০৬ চনত দক্ষিণ কোৰিয়াৰ ছেজুত হোৱা সপ্তম জুনিয়ৰ এছিয়ান জুডোত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি জয়শ্ৰীয়ে প্ৰথম স্থান লাভ কৰিছিল।

১০৮) ২০০১ চনৰ দুই এপ্ৰিলত। প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল ক্ৰমে দেৱব্ৰত শইকীয়া আৰু সীমান্ত বৰুৱা।

১০৯) মৰিয়নীৰ ঝৰ্ণা দেৱনাথ। ২০০৩ চনৰ ছেপ্টেম্বৰ মাহত কুৱালা লামপুৰত হোৱা এছীয় যুৱ নেটবলত তেওঁ ভাৰতীয় দলত প্ৰতিনিধিত্ব কৰিছিল।

১১০) ১৯৯৪ চনৰ ৫ এপ্ৰিলত। সভাপতি আৰু সম্পাদক আছিল ক্ৰমে ভাস্কৰ দাস আৰু যোগেন্দ্ৰ নাথ গায়ন।

১১১) ডিফুৰ ৰুণু স্বৰ্গীয়াৰী। ২০০৪ চনত ইংলেণ্ডত অনুষ্ঠিত জুনিয়ৰ বিশ্ব কাপ।

১১২) হিমাজ্যোতি গগৈ।

১১৩) ফণী শৰ্মা।

১১৪) জয়ন্ত তালুকদাৰ। ২০০৬ চনত ক্ৰ'ৱেছিয়াৰ পোৰেকত হোৱা ফিটা মেটেকছান আৰ্চাৰী ৱৰ্ল্ড কাপত সোণৰ পদক অৰ্জন কৰিছিল।

১১৫) মিঠু বৰুৱা।

১১৬) এলভিছ আলী হাজৰিকা। ১৯৯১ চনত মাত্ৰ ন বছৰ বয়সতে তেওঁ ছিংগাপুৰত হোৱা এছিয়া-পেচিফিক এই গ্ৰুপ সাঁতোৰ প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল।

১১৭) পৱন শইকীয়া।

১১৮) এলভিছ আলী হাজৰিকা।

১১৯) ফাৰিহা জামান।

১২০) জয়দীপ দাস।

১২১) পৰন শইকীয়া।

১২২) পৰন শইকীয়া। ২০০২ চনত দক্ষিণ কোৰিয়াৰ বুছানত হোৱা এছিয়ান গেমছত পৰনে চতুৰ্থ স্থান লাভ কৰিছিল।

১২৩) পৰন শইকীয়া।

১২৪) নন্দিনী বৰুৱা।

১২৫) মনালিছা বৰুৱা।

১২৬) দূৰ্গা দাস বড়ো।

১২৭) বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য।

১২৮) পৰন শইকীয়া।

১২৯) ভুবনেশ্বৰ কলিতা।

১৩০) অভিজিৎ ভট্টাচাৰ্য।

১৩১) সুৰিন্দৰ ভাণ্ডাৰী

১৩২) শিৱ থাপাই। ২০১১ চনৰ ডিচেম্বৰ মাহত চেন্নাইত হোৱা প্ৰতিযোগিতাৰ ৫৬ কেজি শাখাৰ প্ৰতিযোগী শিৱই ফাইনেলত তামিলনাডুৰ কে মানিকানডোক ১৫-৭ পইন্টত হৰুৱাই অসমৰ হৈ ইতিহাস ৰচে।

"হৃদয়ৰ আঁৰে আঁৰে" কথাছবিৰ এটি দৃশ্যত মণিকংকনা আৰু সহশিল্পী আশীষ শইকীয়া

❖❖❖

796.1
GOG/A
REF/700/16

অসম ক্ৰীড়া প্ৰাধিকৰণ

সৰুসজাই ক্ৰীড়াৰ উন্নয়নৰ অৰ্থে স্থাপিত, অসম চৰকাৰৰ এক ৰাজ্যিক প্ৰতিষ্ঠান, প্ৰাধিকৰণৰ মূল লক্ষ্য

১। ৩৩তম ৰাষ্ট্ৰীয় ক্ৰীড়ৰ বাবে অসম চৰকাৰে সাজি উলিওৱা মূল ষ্টেডিয়ামকে ধৰি সকলোবোৰ ক্ৰীড়া আন্তঃগাঁঠনিৰ সুৰক্ষা আৰু সংৰক্ষণৰ ব্যৱস্থা অটুট ৰখা।

২। আন্তঃগাঁঠনিসমূহৰ সময় সাপেক্ষে প্ৰয়োজনীয় মেৰামতি কৰি খেলৰ বাবে উপযোগী কৰি ৰখা।

৩। খেলৰ সঁজুলিসমূহৰ যথাযোগ্য ব্যৱহাৰ অটুট ৰখা আৰু খেলুৱৈসকলক প্ৰয়োজন সাপেক্ষে যোগান ধৰা।

৪। খেলুৱৈসকলৰ বাবে যাৱতীয় প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা।

৫। আন্তঃৰাজ্যিক তথা আন্তঃৰাষ্ট্ৰীয় খেল পতাৰ সুবিধা গ্ৰহণ কৰি স্থানীয় খেলুৱৈসকলক আন্তঃৰাষ্ট্ৰীয় খেলৰ মানদণ্ডৰ সৈতে পৰিচিত কৰি দিয়া।

৬। প্ৰশিক্ষণৰ বাবে বিভিন্ন খেলৰ প্ৰশিক্ষকক নিয়োগ কৰি প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা।

৭। আন্তঃগাঁঠনিসমূহৰ মেৰামতি তথা সংৰক্ষণৰ বাবে প্ৰয়োজন হোৱা বিত্তৰ যোগান, আন্তঃগাঁঠনিসমূহ অন্য কামত মাজে-সময়ে ব্যৱহাৰ কৰি বিত্তৰ যোগান অটুট ৰখা।

৮। বিভিন্ন বেচৰকাৰী ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগত যোগাযোগ স্থাপন কৰি তেওঁলোকৰ পৰা ক্ৰীড়াৰ উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ কৰা।

৯। DONER / NEC/SAI আদি বিভিন্ন অনুষ্ঠানৰ লগত যোগাযোগ কৰি পুঁজি সংগ্ৰহ কৰি খেলৰ আন্তঃগাঁঠনি তৈয়াৰ তথা সংৰক্ষিত কৰি ৰখা।

১০। Sports Medicine প্ৰয়োগ কৰাৰ লক্ষ্যৰে সৰুসজাই ক্ৰীড়া প্ৰকল্পত Sports Medicine কেন্দ্ৰ স্থাপন কৰি খেলুৱৈসকলক Sports Medicineৰ যোগে প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা।

প্ৰাধিকৰণৰ লক্ষ্য প্ৰাপ্তিত খেলুৱৈ, প্ৰশিক্ষক, ক্ৰীড়ামোদী ৰাইজ আৰু বিত্তীয়/ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ সহায়-সহযোগ বিনম্ৰভাৱে আহ্বান কৰা হ'ল।

(প্ৰদীপ হাজৰিকা)
সঞ্চালক প্ৰধান
অসম ক্ৰীড়া প্ৰাধিকৰণ